www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

মহানগৰবোৰ কংক্ৰীটৰ জঙ্গল নহয়। এইবোৰ হ'ল মানুহৰ চিৰিয়াখানা। — ডেমেণ্ড মৰিচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২০৩ ❐ শুকুৰবাৰ ❐ ২৯ মে', ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 203 ❐ Friday ❐ 29th May, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

## পৰশুৰাম কুণ্ডৰ লোহিত নদীত জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ প্ৰস্তুতি

### পোহনীয়া হাতীৰ আক্ৰমণত দেৰগাঁৱত মৃত্যু মাউতৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৮ মে' ঃ** গোলাঘাট জিলাৰ দেৰগাঁৱৰ মলাইকুমাৰ গাঁৱত এক শোকাৱহ ঘটনা সংঘটিত হৈছে। পোহনীয়া হাতীৰ আক্ৰমণৰ ফলত থিতাতে নিহত হ'ল এজন মাউত। নিহত মাউতজনৰ নাম প্ৰশান্ত বুলি জানিব পৰা গৈছে। জানিব পৰা মতে দেৰগাঁও মলাই কুমাৰ গাঁৱৰ এটা পথৰ দাঁতিত হাতীটোক বাঁহ পাত খুৱাই আছিল। সেই সময়তে উক্ত পথটোৰে ৰামপ্ৰসাদ নামৰ আন এটা পোহনীয়া হাতী আহি আছিল। প্ৰশান্ত নামৰ মাউতজন তলত

❐ ৬ পৃষ্ঠাত




### ১৭৫০ মেগাৱাট ডেমৱে নিম্ন জল-বিদ্যুৎ প্ৰকল্পৰ বাবে বুজাবুজি চুক্তি সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৮ মে' ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ পুব প্ৰান্তৰ লোহিত জিলাৰ লোহিত নদীৰ বক্ষত অৱস্থিত উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ পবিত্ৰ স্থান বিখ্যাত পৰপশুৰাম কুণ্ড। হিন্দুসকলৰ অন্যতম তীৰ্থস্থান মিচিমি হিলচৰ এই পৰশুৰাম

■ ২০২৫-২৬ বৰ্ষত ৪.৭০ লাখৰো অধিক পৰ্যটকৰ আগমন ■

## 'গঁড় হত্যা শূন্য' অভিলেখেৰে কাজিৰঙাৰ পৰ্যটন বৰ্ষৰ সামৰণি

### বানপানীৰ বাবে সাজু কৰ্তৃপক্ষ

**ষ্টাফ ৰিপ'ৰ্টাৰ, কাজিৰঙা, ২৮ মে' ঃ** বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৫-২৬ পৰ্যটন বৰ্ষ বৃহস্পতিবাৰে (২৮ মে') আনুষ্ঠানিকভাৱে সামৰণি পৰে। ইয়াৰ পৰৱৰ্তী দিনা শুকুৰবাৰে (২৯ মে') পৰ্যটকৰ বাবে উদ্যানখন সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হয়। আগন্তুক বানপানীৰ সময়ছোৱালৈকে এই বন্ধ অব্যাহত থাকিব। চলিত পৰ্যটন বৰ্ষটো কাজিৰঙাৰ বাবে দুটা গুৰুত্বপূৰ্ণ সফলতা কঢ়িয়াই আনিছে। উদ্যানখনৰ বন বিভাগীয় বিষয়া (ডি এফ অ') অৰুণ ভিগ্নেশে জানিবলৈ দিয়া মতে, প্ৰথমটো সফলতা হৈছে যে সমগ্ৰ ২০২৫-২৬ বৰ্ষত এটাও গঁড় হত্যাৰ ঘটনা সংঘটিত হোৱা নাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কঠোৰ পদক্ষেপ আৰু বন বিভাগৰ সক্ৰিয়তাৰ ফলত এই বৰ্ষটোক 'গঁড় হত্যা শূন্য বৰ্ষ' হিচাপে

❐ ৬পৃষ্ঠাত



❐ ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে অনুষ্ঠানত অংশগ্ৰহণ অসমৰ অতুল বৰাৰ ❐

## পিএম আৱাস যোজনাৰ অধীনত ১২খন ৰাজ্যৰ বাবে ১০ হাজাৰ কোটি টকাতকৈ অধিক অনুদান মুকলি




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ মে' ঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (পিএমএৱাই-জি)ৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে মুঠ ১২খন ৰাজ্যৰ সংগ্ৰহালয়ত ১০,০২১ কোটি টকাৰ অনুদান মুকলি কৰা হয়। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শ্ৰী শিৱৰাজ সিং চৌহান ডাঙৰীয়াৰ

❐ ৬ পৃষ্ঠাত

ৰণজিৎ কুমাৰ দাসে অপসাৰণ কৰিলে দুলাল পেগুক

## অসম বিধানসভাৰ সচিব দুলাল পেগুক অপসাৰণ

বুধবাৰে বিধানসভাত সন্ধিয়ালৈকে দায়িত্ব পালন কৰি আছিল



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ মে' ঃ** অসম বিধানসভাৰ সচিব দুলাল পেগুক বুধবাৰে নিশা বিধানসভা সচিবালয়ৰ পৰা অপসাৰণ কৰা হয়। নতুন অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে এই পদক্ষেপ গ্ৰহণ কৰে। উল্লেখযোগ্য যে পেগুৱে বুধবাৰে সন্ধিয়ালৈকে বিধানসভাত নিজৰ দায়িত্ব পালন কৰি আছিল। কিন্তু নিশা সচিবৰ চকীত কাম কৰি থকা অৱস্থাতে

❐ ৬ পৃষ্ঠাত

"মোৰ ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতি কোনো আগ্ৰহ নাই"

## কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়াৰ পদত্যাগ; ৰাজ্যসভাৰ প্ৰস্তাৱ নাকচ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ মে' ঃ** কৰ্ণাটকৰ মুখ্যমন্ত্ৰী পদ এৰাৰ কেইঘণ্টাৰ ভিতৰতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা সিদ্দাৰামাইয়াই নিজৰ ভৱিষ্যত ৰাজনৈতিক স্থিতি সম্পৰ্কে স্পষ্টতা প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় ৰাজনীতিত যোগদান কৰি দিল্লীলৈ যোৱাৰ কোনো পৰিকল্পনা নথকা বুলি তেওঁ জানিবলৈ দিয়ে। একে সময়তে কংগ্ৰেছ হাইকমাণ্ডে তেওঁক ৰাজ্যসভালৈ

❐ ৬ পৃষ্ঠাত

■ সহযোগী হিৰন্ময় মৰাণকো গ্ৰেপ্তাৰ ■

## ULFAৰ সন্ত্ৰাসবাদী পুঁজি যোগান গোচৰ; উত্তৰ প্ৰদেশত দুজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৮ মে' ঃ** নিষিদ্ধ ঘোষিত সংগঠন ULFA লৈ সন্ত্ৰাসবাদী কাৰ্যৰ বাবে পুঁজি যোগান ধৰা গোচৰৰ তদন্তত পুনৰ বৃহৎ সফলতা লাভ কৰিছে তিনিচুকীয়া আৰক্ষীয়ে। এই গোচৰৰ সৈতে জড়িত উত্তৰ প্ৰদেশৰ দুজন লোকক গ্ৰেপ্তাৰ কৰি ট্ৰেনজিট ৰিমাণ্ডত তিনিচুকীয়ালৈ অনাৰ লগতে পূৰ্বতে আটক কৰা দেৱাশিস গোহাঁইৰ সহযোগী হিৰন্ময়

❐ ৬ পৃষ্ঠাত

❐ দক্ষিণ মেৰুত গঢ়িব 'মহাজাগতিক আস্থান' ❐

## চন্দ্ৰত স্থায়ী মানৱ ঘাটি নিৰ্মাণৰ ঘোষণা NASAৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৮ মে' ঃ** মহাকাশ গৱেষণাৰ ইতিহাসত এক বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰি আমেৰিকাৰ মহাকাশ সংস্থা নাছাই (NASA) চন্দ্ৰত স্থায়ী মানৱ ঘাটি নিৰ্মাণৰ এক উচ্চাকাংক্ষী পৰিকল্পনা আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। এই প্ৰকল্পৰ মূল লক্ষ্য হৈছে চন্দ্ৰৰ অতি গুৰুত্বপূৰ্ণ দক্ষিণ

❐ ৬ পৃষ্ঠাত

সমাজকৰ্মী হৰ্ষ মন্দাৰৰ পুনৰীক্ষণ আৱেদন গ্ৰহণ কৰি জাননী জাৰি

## 'মিঞা মুছলমান' মন্তব্যৰ গোচৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ দিল্লী আদালতৰ জাননী

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ মে' ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই 'মিঞা মুছলমান' সম্পৰ্কে কৰা এক বিতৰ্কিত মন্তব্যৰ বাবে দিল্লীৰ এখন আদালতে তেওঁলৈ জাননী প্ৰেৰণ কৰিছে। সমাজকৰ্মী হৰ্ষ মন্দাৰে দাখিল কৰা এক আবেদনৰ ভিত্তিত অতিৰিক্ত সত্ৰ

❐ ৬ পৃষ্ঠাত



আজিৰ কলম

### জনগণৰ দুৰ্গতি মোচন আৰু ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন



শৰৎ চন্দ্ৰ চিৰিংফুকন

এখন ৰাজ্যৰ সাধাৰণ নিৰ্বাচনৰ প্ৰাকঁকালত ৰাজ্যখনৰ শাসনাধিষ্ঠ চৰকাৰখনকে মুখ্য কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা প্ৰতিটো দলে একোখনকৈ নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুত কৰি জনসাধাৰণৰ মাজত ৰাজহুৱা সভা পাতি প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্যত উঠি-পৰি লাগে। সহজ-সৰল, নিমাখিত ৰাইজৰ মাজত ডিঙিৰ

❐ ৬ পৃষ্ঠাত

বটদ্ৰৱা থানত বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস

## শংকৰদেৱক পশ্চিমবংগত চিনি নাপায় ঃ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস



### কীৰ্তন ঘৰত গুৰুজনাৰ শ্ৰীচৰণত ল'লে সেৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ মে' ঃ** অসম বিধানসভাৰ অধ্যক্ষ তথা জ্যেষ্ঠ বিজেপি বিধায়ক ৰঞ্জিত কুমাৰ দাসে বৃহস্পতিবাৰে বিয়লি বটদ্ৰৱা থানত উপস্থিত হৈ এক আধ্যাত্মিক অভিযান সম্পন্ন কৰে। ৰাষ্ট্ৰীয় সাজ পৰিধান কৰি তেওঁ কীৰ্তনঘৰত প্ৰৱেশ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ শ্ৰীচৰণত সেৱা গ্ৰহণ কৰে। উল্লেখযোগ্য

❐ ৬ পৃষ্ঠাত

কেলেংকাৰীৰ পৰা সাৰিবলৈহে বিজেপিত যোগ দিছিল হিমন্ত বিশ্ব শৰ্মাই

## ১৯৭২ চনৰ পৰা মই কংগ্ৰেছৰ নিমখ খাইছো, গতিকে আন দলৰ চিন্তাই কৰিব নোৱাৰো ঃ দেৱব্ৰত শইকীয়া

বিধানসভা নিৰ্বাচনত দলৰ শোচনীয় পৰাজয় স্বীকাৰ; 'দলৰ হাইকমাণ্ডে যি দায়িত্ব দিব, নিষ্ঠাৰে পালন কৰিম'

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ মে' ঃ** বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় পৰাজয়ৰ পাছতে দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই স্পষ্ট ভাষাত ক'লে যে তেওঁ কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ কোনো কথা নাই। বৃহস্পতিবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ সন্মুখত তেওঁ কয়, "কংগ্ৰেছৰ এতিয়া আৰু ক্ষতি হ'বলৈ বাকী নাই, বৰং এতিয়াই দলৰ

❐ ৬ পৃষ্ঠাত






## আমগুৰিৰ গাহৰিচোৰাবাৰীত মৃত নাহৰফুটুকী বাঘ উদ্ধাৰ

**অসম বাৰ্তা, চেলেংহাট, ২৮ মে’ ঃ** শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিৰ নামতি দৌল গাঁও পঞ্চায়তৰ অন্তৰ্গত গাহৰিচোৰাবাৰীৰ এখন হাবিৰ কাষত যোৱা সোমবাৰে বিয়লি এটা মৃত নাহৰফুটুকী বাঘ উদ্ধাৰ হয়। মাছ ধৰিবলৈ যোৱা এজন লোকে প্ৰথমে প্ৰত্যক্ষ কৰে নাহৰফুটুকীটো। জীৱিত বুলি ভাবি ভয়তে পলাই গৈ তেওঁ স্থানীয় ৰাইজক লৈ পুনৰ সেই স্থানত উপস্থিত হোৱাৰ পিছতহে নাহৰফুটুকীটো মৃত বুলি নিশ্চিত হয়। প্ৰত্যক্ষদৰ্শীয়ে নাহৰফুটুকীটোৰ অৱস্থা দেখি বাঘটো কেইবাদিনো পূৰ্বেই মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে। পৰৱৰ্তী সময়ত মৃত নাহৰফুটুকীটো উদ্ধাৰ হোৱাৰ বিষয়ে হালোৱাটিং আৰক্ষী থানাক অৱগত কৰা হয়। বাতৰি লিখা পৰলৈকে বাঘটোৰ মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই।

## জ্যোতিষী অপূৰ্ব দেৱ শৰ্মালৈ ড° বি আৰ আম্বেদকৰ নেচনেল এৱাৰ্ড

**অসম বাৰ্তা, মিৰ্জা, ২৮ মে’ ঃ** কামৰূপ জিলাৰ বিজয়নগৰৰ দখলাৰ জ্যোতিষী অপূৰ্ব দেৱ শৰ্মালৈ আগবঢ়োৱা হৈছে এক বিশেষ সন্মান। সমাজলৈ আগবঢ়োৱা তেওঁৰ উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁ লাভ কৰিছে ড° বি আৰ আম্বেদকৰ নেচনেল এৱাৰ্ড। দিল্লীৰ দ্বাৰকা ছে’’ৰ সপ্তমত যোৱা ২৩ মে’ত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত GHRPF ৰিচাৰ্চ ইনষ্টিটিউটে এই সন্মান প্ৰদান কৰে। অনুষ্ঠানটোত জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাক ড° বি আৰ আম্বেদকৰ নেচনেল এৱাৰ্ডৰে সন্মানিত কৰা হয়। শান্তি, সমাজসেৱা আৰু সামাজিক সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ বিশেষ অৱদানৰ বাবে এই সন্মান প্ৰদান কৰা বুলি আয়োজক পক্ষই উল্লেখ কৰে। উল্লেখযোগ্য যে, তেওঁ বিগত সময়ত দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত দৰিদ্ৰ পৰিয়ালসমূহক টিনপাত, প্ৰতি বছৰে দুখীয়া ছাত্ৰ-ছাত্ৰীক কলেজ ইউনিফৰ্ম, কিতাপ আদি যোগান ধৰি আহিছে। লগতে বহুনামৰীয়া দলৰ মাজত নাগাৰা, তাল, জুনুকা, গীতা বিতৰণ কৰাৰ লগতে বানপানীৰ সময়ত বানপীড়িত লোকসকলক খাদ্য সামগ্ৰীও প্ৰদান কৰি আহিছে। সন্মান লাভৰ পিছত জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাই আনন্দ প্ৰকাশ কৰি কয় যে এই স্বীকৃতিয়ে তেওঁক আগন্তুক দিনত সমাজৰ হকে আৰু অধিক দায়িত্বসহ কাম কৰিবলৈ উৎসাহিত কৰিব।

## শ্ৰীশ্ৰী জৰাবাৰী সত্ৰত ষোড়শ সত্ৰাধিকাৰ প্ৰয়াত গৌৰীকান্ত দেৱ গোস্বামীৰ উনবিংশতম তিৰোভাৱ তিথি উদযাপন

**অসম বাৰ্তা, চেলেংহাট, ২৮ মে’ ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ ষোড়শ সত্ৰাধিকাৰ প্ৰয়াত গৌৰীকান্ত দেৱ গোস্বামীৰ উনবিংশতম তিৰোভাৱ তিথি সফলতাৰে উদযাপন কৰা হয়। পণ্ডিতপ্ৰৱৰ সত্ৰাধিকাৰ প্ৰয়াত শ্ৰীশ্ৰী গৌৰীকান্ত দেৱ গোস্বামীৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি যোৱা ২২ মে’ৰ পৰা ২৫ মে’লৈ চাৰি দিনীয়াকৈ অখণ্ড ভাগৱত পাঠৰ আয়োজন কৰা হয়। উল্লেখ্য যে প্ৰয়াত সত্ৰাধিকাৰ গৰাকীয়ে নিজা পাণ্ডিত্যৰ বলত দ্বাদশ স্কন্ধ ভাগৱত কণ্ঠস্থ কৰিব পাৰিছিল। তেখেতৰ সেই গুণৰ প্ৰতি সন্মান জনাই শ্ৰীশ্ৰী জৰাবাৰী সত্ৰই প্ৰতি বছৰে প্ৰয়াত সত্ৰাধিকাৰজনাৰ তিৰোভাৱ তিথিত এইদৰে অখণ্ড ভাগৱত পাঠ অনুষ্ঠিত কৰি আহিছে। তিথিৰ লগত সংগতি ৰাখি ২৫ মে’ৰ দিনাখন প্ৰয়াত গৌৰীকান্ত দেৱ গোস্বামীৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পন কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ মহন্তই বিশেষ মুহূৰ্তত সোঁৱৰণ কৰি কয় যে প্ৰয়াত গৌৰীকান্ত দেৱগোস্বামীক তেখেতৰ ১০১ বছৰ বয়সত বৰপেটা সত্ৰত সাক্ষাৎ হোৱাৰ সৌভাগ্য হৈছিল। তেওঁ লগতে সোঁৱৰে যে সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত প্ৰয়াত দেৱগোস্বামীয়ে সুদীৰ্ঘ পাঁচ বছৰ কাল বাৰানসীত ধৰ্ম বিষয়ক শিক্ষা গ্ৰহণ কৰিছিল। জীৱিত অৱস্থাত দেৱগোস্বামী অসমৰ সমগ্ৰ সত্ৰ সমাজৰ ভিতৰত আটাইতকৈ জ্ঞানী পণ্ডিত আৰু সন্মানীয় ব্যক্তিত্ব আছিল বুলি মত পোষণ কৰে। অনুষ্ঠানৰ অন্তিম দিনা অন্যান্য কাৰ্যসূচীৰ লগতে পুৱা ভাগৰ পৰা নাম প্ৰসঙ্গ আৰু মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ দ্বাৰা গায়ন-বায়ন আৰু চালি নাচ পৰিৱেশন কৰা হয়।

**শিল মাফিয়াই অহৰহ শিল খান্দি দৈয়াঙ নদীৰ ৰূপ সলনি কৰা কাৰ্যত অসন্তুষ্ট স্থানীয় ৰাইজ তথা দল-সংগঠন**

## উৰিয়ামঘাট সীমান্তত ৰাজ্যৰ বনবিভাগৰ মুখ্য সচিব এম কে যাদৱ

### কঠোৰ স্থিতি গ্ৰহণ স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, সৰুপথাৰ, ২৮ মে’ ঃ** ৰাজ্য জোকাৰি যোৱা অসম-নগালেণ্ড সীমান্তৰ দৈয়াঙ নদীত অবৈধভাৱে শীল খনন কৰা কাৰ্য্যত পলমকৈ হ’লেও সাৰ পাইছে অসমৰ ব্যাগোম বন বিভাগ। গোলাঘাট জিলাৰ অসম নাগালেণ্ড সীমান্তৰ দৈয়াঙ নদীত অবৈধ শিল খনন সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ ধমক খাই উৰিয়ামঘাটৰ দৈয়াঙ নদীৰ অবৈধ শিল খনন স্থলীত বুধবাৰে পুৱাই উপস্থিত হয়হি ৰাজ্যৰ বনবিভাগৰ মুখ্য সচিব এম কে যাদৱ সহ একাংশ উচ্চ পদস্থ বিষয়া। অবৈধ শিল খনন স্থলীত উপস্থিত হৈ অবৈধ ভাৱে দৈয়াঙ নদী আৰু নদীখনৰ দাতি কাষৰীয়া অঞ্চল খান্দি শিল মাফিয়াই নদীখনৰ সুতি সলাই পেলুৱাৰ ভয়ানক দৃশ্য প্ৰত্যক্ষ কৰি সাংবাদিকৰ আগত অদ্ভুত যুক্তি দি উদ্ভট মন্তব্য কৰে ৰাজ্যৰ বনবিভাগৰ মুৰব্বী বিষয়া গৰাকীয়ে। বন বিভাগৰ চূড়ান্ত ব্যৰ্থতা আৰু অকৰ্মণ্যতাৰ বাবে দিনে নিশাই বনদস্যু সদৃশ শিল মাফিয়াই শিল খান্দি সীমান্তৱৰ্তী এলেকাটো তহিলং কৰাৰ পাছত লজ্জিত বন বিভাগৰ মুখ্য সচিব এম কে যাদৱৰ মতে যোৱা বিধান সভা নিৰ্বাচনৰ সময়ত বিভাগীয় বিষয়া কৰ্মচাৰী সকল ব্যস্ত থকাৰ সুযোগ গ্ৰহণ কৰিহে শিল মাফিয়াই এনেদৰে দৈয়াঙৰ বুকু ভেদি শিল খান্দি নিবলৈ সক্ষম হোৱা বুলি মত প্ৰকাশ কৰে। গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অসম-নাগালেণ্ড সীমান্তৰ দৈয়াঙ নদী আৰু দাতি কাষৰীয়া অঞ্চলত শিল মাফিয়াই অবৈধভাৱে শিল খনন কৰি ৰাজ্যৰ ভৌগোলিক পৰিসীমাকে সলাই পেলোৱা বুলি সংবাদ মাধ্যম সমূহে সঘনাই বাতৰি পৰিৱেশন কৰাৰ লগতে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকনেও বিষয়টো সন্দৰ্ভত অতি কঠোৰ স্থিতি গ্ৰহণ কৰে আৰু সম্পুৰ্ণ বিষয়টো বিষয়টো ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীক অৱগত কৰে। পিছত সম্পুৰ্ণ বিষয়টোৰ অনুসন্ধানৰ বাবে ৰাজ্যৰ বন বিভাগৰ মুখ্য সচিব এম কে যাদৱক তাৎক্ষণিক ভাৱে সীমান্তলৈ যোৱাৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ পৰা এই নিৰ্দেশ লাভ কৰাৰ পাছতেই থৰকাছুটি হেৰুৱাই বুধবাৰে পুৱাই দৈয়াং নদীৰ অবৈধ শিল খননস্থলীত উপস্থিত হয়হি ৰাজ্যৰ বন বিভাগৰ মুখ্য সচিব এম কে যাদৱ। ৰাজ্যৰ বন বিভাগ, গোলাঘাট জিলা প্ৰশাসন, সৰুপথাৰ সমজিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়া সকলৰ লগতে আৰক্ষী আৰু চি আৰ পি এফৰ বিশাল বাহিনীলৈ শিল মাফিয়াই অবাধে শিল খনন কৰা কাৰ্য প্ৰত্যক্ষ কৰি ৰাজ্যৰ বন বিভাগৰ মুখ্য সচিবগৰাকীয়ে কয়- যোৱা বিধানসভা নিৰ্বাচনী কামকাজত তেওঁলোকৰ বিভাগৰ বিষয়া কৰ্মচাৰীসকল ব্যস্ত থকাৰ বাবেই শিল মাফিয়াই এনেদৰেই শিল খান্দিবলৈ সুযোগ পাইছে বুলি অতি নিৰ্লজ্জভাৱে দায় সৰা মন্তব্য আগবঢ়ায়। ৰাজ্যৰ বন বিভাগৰ শীৰ্ষ আমোলাগৰাকীৰ এনে গা এৰা মন্তব্যত স্থানীয় সাংবাদিকসকলৰ লগতে ঘটনাস্থলীত উপস্থিত হোৱা ধনশিৰি মহকুমা ছাত্ৰ সন্থা, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলে বন বিভাগৰ মুৰব্বী বিষয়াগৰাকীৰ এনে মন্তব্যৰ আশ্চৰ্য প্ৰকাশ কৰে আৰু বিষয়াগৰাকীক উভতি ধৰে। পিছত বন বিভাগৰ মুখ্য সচিব গৰাকীয়ে কয় বিষয়টো আমি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছোঁ, ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়েও বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে, আমি সকলো দিশ ভালদৰে চাই ব্যৱস্থা গ্ৰহণ কৰিম বুলি জানিবলৈ দিয়ে। ইফালে বন বিভাগৰ মুখ্য সচিবগৰাকীক অনুসৰণ কৰি গোলাঘাট জিলাৰ ডি এফ অ’ গৰাকীয়েও একোব চৰা মন্তব্য আগবঢ়াই। মুকুট চন্দ্ৰ দাস নামৰ গোলাঘাট জিলা বন সম্বন্ধ বিষয়াগৰাকীয়ে শীল মাফিয়াই দৈয়াঙৰ শীল অবাধে খনন কৰাৰ কথা স্বীকাৰ কৰি সাংবাদিকৰ আগত অসহায় চিকাৰোক্তি দাঙি ধৰি “তেওঁলোকৰ অৰ্থাৎ বন বিভাগৰ দল যদি দিনত শিলখণ্ড স্থানলৈ যায় শীল মাফিয়াই ৰাতি শিল খান্দি নিয়ে আৰু ৰাতি যদি যায় শীল মাফিয়াই দিনত শীল খান্দি লৈ যায় কাৰণে” তেওঁলোকে দৈয়াঙৰ শীলখনন কাৰ্যত শীল মাফিয়াক বাধা দিব পৰা নাই। বন বিভাগৰ শীৰ্ষ পদবীধাৰী বিষয়াৰ এনে নিম্ন পৰ্যায়ৰ মন্তব্যৰ দ্বাৰা শীল মাফিয়াৰ ওপৰত তেওঁলোকে কেনেধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব তাক লৈ এতিয়া ৰাইজৰ মনত সন্দেহ উপজিছে। উল্লেখ্য যে কেৱল বন বিভাগেই নহয় সামৰিকভাৱে গোলাঘাট জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু সীমান্ত সুৰক্ষাৰ বাবে নিৰপেক্ষ বাহিনী হিচাপে নিয়োজিত চি আৰ পি এফৰ অকমন্যতাৰ কাৰণে এনেদৰে অসম নাগালেণ্ড সীমান্তত বনদস্যুসকলে লুণ্ঠন চলাবলৈ সক্ষম হৈছে। ইফালে ৰাজ্যৰ শীৰ্ষ মুৰব্বী বিষয়াৰ এনে নিলৰ্জ্জ মন্তব্যৰ সন্দৰ্ভত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনেও আশ্চৰ্য প্ৰকাশ কৰিছে। বিধায়ক গৰাকীয়ে কয় দৈয়াং নদীৰ অবৈধ শিলখননৰ বিষয়টো ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। গতিকে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী গৰাকীয়ে নিশ্চিতভাৱে এক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। তদুপৰি ৰাজ্যৰ বন বিভাগৰ মুখ্য সচিবগৰাকীৰ লগতে গোলাঘাট জিলা প্ৰশাসন, সৰুপথাৰ সমজিলা প্ৰশাসন আৰু চি আৰ পি এফক লৈ সন্ধিয়া ৮বজাত সৰুপথাৰ আৱৰ্ত ভৱনত এখন বৈঠক আহ্বান কৰা হৈছে বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে সীমান্তত বন বিভাগৰ আশীৰ্বাদত কেৱল বনদস্যুসকলে লুটপাত চলাইছে এনে নহয়। সীমান্তত সামগ্ৰিকভাৱে গোলাঘাট জিলা প্ৰশাসনৰ চূড়ান্ত ব্যৰ্থতাৰ বাবে উচ্ছেদিত ভূমিত নগা শিখণ্ডী কৰি উচ্ছেদিত মিঞাই পুনৰ ঘৰ দোকান সাজিবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে অসম নাগালেণ্ড সীমান্তৰ বি চেক্টৰৰ ডিমৰুজানত উচ্ছেদিত এজন মিঞাঁ লোকে নগাৰ সহযোগত অবৈধভাৱে নতুনকৈ দোকান ঘৰ নিৰ্মাণ কৰি দোকানৰ সন্মুখত “গভট অফ নাগালেণ্ড” লিখা ফলক আঁৰি ৰখাৰ কথা সংবাদ মাধ্যম সমূহে ধাৰাবাহিকভাৱে বাতৰি পৰিৱেশন কৰাৰ পাছতো আজি পৰ্যন্ত প্ৰশাসনে উক্ত ফলক আঁতৰ কৰিব পৰা নাই। যি সীমান্ত অঞ্চলত অসমৰ লোকে অসম আৰু নাগালেণ্ড উভয় ৰাজ্যৰ প্ৰশাসনৰ অনুমতি নহ’লে উৰুখা প্ৰজা এটাও মেৰামতি কৰিব নোৱাৰে, তেনেস্থলত নগাৰ সহযোগত উচ্ছেদিত ভূমিত উচ্ছেদিত মিঞা লোকে কেনেদৰে দোকান ঘৰ সাজিব পাৰে এই প্ৰশ্নই সীমান্তৱৰ্তী এলেকাটো যে ৰাজ্য প্ৰশাসন যন্ত্ৰৰ নিয়ন্ত্ৰণত নাই তাকেই প্ৰমাণিত কৰিছে।

## যোৰহাট জিলাত ভাৰতৰ লোকপিয়ল, ২০২৭ৰ জিলা পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহপিয়লৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী

**অসম বাৰ্তা যোৰহাট, ২৮ মে’ ঃ** আজি যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ভাৰতৰ লোকপিয়ল ২০২৭ৰ জিলা পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহপিয়লৰ ইংৰাজী ২৭ মে’, ২৯মে, ‘ আৰু ৩০ মে’লৈ অনুষ্ঠিত হ’বলগীয়া তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজিৰ এই প্ৰথম দিনা প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠানত আদৰনি ভাষণ প্ৰদান কৰে জিলা অতিৰিক্ত আয়ুক্ত শ্ৰীমতী দ্যোতিভা বৰাই। তেখেতৰ ভাষণত কয় যে লোকপিয়ল দেশৰ জনসংখ্যা গণনাৰ বাবে অন্যতম গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। সেয়ে প্ৰতিজন লোকপিয়ল গণনাকাৰী বিষয়াই তথ্য সংগ্ৰহত অতি সাৱধান হ’ব লাগিব কাৰণ এয়া এক-সময়ৰ প্ৰক্ৰিয়া যি আগন্তুক দহ বছৰৰ পৰিকল্পনা নিৰ্ধাৰণ কৰে। তদুপৰি তেখেতে কয় যে লোকপিয়লৰ তথ্যৰ ওপৰত ভিত্তি কৰিয়েই আন্তঃগাঁথনি উন্নয়নকে ধৰি ভৱিষ্যতৰ সকলো পৰিকল্পনা আৰু সুযোগ-সুবিধা নিৰ্ধাৰণ কৰা হ’ব। তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যক্ৰমত লোকপিয়ল ২০২৭ সম্পৰ্কীয় বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰথম দিনা প্ৰশিক্ষণ কাৰ্যক্ৰমত লোকপিয়ল ২০২৭ৰ আভাস/পৰিচয়, লোকপিয়লৰ ভেটি নিৰ্মাণ আৰু CMMS, গৃহ তালিকাভুক্তি আৰু গৃহ ব্যৱস্থাপনা আদিৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হয়। আজিৰ এই প্ৰশিক্ষণত অসমৰ লোকপিয়ল সঞ্চালকালয়ৰ কাৰ্য্যালয়ৰ পৰা অহা উপ সঞ্চালক প্ৰজ্ঞান জ্যোতি খাউণ্ড ডাঙৰীয়াই পাৱাৰপইণ্ট প্ৰেজেণ্টেছনৰ জৰিয়তে ব্যৱহাৰিক উদাহৰণসহ বিভিন্ন লোকপিয়ল কাৰ্যক্ৰমৰ বিষয়ে বিতংভাৱে অৱগত কৰে। ইয়াৰ পিছতে সমল ব্যক্তি হিচাপে অসমৰ লোকপিয়ল সঞ্চালকালয়ৰ কাৰ্য্যলয়ৰ পৰা অহা ছিনিয়ৰ ইন্সপেক্টৰ পুলিন নাথে লোকপিয়ল কাৰ্যক্ৰম সম্পৰ্কীয় বিভিন্ন তথ্য-পাতি বিশদভাৱে ব্যাখ্যা কৰে। উক্ত প্ৰশিক্ষণত জিলা আয়ুক্ত জয় শিৱানী ডাঙৰীয়া উপস্থিত থাকি প্ৰথমতে অসমৰ লোকপিয়ল সঞ্চালকালয় কাৰ্য্যালয়ৰ পৰা অহা সমল ব্যক্তি দুগৰাকীক উষ্ম আদৰণি জনায়। ইয়াৰ পিছত প্ৰশিক্ষাৰ্থীসকলক সম্বোধন কৰি তেখেতে দেশৰ গণতান্ত্ৰিক ব্যৱস্থাটোক সুদৃঢ় কৰাৰ ক্ষেত্ৰত লোকপিয়লৰ ভূমিকা আৰু গুৰুত্বৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। তেখেতে বিশেষভাৱে উল্লেখ কৰে যে দেশৰ জনপ্ৰতিনিধিত্বৰ ক্ষেত্ৰত লোকপিয়লে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেখেতে প্ৰশিক্ষাৰ্থীসকলক এই ঐতিহাসিক কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। এই লোকপিয়ল অনন্য আৰু উল্লেখযোগ্য, কিয়নো ভাৰতৰ লোকপিয়লৰ ইতিহাসত এইটো প্ৰথম লোকপিয়ল য’ত লোকপিয়লৰ তথ্য সংগ্ৰহ ডিজিটেল সঁজুলি/ মাধ্যমৰ জৰিয়তে কৰা হ’ব। গণনাকাৰী সকলে তেওঁলোকৰ নিজৰ স্মাৰ্টফোনত উপলব্ধ ম’বাইল এপ্লিকেচন ব্যৱহাৰ কৰি পৰিয়ালসমূহৰ পৰা তথ্য সংগ্ৰহ কৰিব। ইয়াৰ উপৰিও পৰিয়ালসমূহক নিৰ্দিষ্ট ৱেব পৰ্টেলৰ জৰিয়তে স্ব-গণনা কৰাৰ বিকল্প প্ৰদান কৰা হ’ব। অৱশ্যে স্ব-গণনাযোগে দাখিল কৰা সকলো তথ্যৰ সঠিকতা আৰু সম্পূৰ্ণতা নিশ্চিত কৰিবলৈ তথ্যসমূহ গণনাকাৰী আৰু পৰ্যবেক্ষকৰ পৰীক্ষণৰ আওঁতাত থাকিব। লোকপিয়লৰ প্ৰথম পৰ্যায়ত অৰ্থাৎ গৃহ তালিকা আৰু গৃহপিয়লৰ সময়ত গণনাকাৰীসকলে মূলতঃ গৃহৰ অৱস্থা পৰিয়ালৰ সা-সুবিধা আৰু সম্পত্তিৰ তথ্য সংগ্ৰহ কৰিব। তেখেতে সকলো লোকপিয়ল বিষয়াক সম্পূৰ্ণ নিষ্ঠা আৰু একাগ্ৰতাৰে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। আজিৰ এই প্ৰশিক্ষণ কাৰ্যসূচীত টীয়ক আৰু তিতাবৰ সম-জিলাৰ সম জিলা আয়ুক্তদ্বয়, জিলা অতিৰিক্ত আয়ুক্ত, সহকাৰী জিলা আয়ুক্ত, জিলা তথ্য বিষয়া, ৰাজহ চক্ৰ বিষয়াসকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়া সকলৰ লগতে তেখেতসকলৰ কাৰ্য্যালয়ৰ সহকাৰী কৰ্মচাৰী সকলে অংশগ্ৰহণ কৰে।

**আৰক্ষীৰ তৎপৰতাত চোৰসহ মটৰ-চাইকেল উদ্ধাৰ**

## হাজোৰ গেৰুৱাত দিন-দুপৰতে বাইক চুৰিৰ ঘটনা

### মইনুদ্দিন আলী নামৰ এজন চোৰ আটক

**অসম বাৰ্তা, হাজো, ২৮ মে’ ঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱাত কালি দিন-দুপৰতে এক মটৰচাইকেল চুৰিৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। অৱশ্যে ঘটনাৰ সন্দৰ্ভত এজাহাৰ লাভ কৰাৰ পিছতে হাজো আৰক্ষীয়ে ক্ষিপ্ৰতাৰে অভিযান চলাই ২৪ ঘণ্টাৰ ভিতৰতে চোৰসহ বাইকখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে, কালি দিনৰ ভাগত বৰদধি গাঁৱৰ বিষৱ দাসে গেৰুৱাৰ মনসা মন্দিৰৰ সমীপত নিজৰ মটৰচাইকেলখন ৰাখি ওচৰতে ৰং কৰা কামত ব্যস্ত আছিল। তেনে সময়তে কোনো দুষ্কৃতিকাৰীয়ে সুযোগ বুজি বাইকখন চুৰি কৰি নিয়ে। পিছত নিজৰ বাহনখন যথাস্থানত নেদেখি বিষৱ দাসে ততালিকে হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। ভুক্তভোগী যুৱকজনৰ এজাহাৰৰ ভিত্তিত হাজো আৰক্ষীয়ে তৎকালীনভাৱে এক অনুসন্ধান চলায়। অৱশেষত এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত হাজো থানাৰ আৰক্ষীৰ এটা দলে হাজোৰ কোঁৱৰপুৰত অভিযান চলাই মটৰচাইকেল চুৰি কাৰ্যৰ সৈতে জড়িত মইনুদ্দিন আলী ওৰফে ‘কাটালাগা’ক বাহনখনসহ আটক কৰে। বৰ্তমান হাজো আৰক্ষীয়ে ধৃত মইনুদ্দিন আলীক অধিক তথ্যৰ বাবে সোধ-পোছ অব্যাহত ৰাখিছে। এই চুৰি চক্ৰৰ সৈতে আন কোনো সতীৰ্থ জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত চলাই থকা বুলি জানিব পৰা গৈছে।

## মঙলদৈ সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়িকা নীলিমা দেৱীক সম্বৰ্ধনা

**অসম বাৰ্তা, মঙলদৈ, ২৮ মে’ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সম্মিলনীৰ আহ্বানত সমগ্ৰ অসমৰ সকলো সমষ্টিৰ নৱনিৰ্বাচিত বিধায়কসকলক সম্বৰ্ধনা আৰু স্মাৰক-পত্ৰ প্ৰদানৰ অংশ হিচাপে মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সম্মিলনীয়ে সংৰক্ষণ মুক্ত মঙলদৈ সমষ্টিৰ প্ৰথম গৰাকী মহিলা বিধায়িকা হিচাপে নিৰ্বাচিত হোৱা নীলিমা দেৱীক সোমবাৰে সম্বৰ্ধনা আৰু স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত উল্লেখ কৰা অসমৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সমাজে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰে। বিধায়িকা নিলীমা দেৱীয়ে শিক্ষক সমাজৰ সমস্যাসমূহ উপলব্ধি কৰি আলোচনা কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। ইপিনে মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সম্মিলনীৰ অন্তৰ্গত ছিপাঝাৰ সমষ্টিৰ দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱা বিধায়ক ড° পৰমানন্দ ৰাজবংশীকো ছিপাঝাৰ খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ এটি প্ৰতিনিধি দলে সম্বৰ্ধনা আৰু স্মাৰক-পত্ৰ প্ৰদান কৰে। আনহাতে মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সম্মিলনীৰ অন্তৰ্গত দলগাঁও খণ্ড প্ৰাথমিক শিক্ষক সম্মিলনীয়ে দলগাঁও সমষ্টিত দ্বিতীয়বৰাৰ বাবে নিৰ্বাচিত হোৱা বিধায়ক মুজিবুৰ ৰহমানক সম্বৰ্ধনা সভা অনুষ্ঠিত কৰি সম্বৰ্ধনা জনোৱা হ’ব বুলি মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সম্মিলনীক দলগাঁও খণ্ড প্ৰাথমিক শিক্ষক সম্মিলনীয়ে প্ৰকাশ কৰে।

## জোনাকী সঙ্ঘ বিদ্যালয়ৰ এনচিচি কেডেটৰ সাফল্য

**অসম বাৰ্তা, নিমাতীঘাট, ২৮ মে’ ঃ** ভাৰতীয় প্ৰতিৰক্ষা বিভাগৰ তৃতীয় স্তৰ অৰ্থাৎ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ অন্তৰ্ভুক্ত যোৰহাট জোনাকী সঙ্ঘ বিদ্যালয়ৰ প্ৰায় ৩২ গৰাকী কেডেটে ৬৪ নং অসম বেটেলিয়ন এন চি চি এ যোৰহাট গড়মূৰ একাডেমীত অনুষ্ঠিত কৰা ১০ দিনিয়া প্ৰশিক্ষণ শিবিৰত যোগদান কৰি সকলো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰি বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যালয় সমূহৰ ৪০০ৰো অধিক কেডেটে অংশ গ্ৰহণ কৰা প্ৰশিক্ষণ শিবিৰটোত বিদ্যালয়খনৰ ছাত্ৰ ক্ৰমে ভাৰ্গৱ নন্দন চেতিয়া আৰু নিখাৰ নাথে চিত্ৰাংকন প্ৰতিযোগিতা আৰু ফায়াৰিং ত শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশৰ লগতে লিডাৰশ্বিপৰ ওপৰত বিশেষ প্ৰশিক্ষণৰ উদ্দেশ্যে ১৩ মে’ৰ পৰা ২২ মে’লৈ অনুষ্ঠিত চি, এ, টি, চি-১৭ প্ৰশিক্ষণ শিবিৰটোৰ ভিতৰতেই বিদ্যালয়খনৰ শিক্ষয়িত্ৰী লিপিকা হাজৰিকাৰ নেতৃত্বত অংশ গ্ৰহণ কৰা দলটোৱে শ্ৰেষ্ঠ স্থান লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ এন চি চি কেডেটৰ এই সাফল্যত বিদ্যালয় কৰ্তৃপক্ষ, অভিভাৱক-অভিভাৱিকা শুভাকাংক্ষী সকলে আনন্দ প্ৰকাশ কৰাৰ লগতে শিক্ষয়িত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছে।

**আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত দুটা ৰূপৰ পদক জয়**

## উশ্বু খেলুৱৈ অৱন্তিকা দাসৰ সফলতা

**অসম বাৰ্তা, মিৰ্জা, ২৮ মে’ ঃ** পুনৰ বিশ্বৰ মঞ্চত উজ্জ্বলিল অসমৰ গৌৰৱ, গুৱাহাটী বিৰুবাৰীৰ উশ্বু খেলুৱৈ অৱন্তিকা দাস। আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসাধাৰণ প্ৰদৰ্শন আগবঢ়াই তেওঁ দুটা ৰূপৰ পদক লাভ কৰি দেশ তথা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৱা ২১ মে’ৰ পৰা ২৫ মে’লৈ অষ্ট্ৰেলিয়াত অনুষ্ঠিত হয় Oceania International Invitational Wushu Kung-Fu Championships 2026। উক্ত প্ৰতিযোগিতাত বিশ্বৰ বিভিন্ন দেশৰ শীৰ্ষ উছু খেলুৱৈয়ে অংশগ্ৰহণ কৰে। এই উচ্চস্তৰৰ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰি অৱন্তিকা দাসে Traditional Nanquan Type Event আৰু Traditional Single Weapon Event-ত অংশগ্ৰহণ কৰে। দুয়োটা ইভেণ্টতে তেওঁ অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। অৱন্তিকা দাসৰ এই সফলতাই অসম তথা ভাৰতীয় উশ্বু ক্ৰীড়াক্ষেত্ৰলৈ এক নতুন গৌৰৱ কঢ়িয়াই আনিছে বুলি ক্ৰীড়া মহলত প্ৰশংসা লাভ কৰিছে। প্ৰতিযোগিতা শেষ কৰি আজি গুৱাহাটীলৈ উভতি অহাৰ পিছতে গুৱাহাটী বিমানবন্দৰত তেওঁক উষ্ম আদৰণি জনোৱা হয়। ক্ৰীড়াপ্ৰেমী, আত্মীয়-স্বজন আৰু বিভিন্ন সংগঠনৰ সদস্যসকলে উপস্থিত হৈ ফুল-মালা আৰু শুভেচ্ছাৰে তেওঁক স্বাগতম জনায়।

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জৰাবাৰী প্ৰাথমিক শাখাত মহাৰজত জয়ন্তীৰ আয়োজন

**অসম বাৰ্তা, চেলেংহাট, ২৮ মে’ ঃ** শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ জৰাবাৰী প্ৰাথমিক শাখাৰ মহাৰজত জয়ন্তী উদ্‌যাপন বাবে আয়োজন কৰা হৈছে। অহা ডিচেম্বৰ মাহৰ ২৫, ২৬ আৰু ২৭ তাৰিখে অনুষ্ঠিত হ’ব লগা জয়ন্তীৰ বাবে ইতিমধ্যে টোকেন দত্তক সভাপতি, ৰঞ্জিত ভূঞাক কাৰ্যকৰী সভাপতি, দেৱজিত দুৱৰাক মুখ্য সম্পাদক, অৰবিন্দ ৰাজখোৱা আৰু প্ৰশান্ত প্ৰতিম ভূঞাক যুটীয়া সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। ১৯৫০ চনত হৰেণ ৰাজখোৱা, খগেশ্বৰ দত্ত নোমল ভূঞা, হেম ভূঞা, চন্দ্ৰ বড়া কৃষ্ণৰাম বড়া পদ্ম বড়া আদিৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা হোৱা জৰাবাৰী প্ৰাথমিক শাখাৰ ৭৫ বছৰ উপলক্ষত মহাৰজত জয়ন্তীৰ আয়োজন কৰা হৈছে।

**অত্যাৱশ্যকীয় সামগ্ৰীৰ বজাৰ মূল্য পৰীক্ষণ, অস্বাভাৱিক মূল্যবৃদ্ধি নিয়ন্ত্ৰণ আৰু সামগ্ৰীৰ উপলদ্ধতা নিশ্চিতকৰণৰ উদ্দেশ্য**

## মঙলদৈ চহৰত জিলা পৰ্যায়ৰ টাস্ক ফৰ্চ’ৰ বিশেষ অভিযান

**অসম বাৰ্তা, মঙলদৈ, ২৮মে’ ঃ** জিলাখনৰ পাইকাৰী আৰু খুচুৰা বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য পৰ্যালোচনা কৰাৰ লগতে সামগ্ৰীৰ পৰ্যাপ্ত মজুত নিশ্চিত কৰাৰ উদ্দেশ্যে দৰং জিলাৰ জিলা পৰ্যায়ৰ টাস্ক ফ’ৰ্চে (DLTF) আজি মঙলদৈ চহৰত এক বজাৰ পৰিদৰ্শন আৰু মূল্য নিৰীক্ষণ অভিযান চলায়। এই অভিযানৰ সময়ছোৱাত দলটোৱে আলু-পিয়াজৰ দোকান, গাখীৰ বিক্ৰী কেন্দ্ৰ, ফল-মূল আৰু শাক-পাচলিৰ বজাৰ, মাছৰ বজাৰ, মাংসৰ দোকান আদি বিভিন্ন পাইকাৰী আৰু খুচুৰা ব্যৱসায়িক প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ উপলব্ধতা, মজুত পৰিস্থিতি আৰু বজাৰত প্ৰচলিত মূল্য পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে এই অভিযান ৰূপায়ণ কৰা হয়। অভিযানকাৰী দলটোত জিলা কৃষি বিষয়া, উদ্যান শস্য বিষয়া, মীন উন্নয়ন বিষয়া, উপ-বিভাগীয় পশু চিকিৎসা বিষয়া, যোগান বিভাগৰ উপ-সঞ্চালক (ভাৰপ্ৰাপ্ত), আৰক্ষী বিভাগৰ উপ-পৰিদৰ্শক আৰু দৰং জিলাৰ মূল্য নিৰীক্ষণ কোষৰ ডাটা এণ্ট্ৰী অপাৰেটৰ উপস্থিত থাকে। ইয়াৰ সমান্তৰালভাৱে আজি, মঙলদৈ ৰাজহ চক্ৰ পৰ্য্যায়ৰ টাস্ক ফ’ৰ্চৰ দ্বাৰাও এক যৌথ পৰিদৰ্শন আৰু পৰীক্ষণমূলক অভিযান চলোৱা হয়। পৰিদৰ্শনৰ সময়ত মূল্য তালিকা প্ৰদৰ্শন নকৰা ব্যৱসায়ীসকলক গ্ৰাহকৰ সুবিধাৰ্থে দোকানত মূল্য তালিকা স্পষ্টভাৱে মূল্য ফলক যোগে প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়া হয়। লগতে বিপনী সমূহত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য পৰীক্ষণ কৰি ব্যৱসায়ীসকলক সামগ্ৰী বিক্ৰীত স্বচ্ছতা বজাই ৰখা আৰু ন্যায্য বাণিজ্যিক প্ৰথা অনুসৰণ কৰাৰ নিৰ্দেশ প্ৰদান কৰা হয়। গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত ৰখা, অস্বাভাৱিক মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰা আৰু বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ নীৰৱচ্ছিন্ন উপলব্ধতা নিশ্চিত কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ তৰফৰ পৰা পৰৱৰ্তী সময়তো নিয়মীয়াভাৱে এনে অভিযান অব্যাহত থাকিব।

# মাজুলীত সংগীত নাটক একাডেমীৰ সৌজন্যত জেষ্ঠ শিল্পীৰ কলা সংগম অনুষ্ঠান সম্পন্ন

## উত্তৰ পূব ভাৰতৰ খ্যাতিমান শিল্পীৰ সমাগত এক নান্দনিক পৰিবেশৰ সূচনা

**অসম বাৰ্তা, মাজুলী, ২৮ মে' ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ নতুন দিল্লীৰ সংগীত নাটক একাডেমৰ সৌজন্যত উত্তৰ পূব সাংস্কৃতিক কেন্দ্ৰ আৰু গুৱাহাটীৰ সত্ৰীয়া কেন্দ্ৰৰ সহযোগত, মাজুলী জিলা প্ৰশাসন আৰু শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ আতিথ্যত উত্তৰ কমলাবাৰী ৰংগমঞ্চত যোৱা ২৩ আৰু ২৪ মে'ত সন্ধিয়া ৬ বজাৰ পৰা দুদিনীয়াকৈ উত্তৰ পূব ভাৰতৰ জেষ্ঠ শিল্পীৰ দ্বাৰা কৰা সংগম উৎসৱ সম্পন্ন হয়। প্ৰতিকুল বতৰৰ মুষলধাৰে অহা বৰষুণকো আওকাণ কৰি শ শ লোকে উপভোগ কৰে নৃত্য গীত বাদ্যৰ সুৰীয়া ঐতিহ্য বাহী সমলয়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তিপ্ৰজ্বলন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামী, পদ্মশ্ৰী গোপীৰাম বুঢ়াভকত, হেমচন্দ্ৰ গোস্বামী য়ে সহযোগিতা আগবঢ়াই সংগীত নাটক একাডেমী বঁটা প্ৰাপক যোগেন দত্ত বৰবায়ন, হৰিচৰণ ভূঞা বৰবায়ন, ভবেন বৰবায়ন, ড° কৰুণা বৰা, নতুন দিল্লীৰ সংগীত নাটক একাডেমীৰ বিষয়া সকলে। কলা সংগম অনুষ্ঠানৰ আদৰণি ভাষণেৰে শুভাৰম্ভ কৰে সংগীত নাটক একাডেমীৰ নতুন দিল্লীৰ সচিব ৰাজু দাসে। অনুষ্ঠানত শুভেচ্ছা মূলক বক্তব্য আগবঢ়ায় উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱ গোস্বামীয়ে। মাজুলী জিলা আয়ুক্ত সৃষ্টি সিঙে জিলা প্ৰশাসনৰ হৈ শুভেচ্ছা মূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী ভবেন বৰবায়ন নেতৃত্বত গায়ন-বায়ন পৰিবেশন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ জেষ্ঠ শিল্পী সকলে। মাজুলী সত্ৰ আৰু মাজুলীৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানৰ প্ৰতিনিধি য়ে সংগীত নাটক একাডেমীৰ সচিব ৰাজু দাসক সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পিছতে প্ৰেম ওজাৰ নেতৃত্বত বাহাৰ নৃত্য নতুন কমলাবাৰী সত্ৰৰ শিল্পী সকলে। অনুষ্ঠানৰ পিছতে নতুন দিল্লীৰ সংগীত নাটক একাডেমীৰ ডেপুটি চেক্ৰেটৈৰী সুমন কুমাৰক মাজুলীৰ সত্ৰ আৰু মাজুলীৰ বিভিন্ন স্থানৰ সাংস্কৃতিক অনুষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰে। শুভেচ্ছা মূলক বক্তব্যৰাখি বিষয়া গৰাকীয়ে মাজুলীলৈ আহি মাজুলীৰ আতিথ্যত ধন্য হোৱা বুলি সদৰি কৰে। প্ৰায় এঘণ্টা সময় দৰ্শক শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰাখে শাস্ত্ৰীয় বাদ্য ভায়লিন আৰু চেতাৰৰ যুগলবন্দীৰে। লুইত কোঁৱৰ ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিদুৎ মিশ্ৰ আৰু বৰ্ষিয়ান চেতাৰ বাদক হেমহাজৰিকাই। তবলা সংগত কৰে তবলা বিশাৰদ দিব্যজ্যোতি চাংমাইয়ে। ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠা কথক নৃত্যৰ বিশিষ্ট শিল্পী মৰমী মেধি আৰু তেওঁৰ শিষ্য অলি গুঞ্জন কলিতা মুদিয়াৰ কথক নৃত্যৰ ছন্দত মুখৰিত হ'ল উত্তৰ কমলাবাৰী সত্ৰৰ চৌহদ। নগালেণ্ডৰ পৰা অহা শিল্পীৰ দলটোৱে জনগোষ্ঠী টোৰ পৰম্পৰাগত লোকনৃত্য প্ৰদৰ্শন কৰে। মাজুলীৰ ৰাইজে পূৰ্বে নেদেখা লোকনৃত্যৰ ছন্দত মন্ত্ৰমুগ্ধ হৈ পৰে। মিচিং লাভ সংস্কৃতিৰ সাধক তথা অনাতাঁৰ শিল্পী অমিয় কুমাৰ চিৰাঙৰ পৰিচালনাৰে লোক সংগীতৰ অনুষ্ঠানটোৱে নতুন মাত্ৰা প্ৰদান কৰে। শেষৰ কাৰ্যসূচী সত্ৰীয়া ওজা পালি পৰিবেশন কৰে মুহীকান্ত বৰবায়ন আৰু সহযোগী সকলে। অনুষ্ঠানৰ মুখ্য ওজাৰ নেতৃত্ব আছিল আউনীআটী বিশ্ববিদ্যালয়ৰ অধ্যাপক মুহীকান্ত বৰবায়নে। দ্বিতীয় দিনাও বতৰৰ অনুকূল অৱস্থা নাছিল যদিও দৰ্শকেৰে ঠাহ খাই থকা ৰংগমঞ্চত আউনীআটী সত্ৰৰ ওজাপালিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। মুখ্য ওজাৰ নেতৃত্ব দিছিল আউনীআটী সত্ৰৰ পৰা প্ৰকাশ হোৱা আসাম বিলাসিনী কাকতৰ সম্পাদক শ্ৰী ধৰ ওজাৰ বহাৰ নৱ প্ৰজন্মৰ উত্তৰসুৰী বিজিত ওজাই। তদুপৰি ভোগপুৰ সত্ৰৰ নাড়ুভংগী, দক্ষিণ পাট সত্ৰৰ ইন্দ্ৰাভিষেক নৃত্যই সত্ৰীয়া সংস্কৃতিৰ ৰসাত্মক ছবি দাঙি ধৰে। ভাৰত নাট্যম নৃত্যৰ বিশিষ্ট শিল্পী শ্বিলঙৰ মনিকা চন্দ্ৰা আৰু লগৰীয়া সকলৰ ভাৰত নাট্যম নৃত্যই এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। দ্বিতীয় দিনা বিশিষ্ট অতিথি ৰূপে মাজুলীৰ জিলা আৰক্ষী অধীক্ষক উপস্থিত থাকি শুভেচ্ছা জ্ঞাপন কৰে। অৰুণাচলৰ কৃষি উৎসৱ আদি লোক নৃত্য 'নেৰ' আমিং মায়া পৰিবেশন কৰে অৰুণাচলৰ পৰা অহা পাছিঘাটৰ বৃহৎ লোক শিল্পীৰ দলটোৱে। অনুষ্ঠানত কুণ্ডিমামা সাংস্কৃতিক কেন্দ্ৰ শ্ৰীৰাম দেউৰীৰ শিল্পী সকলে জনগোষ্ঠীটোৰ দেউৰী বিহুপৰিবেশন কৰে দলপতি প্ৰবীণ দেউৰীৰ নেতৃত্বত। পৰম্পৰাগত মুখা শিল্পৰে বিশ্বত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা শ্ৰীশ্ৰী চামগুৰি সত্ৰৰ মুখা ভাওনাই এক মনোজ্ঞ পৰিবেশৰ সৃষ্টি কৰে। ভাওনাখন পৰিচালনা কৰে মুখাশিল্পীখগেন গোস্বামীয়ে। দুদিনীয়া কাৰ্যসূচীৰ শেষৰ কাৰ্যসূচী আছিল হুচৰি বিহু অনিৰুদ্ধ দেৱ কলাতীৰ্থ বুঢ়া শেনচোৱাৰ শিল্পী সকলে। অনুষ্ঠানৰ সমন্বয়ক ড° যাদৱ বৰাই অনুষ্ঠানটোৰ শিল্পী, কলাকুশলী, আয়োজক, বিশিষ্ট অতিথি আৰু অনুষ্ঠানত সহযোগিতা আগবঢ়াৱা দৰ্শকলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ায়। অনুষ্ঠানটোৰ আঁত ধৰে বিশিষ্ট কথা শিল্পী দীপক বৰুৱাই।

## পেট্ৰ'ল-ডিজেল, ঔষধ আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে গৰজি উঠিল যুৱ-ছাত্ৰ পৰিষদ

# মাকুমত এজেৱাইচিপিৰ বিক্ষোভ কাৰ্যসূচী

**অসম বাৰ্তা, মাকুম, ২৮ মে' ঃ** আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিক্ষোভ কাৰ্যসূচী। তাৰ সমান্তৰাল ভাৱে তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে মাকুম চহৰৰ ৩৭ নং আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাকুম আঞ্চলিক সমিতিৰ উদ্যোগত ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ সহযোগত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। পেট্ৰ'ল-ডিজেল, জীৱনদায়িনী ঔষধ আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰাৰ দাবীত উত্তাল হৈ পৰে মাকুম চহৰৰ আকাশ-বতাহ। প্ৰতিবাদকাৰীসকলে মাকুম চহৰৰ ৰাজপথত সমদল কৰি মূল্য বৃদ্ধিৰ তীব্ৰ প্ৰতিবাদ জনায়। চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি এজেৱাইচিপিৰ শতাধিক কৰ্মকৰ্তাই হাতে হাতে প্লেকাৰ্ড লৈ সাব্যস্ত কৰে এই প্ৰতিবাদ। চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গানেৰে সমগ্ৰ মাকুম অঞ্চল কঁপাই তোলে প্ৰতিবাদকাৰীসকলে। চৰকাৰৰ যোগান বিভাগ আৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হোৱা ব্যৱস্থাক কঠোৰ সমালোচনা কৰে সংগঠনটোৱে। প্ৰতিবাদস্থলিত উপস্থিত হৈ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাকুম আঞ্চলিক সমিতিৰ সভাপতি ৰঞ্জিত ডেকা, সম্পাদক জাণ্টু মৰাণ আৰু জাতীয় মহিলা পৰিষদ মাকুম আঞ্চলিক সমিতিৰ সভানেত্ৰী তৰালী মৰাণে সংবাদ মাধ্যমৰ আগত চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰি কয় যে "এইখন চৰকাৰে সাধাৰণ জনতাৰ কথা চিন্তা নকৰে। পেট্ৰ'ল-ডিজেলৰ পৰা আদি কৰি ঔষধ পৰ্যন্ত সকলোৰে দাম বৃদ্ধি পাইছে। যিখন চৰকাৰে জনসাধাৰণৰ কথা চিন্তা কৰি মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেনে চৰকাৰৰ কোনো কাম নাই। এই চৰকাৰে অনতিপলমে পদত্যাগ কৰিব লাগে।"




# সোণতলী-নগৰবেৰা সংযোগী গড়কাপ্তানী পথ বিধ্বস্ত

**অসম বাৰ্তা, সোণতলী, ২৮ মে' ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ অন্তৰ্গত সোণতলী-নগৰবেৰা সংযোগী পথটোৰ জৰাজীৰ্ণ অৱস্থাই অঞ্চলটোৰ সৰ্বস্তৰৰ লোকে যাতায়তৰ ক্ষেত্ৰত যমৰ-যাতনা ভোগ কৰিছে। দীৰ্ঘদিন ধৰি বিধ্বস্ত পথটোৰ ঠায়ে ঠায়ে দ' গাঁতৰ সৃষ্টি হোৱাৰ লগতে বোকা পানীৰে কদৰ্যময় হৈ পৰাৰ সমান্তৰালকৈ এজাক বৰষুণতে একাঠু পানী জমা হৈ যাতায়তৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে। যান-বাহন চলাচল কৰাতো দূৰৰে কথা সাধাৰণ পথচাৰী এজনো যাতায়ত কৰাটো দুৰ্বিষহ হৈ পৰিছে। তদুপৰি পথছোৱাৰ ঠায়ে ঠায়ে পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈ আধাতকৈ অধিক অংশ খহি যোৱাত যোগাযোগ বিচ্ছিন্ন হোৱাৰ উপক্ৰম হোৱাত ৰাইজে অধিক শংকিত হৈ পৰিছে। ব্যস্ত পথচোৱাৰে নিতৌ বিদ্যালয়, মহাবিদ্যালয়ৰ শ শ ছাত্ৰ-ছাত্ৰী, প্ৰসূতি, গৰ্ভৱতী মহিলাৰ লগতে সাধাৰণ ৰোগীৰ ক্ষেত্ৰত হ'বলগীয়া সমস্যাক লৈ স্থানীয় ৰাইজে অধিক যাতনাত পৰা পৰিলক্ষিত হৈছে। বৃহত্তৰ অঞ্চলটোৰ ৰাইজে বিধবস্ত পথছোৱা মেৰামতি তথা পুনঃনিৰ্মাণৰ বাবে বাৰম্বাৰ আবেদন-নিবেদন কৰাৰ পিছতো আজিকোপতি সংশ্লিষ্ট কোনো পক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। অঞ্চলটোৰ ৰাইজৰ যাতায়তৰ অতি গুৰুত্বপূৰ্ণ পথছোৱা শীঘ্ৰে মেৰামতি তথা পুণঃনিৰ্মাণৰ পদক্ষেপ হাতত লবলৈ স্থানীয় ৰাইজে চৰকাৰৰ লোক নিৰ্মাণ বিভাগ আৰু স্থানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদলৈ দাবী জনাইছে।

# লংকাৰ বহু কোটি টকাৰ উৰণীয়া সেঁতুত চিৰাল ফাঁট

**অসম বাৰ্তা, লংকা, ২৮ মে' ঃ** প্ৰায় আঠ বছৰৰ দীঘলীয়া অপেক্ষাৰ অন্তত, কেবা কোটি টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা লংকাৰ ২নং ৰে'লগেট উৰণীয়া সেঁতুখন যোৱা মাৰ্চ মাহত জনসাধাৰণৰ বাবে মুকলি কৰা হৈছিল, সেই সেতুখন উদ্বোধনৰ দুমাহ নৌ হওতেই এতিয়া বিপদসংকুল অৱস্থালৈ গতি কৰাত সমগ্ৰ অঞ্চলজুৰি তীব্ৰ উদ্বেগ আৰু ক্ষোভৰ সৃষ্টি হৈছে। সেঁতুৰ এটা অংশত চিৰাল ফাট ধৰা পৰা আৰু মাটি বহি যোৱাৰ ঘটনাই নিৰ্মাণকাৰ্যৰ গুণগত মান, তদাৰকী ব্যৱস্থাক লৈ বহু প্ৰশ্ন উত্থাপন কৰিছে। ঘটনাৰ পিছতে হোজাই জিলা প্ৰশাসনে জৰুৰী জাননী জাৰি কৰি অহা ২৭ আৰু ২৮ মে'ত সেতুখন সকলো যানবাহনৰ বাবে সম্পূৰ্ণ বন্ধ ঘোষণা কৰিছে। জাননী অনুসৰি, বিশেষজ্ঞৰ এটা দলে উৰণীয়া সেঁতু পৰিদৰ্শন আৰু কাৰিকৰী নিৰীক্ষণ চলাব। কিন্তু উদ্বোধনৰ ইমান কম সময়ৰ ভিতৰতে এখন নতুন উৰণীয়া সেতুৰ এই অৱস্থাই জনসাধাৰণক আতংকিত কৰি তুলিছে। উল্লেখযোগ্য যে, লংকাৰ বহু প্ৰতীক্ষিত এই উৰণীয়া সেতুখনৰ নিৰ্মাণকাৰ্য প্ৰায় ৮ বছৰ ধৰি চলি আছিল। দীৰ্ঘসূত্ৰিতা, কামৰ লেহেমীয়া গতি আৰু পুনঃপুন সময়সীমা বৃদ্ধি কৰাক লৈ আগতেই বহু বিতৰ্ক সৃষ্টি হৈছিল। অৱশেষত যোৱা বিধানসভা নিৰ্বাচনৰ পূৰ্বে দ্ৰুতগতিত মুকলি কৰা হৈছিল সেতুখন। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধনত উপস্থিত থাকিব বুলি ঘোষণা কৰা হৈছিল যদিও শেষত তেওঁৰ অনুপস্থিতিত মন্ত্ৰী পিযুঁজ হাজৰিকাই সেতুখন উদ্বোধন কৰে। কিন্তু উদ্বোধনৰ দুমাহ সম্পূৰ্ণ হোৱাৰ আগতেই সেতুৰ গাত ফাট মেলা আৰু মাটি বহি যোৱাৰ ঘটনাই নিম্নমানৰ কাম সম্পন্ন কৰা হৈছিল নেকি? এই প্ৰশ্ন এতিয়া সৰ্বসাধাৰণৰ মাজত তীব্ৰভাৱে উত্থাপিত হৈছে। এতিয়া প্ৰশ্ন উঠিছে কেবা কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা এখন নতুন উৰণীয়া সেতু যদি উদ্বোধনৰ কিছুদিনৰ ভিতৰতে ফাটিবলৈ আৰম্ভ কৰে, তেন্তে সাধাৰণ জনতাৰ জীৱনৰ সুৰক্ষাৰ কি হ'ব?

## বছৰ বছৰ ধৰি বিধ্বস্ত হৈ থকা কপহুৱা পথৰ পুনৰ নিৰ্মাণৰ দাবীত ৰাইজৰ অৱৰোধ

# নাজিৰাৰ কপহুৱাৰ ৰাজপথত বিক্ষোভ জনতাৰ

**অসম বাৰ্তা, নামতি, ২৮ মে' ঃ** নাজিৰাৰ এটা অতি ব্যয়স্থতাপূৰ্ণ পথ নাজিৰা নগৰৰ ঐতিহাসিক ধোদৰ আলি আৰু জয়সাগৰ - নাজিৰা সংযোগী ঐতিহাসিক বৰ আলিৰ লগত সংযুক্ত হৈ থকা বৰতল, কপহুৱা, লখিমী পুখুৰী, খটখটী, চলিহা বাৰেঘৰ সত্ৰ, মাদুৰি, আমকটীয়া, মেচাগড় আদিকে ধৰি ডেৰকুৰিৰোধিক গাঁৱৰ শ শ জনগণৰ যাতায়তৰ এই কপহুৱা পথ। চৰকাৰী বিয়াগোম লোক নিৰ্মাণ বিভাগৰ লগতে তেল আৰু প্ৰাকৃতিক গেছ নিগম ( অ' এন জি চি) অসম সম্পদ কৰ্তৃপক্ষৰ চূড়ান্ত গাফিলতিৰ বাবেই সম্প্ৰতি এই পথেদি যাতায়তৰ ক্ষেত্ৰত জনগণে যমৰ যাতনা ভুগিব লগা হৈছে। অ' এন জি চিৰ তেল খাদ থকাৰ বাবে নিতৌ নিগমৰ অতি গধুৰ গধুৰ যান - বাহন চলাচল কৰাৰ বাবে বছৰ বছৰ ধৰি মেৰামতি নকৰা এই পথটোত প্ৰান্তে প্ৰান্তে বৰ্তমান দ' দ' পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাত সাধাৰণ জনগণে চাইকেলেৰেও যাতায়ত কৰাত অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছে। জনগণে অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষৰ লগতে অ' এন জি চিৰ বিভাগীয় কৰ্তৃপক্ষক পথটো পুনৰ নিৰ্ধাৰণৰ বাবে বাৰম্বাৰ অনুৰোধ জনাই আবেদন - নিবেদন কৰাৰ পিছতো কোনো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। যাৰ বাবে আজি স্থানীয় পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰীৰ শ শ ৰাইজে ৰাজপথত নামি পথ অৱৰোধ কৰি অসম চৰকাৰৰ লগতে অ' এন জি চিৰ অসম সম্পদৰ বিৰুদ্ধে ক্ষোভৰ বহিঃপ্ৰকাশ ঘটায়। প্ৰতিবাদ স্থলীত নাজিৰা সমজিলাৰ সহকাৰী দণ্ডাধীশ তথা ৰাজহ চক্ৰ বিষয়া চন্দনা বৰুৱাৰ লগতে অ'এন জি চিৰ শীৰ্ষ বিষয়া উপস্থিত হৈ পথটো নিৰ্মাণ কৰাৰ ব্যৱস্থা হ'ব বুলি আশ্বাস দিয়াত সামৰিক ভাৱে পথ অৱৰোধ স্থগিত ৰাখে। ইয়াৰ পিছতো পথটো শীৰ্ঘ্ৰে পুনৰ নিৰ্মাণৰ ব্যৱস্থা নকৰিলে অনিৰ্দিষ্ট কাললৈ পথ বন্ধৰ দৰে চৰম প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি হুংকাৰ প্ৰদান কৰে প্ৰতিবাদকাৰী ৰাইজে।

# দুধনৈত ৭ জুনৰ পৰা চতুৰ্থ বাৰ্ষিক শ্বহীদ ট্ৰফী সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৮ মে' ঃ** ৰাভা হাছং ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সহযোগত অহা ৭ জুন, ২০২৬ ৰ পৰা অনুষ্ঠিত হ'ব চতুৰ্থ বাৰ্ষিক শ্বহীদ ট্ৰফী সোঁৱৰণী ফুটবল প্ৰতিযোগিতা। দুধনৈৰ উদয়পুৰ খেলপথাৰত আয়োজন কৰা এই বৃহৎ ফুটবল প্ৰতিযোগিতাখনত এইবাৰ পুৰুষ আৰু মহিলা দুয়োটা বিভাগৰে খেলসমূহ অনুষ্ঠিত হ'ব। খেল পৰিচালনা সমিতিৰ তৰফৰ পৰা জনোৱা অনুসৰি, এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক দলসমূহৰ বাবে যোগাযোগ কৰাৰ শেষ তাৰিখ অহা ২ জুন, ২০২৬ ধাৰ্য কৰা হৈছে। আয়োজক সমিতিয়ে প্ৰতিযোগিতা খনৰ বাবে আকৰ্ষণীয় নগদ ধনৰ পুৰস্কাৰ ঘোষণা কৰিছে। পুৰুষ বিভাগৰ চেম্পিয়ন দলে লাভ কৰিব নগদ ৫০, ০০০ টকা আৰু ৰানাৰ্ছআপ দলে লাভ কৰিব ৪০, ০০০ টকা। একেদৰে, মহিলা বিভাগৰ চেম্পিয়ন দলক ৩০, ০০০ টকা আৰু ৰানাৰ্ছআপ দলক ২০, ০০০ টকা প্ৰদান কৰা হ'ব। দলগত ট্ৰফীৰ উপৰিও খেলুৱৈসকলৰ উৎসাহ বঢ়াবলৈ দুয়োটা বিভাগৰে শ্ৰেষ্ঠ খেলুৱৈ (Best Player), সৰ্বাধিক গ'লদাতা (Highest Scorer) আৰু শ্ৰেষ্ঠ গ'লৰক্ষকক (Best Goalkeeper) ৩, ০০০ টকাকৈ পুৰস্কাৰ আগবঢ়োৱা হ'ব। ক্ৰীড়াপ্ৰেমী ৰাইজৰ বিপুল উপস্থিতি আৰু সহযোগিতাৰে প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তুলিবলৈ খেল পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।

# চছলপাৰাত বায়খো উৎসৱৰ প্ৰস্তুতি

**অসম বাৰ্তা, মিৰ্জা, ২৮ মে' ঃ** বৰদুৱাৰ-ভোলাগাঁও আঞ্চলিক বায়খো উৎসৱ উদ্‌যাপন সমিতি, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, আঞ্চলিক ৰাভা মহিলা পৰিষদ আৰু আঞ্চলিক ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত অহা ১৬ জেঠ (৩১ মে', ২০২৬) তাৰিখে অনুষ্ঠিত হ'ব লগীয়া একাদশ বাৰ্ষিক বায়খো উৎসৱ উদযাপনৰ ব্যাপক প্ৰস্তুতি। দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই উৎসৱলৈ অঞ্চলজুৰি উৎসাহ-উদ্দীপনা দেখা গৈছে। উৎসৱৰ কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত ARSU, ARWC আৰু SSDC-ৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ হ'ব। পুৱা ৯ বজাত শ্বহীদ তৰ্পণ আৰু পুৱা ৯: ৩০ বজাত বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে পুৱা ১০ বজাত বায়খো মহাপূজাৰ আয়োজন কৰা হ'ব। পুৱা ১১ বজাত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হ'ব আৰু পুৱা ১১: ৩০ বজাত স্মৃতি গ্ৰন্থ "বায়খো" উন্মোচন কৰা হ'ব। দুপৰীয়া ১ বজাত সাংস্কৃতিক অনুষ্ঠান, ২ বজাত বায়খো সেৱা গ্ৰহণ আৰু ২: ৩০ বজাত খাজি (ভোগ) বিতৰণ অনুষ্ঠিত হ'ব। আনহাতে আবেলি ৩ বজাত খেল-ধেমালি প্ৰতিযোগিতা আৰু ৫ বজাত পূজাৰীসকলৰ কিল্লা ভঙা আৰু বাৰন্নাকায় নৃত্য অনুষ্ঠিত হ'ব। দিনজোৰা কাৰ্যসূচীৰ সামৰণি পৰিব সন্ধিয়া ৭ বজাত হুঁদুৰা গুলীয়া পৰিবেশনেৰে। উদ্‌যাপন সমিতিয়ে সকলো ৰাইজক অনুষ্ঠানত উপস্থিত থাকি সফল কৰাৰ বাবে আন্তৰিক আহ্বান জনাইছে।

## বিলৰ প্ৰতিলিপিত অগ্নিসংযোগ কৰি ক্ষোভ প্ৰকাশ

# গোসাঁইগাঁৱত UCC বিলৰ বিৰোধিতাৰে আমছুৰ প্ৰতিবাদ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৮ মে' ঃ** অসম বিধানসভাত উত্থাপিত ইউনিফৰ্ম চিভিল কোড (UCC) বিলৰ বিৰোধিতাৰে পশ্চিম কোকৰাঝাৰ জিলা আমছুৱে আজি গোসাঁইগাঁৱত প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ সদস্যসকলে বিলখনৰ প্ৰতিলিপিত অগ্নিসংযোগ কৰি নিজৰ ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদস্থলীত সংগঠনটোৰ নেতৃবৃন্দই অভিযোগ কৰে যে, উক্ত বিলখন সকলো ধৰ্ম আৰু জনগোষ্ঠীৰ বাবে সমানভাৱে প্ৰযোজ্য নহয়। কিছুমান বিশেষ জাতি-জনগোষ্ঠীক এই আইনৰ আওতাৰ বাহিৰত ৰখা হৈছে বুলি দাবী কৰি তেওঁলোকে কয় যে, "এইখন প্ৰকৃত ইউনিফৰ্ম চিভিল কোড নহয়, বৰঞ্চ এক Selective Uniform Code।" আমছুৰ মতে, বিলখনৰ একাধিক দফাই ইছলাম ধৰ্মালম্বী লোকসকলৰ ধৰ্মীয় অধিকাৰ আৰু ব্যক্তিগত আইনৰ ওপৰত হস্তক্ষেপ কৰিছে। ইয়াৰ ফলত ভাৰতীয় সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰ খৰ্ব হোৱাৰ আশংকা দেখা দিছে বুলিও মন্তব্য কৰে প্ৰতিবাদকাৰীসকলে। ইয়াৰ লগতে সংগঠনটোৱে অভিযোগ তোলে যে, কোৰবাণীৰ সময় আহিলেই জিলা প্ৰশাসন অধিক সক্ৰিয় হৈ উঠে, কিন্তু গোটেই বছৰজুৰি "Cattle Preservation Act" কঠোৰভাৱে প্ৰয়োগ কৰা নহয়। আইন যদি কাৰ্যকৰী কৰা হয়, তেন্তে সেয়া গোটেই বছৰ সমানভাৱে প্ৰয়োগ হ'ব লাগে বুলি দাবী জনায় সংগঠনটোৱে। শেষত সংগঠনটোৱে ইছলাম ধৰ্মালম্বী লোকসকলক শান্তি-শৃংখলা বজাই ৰাখি প্ৰশাসনৰ নিয়ম-নীতি মানি চলিবলৈ আহ্বান জনায়।

# কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীৰ প্ৰতিকৃতি দাহ গোলাঘাট আছুৰ




## পেট্ৰ'ল, ডিজেলৰ মূল্য নিয়ন্ত্ৰণত ব্যৰ্থ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ ঃ কেন্দ্ৰীয় উপ-সভাপতি অভিৱৰ্তন গোস্বামী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৮ মে' ঃ** পেট্ৰ'ল-ডিজেলৰ অভাৱনীয় মূল্যবৃদ্ধিত অতিষ্ঠ হৈ আজি ৰাজপথত নামিল সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰিৰ প্ৰতিকৃতি দাহ কৰি গোলাঘাট নগৰৰ বেজবৰুৱা চাৰিআলিত প্ৰতিবাদ সাব্যস্ত কৰে ছাত্ৰ কৰ্মী সকলে। অত্যাৱশ্যকীয় নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ লগতে পেট্ৰ'ল-ডিজেলৰ মূল্য নিয়ন্ত্ৰণত সম্পূৰ্ণ ৰূপে ব্যৰ্থ নৰেন্দ্ৰ মোদী নেতৃত্বাধিন এন ডি এৰ চৰকাৰ। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিবৰ্তন গোস্বামী, সাংগঠনিক সম্পাদক প্ৰিন্স দলে, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, উপদেষ্টা শান্তনু দত্তৰ উপস্থিতিত শতাধিক ছাত্ৰ কৰ্মীয়ে এই প্ৰতিবাদ সাব্যস্ত কৰে। এক প্ৰেছ বিবৃতিৰ জৰিয়তে এই কথা জানিবলৈ দিয়ে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ আৰু সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই।

## জনশুনানী আৰু স্বাস্থ্য শিবিৰৰ জৰিয়তে প্ৰায় ৪ হাজাৰ লোক লাভান্বিত

# কামৰূপ জিলাত জন ভাগিদাৰী অভিযানৰ অধীনত ব্যাপক জনসঁহাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ মে' ঃ** জনজাতীয় গৰিমা উৎসৱ ২০২৬ৰ অংশ হিচাপে কামৰূপ জিলাত ৰূপায়ণ কৰা "জন ভাগিদাৰী অভিযান"ৰ অধীনত অনুষ্ঠিত জনশুনানী, স্বাস্থ্য শিবিৰ আৰু জনসচেতনতামূলক কাৰ্যসূচীত জিলাখনৰ বিভিন্ন দূৰৱৰ্তী আৰু গ্ৰাম্য অঞ্চলত ব্যাপক জনসঁহাৰি পৰিলক্ষিত হয়। ১৮ মে'ৰ পৰা ২৫ মে'লৈ জিলাখনৰ চাৰিওটা উন্নয়ন খণ্ডত অনুষ্ঠিত এই অভিযানৰ অধীনত ৩৪টা 'আদিসেৱা কেন্দ্ৰ'ৰ জৰিয়তে মুঠ ৬৪খন গাঁও সামৰি মহিলা, যুৱক-যুৱতী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ব্যক্তি প্ৰায় ৪ হাজাৰ লোকে অংশগ্ৰহণ কৰে। অভিযানৰ জৰিয়তে বিভিন্ন বিভাগ, ফ্ৰণ্টলাইন কৰ্মী, স্থানীয় প্ৰতিষ্ঠান, আত্মসহায়ক গোট আৰু সমাজৰ নেতৃত্ববৰ্গৰ সমন্বয়ত চৰকাৰী সেৱাসমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱা হয়। জনসাধাৰণে বিষয়াবৰ্গৰ সৈতে পোনপটীয়াকৈ মতবিনিময় কৰি কল্যাণমূলক আঁচনি, খোৱাপানীৰ যোগান, পথ-যোগাযোগ ব্যৱস্থা, আধাৰ সেৱা, ৰেচন কাৰ্ড, স্বাস্থ্যসেৱা আৰু জীৱিকাৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰু দাবী উত্থাপন কৰে। অভিযানৰ সময়ছোৱাত ৩, ৯০০ ৰো অধিক অভিযোগ আৰু জনসাধাৰণৰ সমস্যা নথিভুক্ত কৰা হয়। ইয়াৰে বহুতো সমস্যা তাৎক্ষণিকভাৱে সমাধান কৰা হয় আৰু অৱশিষ্ট বিষয়সমূহ সংশ্লিষ্ট বিভাগসমূহে পৰৱৰ্তী পদক্ষেপ গ্ৰহণৰ বাবে লোৱা হৈছে। জনশুনানীৰ সমান্তৰালভাৱে অনুষ্ঠিত স্বাস্থ্য শিবিৰসমূহত চিকিৎসা পৰামৰ্শ, স্বাস্থ্য সচেতনতা আৰু চৰকাৰী স্বাস্থ্য আঁচনি সম্পৰ্কীয় তথ্য প্ৰদান কৰা হয়। ইয়াৰ ফলত দূৰৱৰ্তী অঞ্চলসমূহত স্বাস্থ্যসেৱাৰ প্ৰসাৰ অধিক শক্তিশালী হৈ উঠে।

# গুৱাহাটীত 'নদী আৰু নাৰী'ৰ চতুৰ্থ ৰাষ্ট্ৰীয় কবিতা মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৮ মে' ঃ** জাৰ্মানীৰ কহিনুৰ ৱৰ্ল্ড বুক অফ ৰেকৰ্ডছৰ স্বীকৃতিপ্ৰাপ্ত জনপ্ৰিয় কাব্যিক বৌদ্ধিক তথা মানৱ দৰদী অনুষ্ঠান 'নদী আৰু নাৰী' ( River and women)ৰ উদ্যোগত অহা ৩১ মে' তাৰিখ দেওবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত প্ৰেক্ষাগৃহত 'নদী আৰু নাৰী চতুৰ্থ ৰাষ্ট্ৰীয় কবিতা মহোৎসৱ' অনুষ্ঠিত হ'ব। এই উপলক্ষে আয়োজনৰ প্ৰস্তুতি এতিয়া তুংগত চলিছে। নদী আৰু নাৰীৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী ৰুনাল্ডো টাইদ আৰু কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক মধুমিতা শৰ্মাই জনোৱা মতে, দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমৰ প্ৰতিষ্ঠিত আৰু নৱীন কবি-সাহিত্যিকসকলে এই মহোৎসৱত অংশ গ্ৰহণ কৰিব। প্ৰতিষ্ঠাপক ৰোনাল্ডো টাইদে কয় যে নদীৰ দৰে বৈ যোৱা জীৱন আৰু নাৰীৰ দৰে সহনশীল প্ৰাণৰ উদ্‌যাপনেই এই অনুষ্ঠানৰ মূল উদ্দেশ্য। দিনজোৰা কাৰ্যসূচীত থাকিব কবিতা পাঠ, কবি সন্মিলন, আলোচনা চক্ৰ আৰু বঁটা প্ৰদান অনুষ্ঠান। পুৱা ৯ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই মহোৎসৱত মুখ্য উপদেষ্টা উৎপল দলেকে প্ৰমুখ্যে কৰি কেন্দ্ৰীয় তথা জিলা বিষয়ববীয়া আৰু কাৰ্যকৰ্তা সকল উপস্থিত থাকিব। লগতে উপদেষ্টা মণ্ডলী, ড° বলেন্দ্ৰ কুমাৰ দাস, শিশু সাহিত্যিক হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিও, প্ৰতিষ্ঠিত কবি নীলিম কুমাৰ, বিশিষ্ট আলোচক বিপুল শৰ্মা, বিশিষ্ট শিক্ষাবিদ ড° বিকাশ বৰুৱা, ড° যতীন নাথ, ড° বিজুলী বৰচেতিয়া, জয়শ্ৰী শইকীয়া, মানসিক সিনহা, চামিম চফিকা বেগম, প্ৰমুখ্যে অসমৰ আগশাৰীৰ সাহিত্যিক-বুদ্ধিজীৱীসকলো উপস্থিত থাকিব। অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে বিভিন্ন উপ-সমিতি গঠন কৰা হৈছে। কবিতা অনুৰাগী ৰাইজৰ উপস্থিতি আয়োজক সমিতিয়ে আন্তৰিকতাৰে কামনা কৰাৰ লগতে উল্লিখিত মোবাইল নম্বৰ 99573 33653 আৰু 86385 29207 ত যোগাযোগ কৰিব পাৰিব।

## কাছাৰীপেটী আঞ্চলিক ঈদগাহ ময়দানত ঈদ-উজ-জোহা পালন

**অসম বাৰ্তা, অভয়াপুৰী, ২৮ মে’ ঃ** সমগ্ৰ বিশ্বৰ লগতে বঙাইগাঁও জিলাৰ কাছাৰীপেটীতো আজি পবিত্ৰ ঈদ-উজ-জোহা পালন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোৰবাণী প্ৰতি আহ্বান জনোৱা সন্দৰ্ভত সহাৰী জনাইছে মুছলমান সমাজে। সমগ্ৰ বিশ্বৰ লগতে অসম তথা বঙাইগাঁৱতো আজি ধৰ্মীয় উৎসাহ উদ্দীপনাৰে পৱিত্ৰ ঈদ-উজ-জোহা পালন কৰা হয়। প্ৰতিকূল বতৰকো নেওচি পুৱাৰে পৰা কাছাৰীপেটী আঞ্চলিক ঈদগাহত মুছলমান ধৰ্মাৱলম্বী লোকসকলে সমবেত হৈ ঈদৰ নামাজ আদায় কৰে। কাছাৰীপেটী আঞ্চলিক ঈদগাহত অনুষ্ঠিত সমূহীয়া নামাজত বহু সংখ্যক ৰাইজে অংশগ্ৰহণ কৰি দেশ তথা ৰাজ্যৰ শান্তি, সম্প্ৰীতি আৰু উন্নতিৰ বাবে দোৱা কৰে। ইফালে, কোৰবাণীক লৈ অসমৰ মুখ্যমন্ত্ৰীয়ে জনোৱা আহ্বানক বঙাইগাঁওবাসীয়ে সঁহাৰি জনোৱা বুলি স্থানীয় ৰাইজে মন্তব্য প্ৰকাশ কৰে। শান্তিপূৰ্ণ আৰু সম্প্ৰীতিৰ পৰিৱেশ বজাই ৰাখি ঈদ উদ্‌যাপনৰ ক্ষেত্ৰত সকলো ধৰ্মৰ লোকৰ মাজত এক সুন্দৰ সম্প্ৰীতিৰ ছবি পৰিলক্ষিত হয়। ঈদ উপলক্ষে অভয়াপুৰীৰ বিভিন্ন প্ৰান্তত আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয় আৰু কণকণ শিশুৰ পৰা বয়োজ্যেষ্ঠলৈকে সকলোৱে উৎসৱৰ আনন্দত অংশগ্ৰহণ কৰে।

## বামুণটাৰীৰ পৰা বালিকুৰিলৈ পকী পথ নিৰ্মাণত ব্যাপক হেমাহি

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৮ মে’ ঃ** বৰপেটা জিলাৰ বামুণটাৰীৰ পৰা বালিকুৰিলৈ সংযোগ স্থাপন কৰা গুৰুত্বপূৰ্ণ পকী পথটোৰ নিৰ্মাণ কাৰ্যত ব্যাপক হেমাহী চলাৰ অভিযোগ উত্থাপিত হৈছে। ২০২৪ চনত মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত আৰম্ভ হোৱা এই পথ নিৰ্মাণ কাৰ্য দুবছৰ অতিক্ৰম কৰাৰ পিছতো এতিয়াও সম্পূৰ্ণ নোহোৱাত অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, পথ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ পিছত কিছু অংশত কাম আগবঢ়োৱা হৈছিল যদিও পৰৱৰ্তী সময়ত কামৰ গতি প্ৰায় স্তব্ধ হৈ পৰে। ফলত বৰষুণৰ সময়ত পথটো কদৰ্য আৰু দুৰ্ভোগপূৰ্ণ হৈ পৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু দৈনন্দিন যাতায়াত কৰা সাধাৰণ লোকসকলে যথেষ্ট সমস্যাৰ সন্মুখীন হ’বলগীয়া হৈছে। ৰাইজে অভিযোগ কৰে যে, লোক নিৰ্মাণ বিভাগ আৰু সংশ্লিষ্ট ঠিকাদাৰে দায়িত্বহীনভাৱে কাম চলোৱাৰ ফলতেই পথটো আজিও আধৰুৱা অৱস্থাত পৰি আছে। বহু সময়ত বিষয়টো উৰ্ধ্বতন কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰা সত্ত্বেও কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় বাসিন্দাসকলে। ইফালে, ক্ষুব্ধ ৰাইজে শীঘ্ৰে পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ দাবী জনাইছে। অন্যথা বৃহত্তৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিছে অঞ্চলবাসীয়ে। উল্লেখযোগ্য যে, এই পথটো সম্পূৰ্ণ হ’লে অঞ্চলটোৰ যাতায়াত ব্যৱস্থাৰ যথেষ্ট উন্নতি হোৱাৰ লগতে বহু গাঁৱৰ লোকসকল উপকৃত হ’ব বুলি আশা কৰা হৈছিল। কিন্তু নিৰ্মাণ কাৰ্যৰ গাফিলতিৰ ফলত সেই আশা এতিয়াও পূৰণ নহ’ল।

## খৈৰাবাৰীৰ অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন্দ্ৰ দত্তৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, খৈৰাবাৰী, ২৮ মে’ ঃ** ওদালগুৰি জিলাৰ ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিৰ খৈৰাবাৰীৰ নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজ সংগঠক, সমাজ সেৱক বীৰেন্দ্ৰ দত্তৰ যোৱা কালি মৃত্যু হয়। মৃত্যুৰ আগ মুহূৰ্তলৈকে তেখেতে সমাজৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। বীৰেন্দ্ৰ দত্ত সমাজৰ এজন পথ পদৰ্শক আৰু কৰ্মপতু নিষ্ঠাবান ব্যক্তি আছিল। ৭০ বছৰ বয়সত নিজা বাসগৃহত আকস্মিক ভাৱে যোৱা নিশা হঠাৎ তেখেত স্বৰ্গগামী হয়। তেখেতৰ মৃত্যুৰ খবৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে বিভিন্ন জাতি, ধৰ্মৰ তেখেতৰ গুণমুগ্ধই ভিৰ কৰেহি। অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন্দ্ৰ দত্তৰ নিজা বাসগৃহত এক শোকাকুল পৰিৱেশৰ মাজেৰে তেখেতক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুত ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক মহেশ্বৰ বড়ো, বীৰেন্দ্ৰ দত্তৰ কৰ্মৰত বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী বৃন্দ, খৈৰাবাৰী জেষ্ঠ্য নাগৰিক, খৈৰাবাৰী প্ৰেছ ক্লাব, খৈৰাবাৰী আদৰ্শ জাতীয় বিদ্যালয়, খৈৰাবাৰী চ’ক ব্যৱসায়ী সন্থা, খৈৰাবাৰী সমবায় সমিতিৰ উপৰিও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লোকে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। বীৰেন্দ্ৰ দত্তই মৃত্যুৰ সময়ত পত্নী, তিনিগৰাকী জীয়ৰী জোৱাই লগতে আত্মীয় স্বজনক এৰি বৈকুণ্ঠগামী হয়।

**ছিকিম বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত ৰাষ্ট্ৰপতিৰ হাতৰ পৰা গ্ৰহণ সোণৰ পদক**

## লখিমপুৰৰ জীয়ৰী প্ৰীতি শ্বাহৰ সাফল্য

**অসম বাৰ্তা, লীলাবাৰী, ২৮ মে’ ঃ** দৰিদ্ৰতা যে মেধা আৰু সফলতাৰ হেঙাৰ হ’ব নোৱাৰে তাকেই পুনৰবাৰ প্ৰমাণ কৰি দেখুৱালে লখিমপুৰৰ জীয়ৰী প্ৰীতি শ্বাহে। লখিমপুৰ চহৰৰ এগৰাকী পদপথৰ ব্যৱসায়ী ৰমানন্দ শ্বাহ আৰু মিনা দেৱীৰ সুযোগ্য কন্যা প্ৰীতি শ্বাহে ছিকিম বিশ্ববিদ্যালয়ৰ পৰা হিন্দী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগতে লাভ কৰিছে সন্মানীয় সোণৰ পদক। এই বিৰল সাফল্যৰ দ্বাৰা প্ৰীতিয়ে সমগ্ৰ অসমৰ লগতে লখিমপুৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ছিকিম বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতৰ মহামহিম ৰাষ্ট্ৰপতি মহোদয়া। ৰাষ্ট্ৰপতি মহোদয়াই সমাৰোহত উপস্থিত হৈ নিজ হাতেৰে লখিমপুৰৰ জীয়ৰী প্ৰীতিক ডিঙিত মেডেল পিন্ধাই আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰি বিশেষভাৱে সন্মানিত কৰে। এগৰাকী পদপথৰ ব্যৱসায়ীৰ কন্যাই ৰাষ্ট্ৰপতিৰ হাতৰ পৰা এনেদৰে সন্মান বুটলি ল’বলৈ সক্ষম হোৱা কাৰ্যই বৰ্তমান সমগ্ৰ লখিমপুৰতে এক আনন্দঘন আৰু আৱেগিক পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে, প্ৰীতি শ্বাহৰ এই যাত্ৰা সহজ নাছিল যদিও তেওঁৰ লক্ষ্য আছিল স্থিৰ। লখিমপুৰ চহৰৰে ‘সৰ্বেশ্বৰ বৰুৱা হিন্দী স্কুল’ৰ পৰা প্ৰাথমিক পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০১৬ চনত উত্তীৰ্ণ হৈ প্ৰীতিয়ে পৰৱৰ্তী সময়ত ‘লখিমপুৰ বালিকা মহাবিদ্যালয়’ৰ পৰা ২০১৮ চনত উচ্চতৰ মাধ্যমিক আৰু ২০২১ স্নাতক ডিগ্ৰী সফলতাৰে লাভ কৰিছিল। ইয়াৰ পাছত তেওঁ ২০২৩ বৰ্ষত ছিকিম বিশ্ববিদ্যালয়ৰ পৰা হিন্দী বিষয়ত সৰ্বোচ্চ নম্বৰ লৈ প্ৰথম বিভাগৰ প্ৰথম স্থান দখল কৰি সোণৰ পদক লাভ কৰে। ২০২৫ চনত নেট পৰীক্ষাত সফলতা অৰ্জন কৰে। বৰ্তমান তেওঁ উচ্চ শিক্ষাৰ বাবে মিজোৰাম বিশ্ববিদ্যালয়ত হিন্দী বিষয়তে পিএইচডি (Ph.D) গৱেষণা চলাই আছে। প্ৰীতি শ্বাহৰ এই অসাধাৰণ সফলতাই প্ৰমাণ কৰিলে যে অদম্য ইচ্ছা শক্তি আৰু কঠোৰ অধ্যৱসায় থাকিলে যিকোনো প্ৰত্যাহ্বান নেওচি সফলতাৰ শিখৰত আৰোহণ কৰিব পৰা যায়। ছাত্ৰীগৰাকীৰ এই সফলতাত লখিমপুৰ বিধায়ক মানৱ ডেকা, আছু’ৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সীমান্ত নেওঁগ, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সচিব তথা জেষ্ঠ সাংবাদিক ৰাজু সিংহ, সদৌ অসম নিবনুৱা সন্থাৰ সাধাৰণ সম্পাদক জীৱন ৰাজখোৱা, লখিমপুৰ আছু’ৰ সভাপতি ক্ষীৰোদ দুৱৰা, সম্পাদক পুনম জ্যোতি বুঢ়াগোহাঁই, আক্ৰাছুৰ সাধাৰণ সম্পাদক দীপক বৰা, কেএমএমএছ’ৰ কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্ত, হিন্দু যুৱ পৰিষদৰ সাধাৰণ সম্পাদক সম্ভু সিংহই প্ৰীতি শ্বাহক অভিনন্দন জনোৱাৰ লগতে লখিমপুৰ জিলা পদ-পথৰ ব্যৱসায়ী সন্থা ‘সত্য সেৱা সমিতি’ৰ সম্পাদক দীপাঞ্জল সোণোৱালে শুভেচ্ছা জনাই তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

## শান্তি, ত্যাগ আৰু সম্প্ৰীতিৰ অপূৰ্ব বাৰ্তাৰে বৰপেটাত পালন পবিত্ৰ ঈদ-উল-আযহা

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৮ মে’ ঃ** ত্যাগ, আত্মসমৰ্পণ, সহানুভূতি আৰু মানৱতাৰ মহান শিক্ষাৰে ভৰপূৰ পবিত্ৰ ঈদ-উল-আযহা আজি বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত গভীৰ ধৰ্মীয় ভাবগাম্ভীৰ্য, উৎসাহ-উদ্দীপনা আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ পৰিৱেশত শান্তিপূৰ্ণভাৱে পালন কৰা হয়। গোটেই বিশ্বৰ মুছলমান সমাজৰ সৈতে সংগতি ৰাখি উদ্‌যাপিত এই পবিত্ৰ উৎসৱে জিলাখনৰ সামাজিক জীৱনত পুনৰ এবাৰ ঐক্য, সৌহাৰ্দ্য আৰু ভ্ৰাতৃত্ববোধৰ এক সুন্দৰ নিদৰ্শন প্ৰতিফলিত কৰে। পুৱাৰ প্ৰথম প্ৰহৰৰ পৰাই জিলাখনৰ বিভিন্ন ঈদগাহ আৰু মছজিদত ধৰ্মপ্ৰাণ মুছল্লীসকলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। পবিত্ৰ ঈদৰ নামাজ আদায় কৰাৰ পিছত বিশ্ব শান্তি, দেশৰ উন্নতি, অসমৰ স্থায়ী সম্প্ৰীতি আৰু সমগ্ৰ মানৱজাতিৰ কল্যাণ কামনা কৰি বিশেষ দোৱা-মোনাজাত অনুষ্ঠিত হয়। ঈদগাহসমূহত ভক্তিময় পৰিৱেশে সকলোৰে মনত এক আধ্যাত্মিক অনুভূতি সৃষ্টি কৰে। বিশেষকৈ হাউলী থানাৰ অন্তৰ্গত কুমুল্লী পাৰা, খন্দকাৰ পাৰা, ঢাকালীয়া পাৰা, যশিহাটী পাৰা, হাতিজান, মুন্সীপাৰা, গলিয়া, বাণিয়াৰা পাৰা, কাচুকাটি আদি ভিতৰুৱা অঞ্চলসমূহত ঈদৰ আনন্দ ব্যাপকভাৱে ঘৰে-ঘৰে বিৰাজ কৰা পৰিলক্ষিত হয়। কোৰবাণীৰ তাৎপৰ্যক কেন্দ্ৰ কৰি সমাজৰ প্ৰতিজন লোকৰ মাজত সহমৰ্মিতা, পাৰস্পৰিক সহযোগিতা আৰু আনন্দৰ ভাগ-বতৰা কৰাৰ মানসিকতা স্পষ্টভাৱে প্ৰকাশ পায়। ইফালে, হিন্দু-মুছলমানসহ বিভিন্ন সম্প্ৰদায়ৰ লোক একেলগে বসবাস কৰা অঞ্চলসমূহতো জিলা প্ৰশাসনৰ নিৰ্দেশনা আৰু চৰকাৰী SOP অনুসৰি শান্তিপূৰ্ণভাৱে ঈদ পালন কৰা হয়। বহু ঠাইত বিভিন্ন ধৰ্মাৱলম্বী লোকসকলে পৰস্পৰক ঈদৰ শুভেচ্ছা জনোৱাৰ লগতে মিঠাই, ফলমূল আৰু বিভিন্ন খাদ্যসামগ্ৰী ভাগ-বতৰা কৰি সম্প্ৰীতি আৰু সৌহাৰ্দ্যৰ এক অনন্য দৃষ্টান্ত দাঙি ধৰে। এইবাৰৰ ঈদে পুনৰ এবাৰ এই সত্য স্পষ্ট কৰি তুলিছে যে- ধৰ্মৰ প্ৰকৃত শিক্ষা হৈছে শান্তি, সহনশীলতা আৰু মানৱতা। সমাজত সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ বজাই ৰাখিবলৈ সকলো ধৰ্মৰ লোকৰ মাজত পাৰস্পৰিক সন্মান আৰু সহাবস্থান অতি প্ৰয়োজনীয়। বৰপেটাৰ মাটিত যুগ যুগ ধৰি গঢ় লৈ উঠা হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ ঐতিহ্যই এই উৎসৱৰ মাজেৰে পুনৰ এবাৰ অধিক শক্তিশালী ৰূপ লাভ কৰে। সচেতন মহলৰ মতে, বৰ্তমান সময়ত যেতিয়া পৃথিৱীৰ বিভিন্ন প্ৰান্তত অসহিষ্ণুতা আৰু বিভাজনৰ পৰিৱেশ বৃদ্ধি পাইছে, তেতিয়া বৰপেটাত ঈদক কেন্দ্ৰ কৰি দেখা পোৱা সামাজিক ঐক্য আৰু আন্তঃসম্প্ৰদায়িক সম্প্ৰীতি সমাজলৈ এক ইতিবাচক আৰু আশাব্যঞ্জক বাৰ্তা কঢ়িয়াই আনে। উৎসৱৰ প্ৰকৃত সৌন্দৰ্য কেৱল আনন্দ উদযাপনতেই সীমাবদ্ধ নহয়; ই মানুহৰ মাজত মৰম, সহানুভূতি আৰু হৃদয়ৰ বন্ধন অধিক দৃঢ় কৰাৰ এক মহৎ মাধ্যম। সামগ্ৰিকভাৱে, এইবাৰৰ পবিত্ৰ ঈদ-উল-আযহাই বৰপেটা জিলাত শান্তি, সম্প্ৰীতি, সহাবস্থান আৰু মানৱতাৰ এক উজ্জ্বল নিদৰ্শন স্থাপন কৰি সমাজলৈ সৌহাৰ্দ্য আৰু ঐক্যৰ এক অনুপম বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে।

## বেঁকী নদীৰ সংগমস্থল পানীমাৰিচাত অবৈধ মৎস্য চিকাৰৰ বিৰুদ্ধে অভিযান

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৮ মে’ ঃ** বৰপেটা জিলাৰ বেঁকী নদীৰ সংগমস্থল তথা প্ৰাকৃতিক মাছৰ অন্যতম প্ৰজননস্থলী পানীমাৰিচাত পুনৰ অবৈধ মৎস্য চিকাৰৰ বিৰুদ্ধে কঠোৰ অভিযান চলাই জিলা মীন বিভাগে উল্লেখযোগ্য সফলতা লাভ কৰিছে। অভিযানকালত বিভিন্ন ধৰণৰ নিষিদ্ধ মাছ ধৰা জাল জব্দ কৰাৰ লগতে নিয়ম উলংঘা কৰা ব্যক্তিসকলৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হয়। জিলা মীন বিভাগৰ সূত্ৰ অনুসৰি, মাছৰ প্ৰজনন ঋতুত অবৈধভাৱে জাল ব্যৱহাৰ কৰি মাছ ধৰা কাৰ্য্য বৃদ্ধি পোৱাৰ অভিযোগৰ ভিত্তিত এই বিশেষ অভিযান চলোৱা হয়। অভিযানত বিভাগীয় বিষয়াসকলৰ সৈতে স্থানীয় প্ৰশাসনো সহযোগিতা আগবঢ়ায়। বিশেষকৈ, পানীমাৰিচা অঞ্চলটো বহু মূল্যৱান স্থানীয় মাছৰ প্ৰাকৃতিক প্ৰজননস্থলী হিচাপে পৰিচিত। এনে সংবেদনশীল অঞ্চলত নিষিদ্ধ জাল ব্যৱহাৰ কৰি মাছ ধৰা কাৰ্য্যই জলজ জীৱবৈচিত্ৰ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলোৱাৰ আশংকা প্ৰকাশ কৰিছে সচেতন মহলে। ইফালে, অবৈধ মৎস্য চিকাৰৰ বিৰুদ্ধে জিলা মীন বিভাগে গ্ৰহণ কৰা কঠোৰ পদক্ষেপক স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে এনে অভিযান নিয়মিতভাৱে চলাই যোৱাৰ দাবী জনাইছে। ৰাইজৰ মতে, নদী আৰু জলজ সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত এই ধৰণৰ অভিযান অত্যন্ত প্ৰয়োজনীয় আৰু সময়োপযোগী।

## ডুমডুমাৰ দৈমুখীয়া চাহ বাগিচাত বিনামূলীয়া দন্ত চিকিৎসা আৰু সজাগতা শিবিৰ সম্পন্ন

**৭১ গৰাকী লোক উপকৃত**

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ২৮ মে’ ঃ** ভাৰতীয় দন্ত চিকিৎসক সন্থা (IDA)ৰ তিনিচুকীয়া শাখাৰ উদ্যোগত আৰু দৈমুখীয়া (ৰ’জবেৰী) চাহ বাগিচা কৰ্তৃপক্ষৰ সহযোগত যোৱা ২৭ মে’ত বাগিচাখনৰ চিকিৎসালয় প্ৰাংগণত এটি বিনামূলীয়া দন্ত চিকিৎসা আৰু সজাগতা শিবিৰ সফলতাৰে সম্পন্ন হয়। সাধাৰণতে চাহ বাগিচা অঞ্চলৰ শ্ৰমিকসকলৰ মাজত দন্ত স্বাস্থ্যক লৈ সজাগতাৰ অভাৱ দেখা যায় বাবে এই অনগ্ৰসৰতা দূৰ কৰাৰ লক্ষ্যৰেই চিকিৎসক সন্থাই ধাৰাবাহিকভাৱে এনেধৰণৰ বিনামূলীয়া শিবিৰ অনুষ্ঠিত কৰি আহিছে। এই বিশেষ চিকিৎসা শিবিৰত অভিজ্ঞ দন্ত চিকিৎসক ডাঃ নিকিতা শইকীয়া, ডাঃ মালবিকা বেজ শৰ্মা, ডাঃ স্মিতা জৈন, ডাঃ পায়েল ঘোষ আৰু ডাঃ গায়ত্ৰী গুপ্তাই অংশগ্ৰহণ কৰি বাগিচাখনৰ মুঠ ৭১ গৰাকী দাঁতৰ সমস্যাত ভোগা ব্যক্তিক বিনামূলীয়া চিকিৎসা তথা প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰে। চিকিৎসা শিবিৰৰ সমান্তৰালভাৱে মুখগহ্বৰৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এখন সজাগতা সভাও অনুষ্ঠিত কৰা হয়। এই সভাত দন্ত চিকিৎসক ডাঃ নিকিতা শইকীয়াই উপস্থিত শ্ৰমিক আৰু ৰাইজক উদ্দেশ্যে বক্তব্য আগবঢ়ায়। তেওঁ দাঁতৰ নিয়মীয়া যত্নৰ আৱশ্যকতা, মুখৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ভয়াৱহ মুখৰ কৰ্কট (কেঞ্চাৰ) ৰোগৰ পৰা হাত সাৰি চলিবলৈ ল’বলগীয়া সাৱধানতাসমূহৰ বিষয়ে বহলাই আলোচনা কৰি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। সমগ্ৰ কাৰ্যসূচীটো সূচাৰুৰূপে পৰিচালনা কৰাত দৈমুখীয়া চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক বৈকুণ্ঠ শইকীয়াই বিশেষ তৎপৰতা আৰু পূৰ্ণ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত বাগিচাখনৰ কল্যাণ বিষয়াৰ লগতে চিকিৎসা বিভাগৰ কৰ্মচাৰীবৃন্দও উপস্থিত থাকি বিশেষভাৱে সহযোগ কৰে। কৰ্তৃপক্ষ আৰু চিকিৎসক সংস্থাৰ এই যুটীয়া মানৱীয় প্ৰচেষ্টাক বাগিচাবাসী শ্ৰমিক ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## হাউলীৰ কালঝাৰত বৃহৎ পৰিমাণৰ ড্ৰাগছ আৰু ইয়াবা টেবলেট জব্দ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৮ মে’ ঃ** বৰপেটা জিলাৰ হাউলী আৰক্ষীয়ে আজি এক গুৰুত্বপূৰ্ণ অভিযান চলাই কালঝাৰ অঞ্চলৰ পৰা বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ আৰু ইয়াবা টেবলেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ বৰ্তমান বজাৰ মূল্য প্ৰায় আঢ়ৈ কোটি টকা হ’ব বুলি আৰক্ষীয়ে অনুমান কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, গোপন খবৰৰ ভিত্তিত চলোৱা এই বিশেষ অভিযানত এখন বাহনত তালাচী চলাই সন্দেহজনক সামগ্ৰী উদ্ধাৰ কৰা হয়। অভিযান চলাকালীন সময়তে ঘটনাস্থলীৰ পৰা এজন লোকক আটক কৰা হয়। ধৃত লোকজন গোৱালপাৰা জিলাৰ আক্কাছ আলী বুলি চিনাক্ত কৰা হৈছে। জব্দ কৰা সামগ্ৰীৰ ভিতৰত বৃহৎ পৰিমাণৰ ইয়াবা টেবলেট আৰু সন্দেহযুক্ত ড্ৰাগছ সামগ্ৰী অন্তৰ্ভুক্ত আছে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে আৰু ইয়াৰ সৈতে জড়িত বৃহৎ আন্তঃজিলা মাদক চক্ৰ সক্ৰিয় হৈ থকাৰ সন্দেহ প্ৰকাশ কৰিছে। আৰক্ষীয়ে জনোৱা মতে, ধৃত ব্যক্তিজনক অধিক তথ্যৰ বাবে সোধ-পোছ অব্যাহত ৰখা হৈছে। লগতে এই অবৈধ মাদক সৰবৰাহৰ সৈতে জড়িত আন লোকসকলকো চিনাক্ত কৰাৰ প্ৰচেষ্টা চলাই থকা হৈছে। উল্লেখযোগ্য যে, ৰাজ্যজুৰি ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ হৈ থকাৰ সময়তে হাউলীত সংঘটিত এই বৃহৎ জব্দকৰণে অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## মন্দিয়াত মানৱতাৰ নিদৰ্শন; মছজিদত নতুন পানীৰ মটৰ দান আৰক্ষী বিষয়াৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৮ মে’ ঃ** বৰপেটা জিলাৰ মন্দিয়া আৰক্ষী চকীৰ অন্তৰ্গত এখন মছজিদৰ পানী যোগান ব্যৱস্থাৰ বাবে ব্যৱহৃত পানীৰ মটৰ কিছুদিন পূৰ্বে দুষ্কৃতিকাৰীয়ে চুৰি কৰি নিয়ে। ঘটনাটোৰ পিছত মছজিদখনত নিয়মীয়া কাৰ্যসূচী চলোৱাত অসুবিধাৰ সৃষ্টি হোৱাত স্থানীয় ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি হয়। ঘটনাৰ পিছতে মন্দিয়া আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছিল যদিও চোৰৰ কোনো নিশ্চিত সন্ধান উলিয়াব পৰা নাছিল। এনে পৰিস্থিতিত মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মাইনা দাসে এক মানৱীয় পদক্ষেপ গ্ৰহণ কৰি যোৱা ২৭ মে’ত নিজৰ ব্যক্তিগত টকাৰে এটি নতুন পানীৰ মটৰ কিনি মছজিদ কৰ্তৃপক্ষৰ হাতত দান দিয়ে। আৰক্ষী বিষয়াগৰাকীৰ এই মহানুভৱতাপূৰ্ণ পদক্ষেপে স্থানীয় ৰাইজৰ মাজত ব্যাপক প্ৰশংসা লাভ কৰিছে। বহুতে কয় যে, আৰক্ষীৰ দায়িত্ব কেৱল আইন-শৃংখলা ৰক্ষা কৰাতে সীমাবদ্ধ নহয়, সমাজৰ প্ৰতি সহমৰ্মিতা আৰু মানৱীয় মূল্যবোধৰ পৰিচয় দিয়াটোও সমান গুৰুত্বপূৰ্ণ। ইফালে, মাইনা দাসৰ এই পদক্ষেপক বহুতে “মানৱতাৰ উজ্জ্বল নিদৰ্শন” বুলি অভিহিত কৰিছে।

## কাকপথাৰৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপিন বুঢ়াগোহাঁইৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, ছৈখোৱা, ২৮ মে’ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপিন বুঢ়াগোহাঁইৰ আজি পুৱা আকস্মিকভাৱে অসুস্থ হৈ পৰলোকপ্ৰাপ্তি ঘটে। ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা প্ৰয়াত বুঢ়াগোহাঁই ১৯৫৩ চনত যোৰহাট বামুণপুখুৰী গোহাঁই গাঁৱত জন্ম গ্ৰহণ জাঁজি মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰে। ১৯৭৮ চনত ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰতিষ্ঠাপক শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি ১৯৯২ চনত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। ২০১৩ চনত বুঢ়াগোহাঁইয়ে অৱসৰ গ্ৰহণ কৰে। তেখেতৰ মৃত্যু বৃহত্তৰ কাকপথাৰ অঞ্চলৰ শৈক্ষিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি হিচাপে চিহ্নিত হৈছে আৰু সমগ্ৰ অঞ্চলটোতে শোকে বিৰাজ কৰিছে। অৱসৰপ্ৰাপ্ত শিক্ষক গৰাকীৰ মৃত্যুৰ পিছতে তেখেতৰ নশ্চৰ দেহ একালৰ কৰ্মস্থলী ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ লৈ যোৱা হয় আৰু শিক্ষক তথা ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী সকলে শেষ শ্ৰদ্ধাঞ্জলি জনায়। তেখেতৰ মৃত্যুত কাকপথাৰ অঞ্চলৰ সমূহ বিদ্যালয়, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে গভীৰ সমবেদনা জ্ঞাপন কৰে।

## শিক্ষানুষ্ঠানত উপস্থিত নথকাকৈয়ে শিক্ষা সেতু এপত উপস্থিত; শিক্ষয়ত্ৰীৰ কৰ্মকাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ২৮ মে’ ঃ** ডিব্ৰুগড় জিলাৰ উপকণ্ঠ অঞ্চলৰ জকাইস্থিত ১০ নং বৰবিল প্ৰাথমিক বিদ্যালয়ক কেন্দ্ৰ কৰি এক চাঞ্চল্যকৰ ঘটনা পোহৰলৈ আহিছে। বিদ্যালয়ত সোঁ-শৰীৰে উপস্থিত নাথাকিও ‘শিক্ষা সেতু’ এপত উপস্থিতি দেখুওৱাৰ অভিযোগ উত্থাপিত হৈছে শিক্ষয়িত্ৰী নয়নমণি চেতিয়াৰ বিৰুদ্ধে। ঘটনাটোৱে ইতিমধ্যে ডিব্ৰুগড়ৰ সচেতন মহল আৰু অভিভাৱক সমাজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বৰবৰুৱা শিক্ষা খণ্ডৰ শিক্ষা বিষয়া কাৰ্যালয়ৰ পৰা যোৱা ২৬ মে’ তাৰিখে শিক্ষয়িত্ৰী নয়নমণি চেতিয়াক জৰুৰীভাৱে ১০ নং বৰবিল প্ৰাথমিক বিদ্যালয়ত যোগদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। কিন্তু অভিযোগ অনুসৰি, শিক্ষয়িত্ৰীগৰাকী বিদ্যালয়ত উপস্থিত নাথাকিও কাৰিকৰী সুবিধা গ্ৰহণ কৰি ‘শিক্ষা সেতু’ এপত উপস্থিতি দাখিল কৰে। ইফালে বিদ্যালয়খনৰ প্ৰধান শিক্ষক অনিল কুমাৰ সোণোৱালে সংবাদ মাধ্যমৰ আগত স্পষ্টভাৱে জনায় যে, ২৬ মে’ তাৰিখে নয়নমণি চেতিয়া বিদ্যালয়খনলৈ অহা নাছিল। উল্লেখযোগ্য যে, ১৯২৯ চনত প্ৰতিষ্ঠা লাভ কৰা ঐতিহ্যমণ্ডিত ১০ নং বৰবিল প্ৰাথমিক বিদ্যালয়খনত উপযুক্ত শিক্ষকৰ অভাৱত বিগত প্ৰায় পাঁচ মাহ ধৰি কেৱল এজন শিক্ষকেই পাঠদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতৰ কথা চিন্তা কৰি আৰু স্থানীয় ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ডিব্ৰুগড়ৰ স্কুল সমূহৰ শিক্ষা বিভাগে প্ৰায় তিনিমাহ পূৰ্বেই নয়নমণি চেতিয়াক উক্ত বিদ্যালয়ত যোগদান কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু অভিযোগ অনুসৰি তেওঁ সেই নিৰ্দেশিত যোগদান কৰা নাছিল। পুনৰ যোৱা ২৫ মে’ তাৰিখে ডিব্ৰুগড় শিক্ষা বিভাগে জৰুৰী নিৰ্দেশ জাৰি কৰি শিক্ষয়িত্ৰী গৰাকীক বিদ্যালয়খনত যোগদান কৰিবলৈ কোৱা হৈছিল যদিও, বিদ্যালয়ত উপস্থিত নথকাকৈ এপ’ত উপস্থিতি দেখুওৱাৰ অভিযোগে শিক্ষা বিভাগৰ কাৰ্যপদ্ধতি আৰু দায়িত্ববোধক লৈও বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। ঘটনাটো পোহৰলৈ অহাৰ পিছত ডিব্ৰুগড়ৰ সভ্য সমাজত ব্যাপক আলোচনা আৰম্ভ হৈছে। এতিয়া শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে ডিব্ৰুগড় জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ে কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ’ব বুলি সচেতন মহলে দাবী কৰিছে।

## অৱহেলিত অৱস্থাত দেৰগাঁও ৰাজহুৱা অন্ত্যেষ্টিক্ৰিয়া স্থল

**নাই কোনো তত্ত্বাৱধায়ক, ক্ষোভ স্থানীয় ৰাইজৰ**

**অসম বাৰ্তা, দেৰগাঁও, ২৮ মে’ ঃ** দেৰগাঁও নিউ ফিল্ডৰ সমীপত অৱস্থিত পুৰণি ৰাজহুৱা অন্তোষ্টি ক্ৰিয়া স্থলখন বৰ্তমান অৱহেলিত অৱস্থাত পৰিণত হৈছে। ১৯৭৩ চনত মাৰোৱাৰী যুৱ মঞ্চ, দেৰগাঁও শাখাৰ দ্বাৰা নিৰ্মিত আৰু সংৰক্ষিত এই পবিত্ৰ অন্তোষ্টি ক্ৰিয়া স্থানখনে বৰ্তমান নিজৰ প্ৰয়োজনীয়তা আৰু পৰিচ্ছন্নতা হেৰুৱাবলৈ ধৰিছে। এগৰাকী উপযুক্ত তত্ত্বাৱধায়কৰ অভাৱত অন্তোষ্টি ক্ৰিয়া স্থলখন এতিয়া এক পৰিত্যক্ত অৱস্থাত থকা বুলি ভুক্তভোগীসকলে জানিবলৈ দিছে। মৃতদেহ সংকাৰ কৰিবলৈ অহা বিভিন্ন ব্যক্তি তথা ভুক্তভোগী পৰিয়ালৰ লোকসকলে অতি দুখেৰে জনোৱা অনুসৰি, এই স্থানত অন্তোষ্টি ক্ৰিয়া সম্পন্ন কৰাৰ পিছত কোনো চাফ-চিকুণৰ ব্যৱস্থা নাই। সংকাৰ কাৰ্যত ব্যৱহৃত আধাপুৰা খৰি আৰু অন্যান্য সামগ্ৰী য’তে-ত’তে সিঁচৰতি হৈ থকাৰ ফলত এক অতি অস্বাস্থ্যকৰ আৰু দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হয়। পবিত্ৰ অন্তোষ্টি ক্ৰিয়া সম্পন্ন কৰিবলৈ অহা শোকাতুৰ লোকসকলে এই পৰিৱেশ দেখি চৰম মানসিক যন্ত্ৰণা অনুভৱ কৰিবলগীয়া হয়। কোনো স্থায়ী তত্ত্বাবধায়ক এগৰাকী নথকাৰ বাবেই এই জৰাজীৰ্ণ অৱস্থাৰ সৃষ্টি হৈছে বুলি স্থানীয় সচেতন মহলে অভিযোগ উত্থাপন কৰে। ইফালে, নিৰাপত্তাৰ চূড়ান্ত অভাৱত অন্তোষ্টি ক্ৰিয়া স্থলখন এতিয়া দুৰ্বৃত্তৰ বাবে এক সুৰক্ষিত স্থান হৈ পৰিছে। স্থানখনত স্থাপন কৰা অত্যাৱশ্যকীয় পানীৰ মটৰ, ফেন আৰু অন্যান্য সা-সম্পত্তি নিশাৰ সুযোগ লৈ চোৰে সঘনাই চুৰি কৰি নিছে। দেৰগাঁও নিউ ফিল্ডৰ দৰে স্থানৰ সমীপত থকা এই ৰাজহুৱা অন্তোষ্টি ক্ৰিয়া স্থলখনক এনেদৰে অৱহেলিত কৰি ৰখাটো অতি পৰিতাপৰ বিষয়। অৱস্থাৰ গুৰুত্ব বুজি অতি শীঘ্ৰে মাৰোৱাৰী যুৱ মঞ্চ, দেৰগাঁও শাখা আৰু স্থানীয় প্ৰশাসনে এখন শক্তিশালী পৰিচালনা সমিতি গঠন কৰাৰ লগতে এজন স্থায়ী তত্ত্বাবধায়ক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে, অন্তোষ্টি ক্ৰিয়া স্থানখনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চকীদাৰ নিয়োগৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে পুনৰবাৰ দাবী জনাইছে। অন্যথা, অনাগত দিনত এই অন্তোষ্টি ক্ৰিয়া স্থানখনে সম্পূৰ্ণৰূপে নিজৰ অস্তিত্ব হেৰুৱাই পেলাব বুলি সচেতন ৰাইজে আশংকা প্ৰকাশ কৰিছে।

## মাকুম মছজিদ সমিতিৰ উদ্যোগত পৱিত্ৰ ঈদ-উল-আজহা পালন

**অসম বাৰ্তা, মাকুম, ২৮ মে’ ঃ** আজি পৱিত্ৰ ঈদ-উল-আজহা, সম্প্ৰীতিৰ বাৰ্তাৰে ঈদ উদ্‌যাপন ইছলাম ধৰ্মাৱলম্বী ৰাইজৰ। সমগ্ৰ বিশ্বৰ লগতে অসমটো ধৰ্মীয় ভক্তি, উৎসাহ আৰু সম্প্ৰীতিৰ মাজেৰে উদ্‌যাপন ঈদ-উল-আজহা। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ বাবেই অন্যতম এক পৱিত্ৰ আৰু গুৰুত্বপূৰ্ণ উৎসৱ। এই উৎসৱৰ বিশেষ তাৎপৰ্য হৈছে কুৰবাণী বা ত্যাগৰ পৰম্পৰা। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ত্যাগৰ বাণীৰে, সম্প্ৰীতিৰ বাৰ্তাৰে মাকুম মছজিদ সমিতিৰ উদ্যোগত মাকুম মছজিদত পৱিত্ৰ ঈদ-উল-আজহা উদযাপন কৰা হয়। ঈদ উপলক্ষে পুৱাই মুছলমান ৰাইজে নতুন তথা পৰিষ্কাৰ সাজ-পোছাক পৰিধান কৰি সমবেত হোৱাৰ লগতে সমূহীয়া নামাজ আদায় কৰি দেশ তথা সমগ্ৰ বিশ্বৰ শান্তি, সম্প্ৰীতি আৰু মানৱতাৰ কল্যাণ কামনাৰ অৰ্থে দোৱা কৰে। লগতে ইজনে সিজনক ঈদৰ শুভেচ্ছা জ্ঞাপন কৰি ভাতৃত্ববোধ, সৌহাৰ্দ্য আৰু সম্প্ৰীতিৰ বাৰ্তা প্ৰেৰণ কৰে। উল্লেখযোগ্য যে চৰকাৰৰ নিৰ্দেশনা অনুসৰি এইবাৰৰ পৱিত্ৰ ঈদত বিশেষ প্ৰাণীবিধ কুৰবাণীৰ পৰা বিৰত থাকে আৰু সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ মাজেৰে উৎসৱ উদ্‌যাপন কৰা হয়। তদুপৰি দুখীয়া ৰাইজক খাদ্য সামগ্ৰী বিতৰণ কৰা হয় বুলি মাকুম মছজিদ কমিটিৰ সভাপতি ৰীয়াজ আহমেদে সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰে। সভাপতি গৰাকীয়ে কয় যে সামাজিক সম্প্ৰীতি অটুট ৰখা আৰু আইন-শৃংখলা বজাই ৰখাৰ স্বাৰ্থতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

বিজেপি আৰু বিপিএফৰ চৰকাৰৰ আমোলাত অসুৰক্ষিত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ

# টংলা প্ৰেছ ক্লাবৰ নাম ফলক উঠাই মাটি কাটিলে দুৰ্বৃত্তই

**ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ২৮ মে’ ঃ** তৃতীয়বাৰৰ বাবে ৰাজ্যত বিজেপিৰ চৰকাৰ আৰু চতুৰ্থ বাৰৰ বাবে বি টি চি ত বিপিএফৰ চৰকাৰ সফলতাৰে চলিব আৰম্ভ হোৱাৰ সময়তে ওদালগুৰি জিলাৰ অন্যতম নগৰ টংলাৰ বুকুত প্ৰতিষ্ঠিত অসুৰক্ষিত হৈছে গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ। প্ৰায় দুই দশক ধৰি ওদালগুৰি জিলাৰ উত্তৰে ভুটান সীমান্তলৈকে গণতন্ত্ৰৰ মৰ্য্যদা ৰক্ষা কৰি সৰ্বসাধৰণৰ ৰাইজ আৰু চৰকাৰৰ মাজত সদায় দামল সদৃশ ভাবে সকলো ধৰণৰ বা বাতৰি প্ৰিণ্ট মিডিয়া আৰু ইলেকট্ৰনিক মিডিয়াৰ জৰিয়তে টংলা প্ৰেছ ক্লাবৰ সদস্যসকলে পৰিৱেশন কৰি আহিছে যদিও প্ৰেছ ক্লাবৰ নিজা স্থায়ী কাৰ্যালয় এটা নথকাৰ বাবে দীৰ্ঘদিন ধৰি ভাৰা ঘৰত থাকি বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। অৱশেষত প্ৰেছ ক্লাবে স্থায়ী ভাবে কাৰ্যালয় এটা নিৰ্মাণ কৰিবলৈ হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু লোক নিৰ্মাণ বিভাগৰ টংলা উপ সংমণ্ডল কাৰ্যালয়ৰ পিছফালৰ এটা যাবৰ যুথৰ পেলোৱা পৰিত্যক্ত দ’ গাতত মাটি পুতি টংলা প্ৰেছ ক্লাবৰ নাম লিখা ফলক লগাই দিয়াৰ পিছত বৰ্তমানলৈ নিশাৰ ভাগত দুখন নাম ফলক দুৰ্বৃত্তই উঠাই পেলাই দিয়ে। তাৰ পিছত প্ৰেছ ক্লাবৰ সদস্য সকলে পুনৰ এখন নাম ফলক লগাই দিয়ে যদিও যোৱা নিশা দুৰ্বৃত্তই নাম ফলকখন ফালি চিঙি পেলাই আৰু প্ৰেছক্লাবে পোতা মাটি সকলোৰে অজ্ঞাতে দুৰ্বৃত্তই খান্দি পেলাই। আজি এই ক্ষেত্ৰত টংলাস্থিত হৰিশিঙা ৰাজহ চক্ৰৰ টংলা নগৰৰ লাট মণ্ডল গৰাকীক প্ৰেছ ক্লাবৰ মাটি কাটিবলৈ কোনোবাই অনুমতি লৈছিল নেকি বুলি সোধাত অজ্ঞাত প্ৰকাশ কৰে। আনহাতে টংলা পৌৰ সভাৰ সহকাৰী অভিযন্তা গৰাকীক প্ৰেছক্লাবৰ মাটি কটা সম্পৰ্কত সোধাত অজ্ঞাত বুলি জানিব দিয়ে। আনহাতে লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা গৰাকীক মাটি কটা সম্পৰ্কত সোধাত তেওঁ অজ্ঞাত প্ৰকাশ কৰে। প্ৰশাসনৰ গুৰুত্বপূৰ্ণ বিভাগ তিনিটাৰ অজ্ঞাতে কোনে কাৰ সাহসত টংলা প্ৰেছক্লাবৰ নাম ফলক উঠাই মাটি কাটিব সাহস পালে সেয়া ঘন ৰহস্যৰ আৱৰ্তত। খিলঞ্জীয়াৰ মাটি ভেঁটি সুৰক্ষিত কৰাৰ শ্লোগান দিয়া বিজেপি দলৰ নেতৃত্বত এন ডি এৰ কেন্দ্ৰ চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বিটিচিত থকা ত্ৰিপ’ল ইঞ্জিনৰ চৰকাৰৰ দিনত টংলা নগৰৰ দৰে গুৰুত্বপূৰ্ণ অঞ্চল এটাত অৱস্থিত টংলা প্ৰেছ ক্লাবৰ দখলত থকা মাটিত দুৰ্বৃত্তই চলোৱা এনে ঘৃণনীয় কাৰ্য্যক টংলা প্ৰেছ ক্লাবে গৰিহণা দিয়াৰ লগতে উচিত বিচাৰ কৰিবলৈ জিলা প্ৰশাসনক দাবী জনাইছোঁ। ইতিমধ্যে টংলাত নিজকে শক্তিশালী কিং মেকাৰ বুলি ভবা এজন চয়ম্ভু ঠিকাদাৰৰূপী এটা বিশেষ ৰাজনৈতিক দলৰ নেতাই ক্ষমতাৰ অপপ্ৰয়োগ কৰি টংলা প্ৰেছক্লাবৰ নামত দখল কৰা মাটিখিনি বিতৰ্কৰ দিশে নি বিবদমান মাটি কৰিবলৈ ষড়যন্ত্ৰ ৰচা বিষয়টো প্ৰেছক্লাবৰ দৃষ্টিগোচৰ হৈছে আৰু সময়ত এই ক্ষেত্ৰত ৰাজহুৱা ভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰেছ ক্লাবে ৰাইজৰ ওচৰত পৰৱৰ্তী সময়ত আবেদন জনাবলৈ প্ৰস্তুতি চলাইছে। গণতন্ত্ৰৰ চতুৰ্থস্তম্ভৰ সৈতে সংপৃক্ত টংলা প্ৰেছক্লাবৰ ওপৰত কৰা এনে ঘৃণনীয় কাৰ্য্যৰ ক্ষেত্ৰত বিভিন্ন দল, সংগঠনৰ লগতে ৰাইজে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হব লক্ষণীয় বিষয়।

চাংলাং জিলাৰ দুৰ্গম বিজয়নগৰৰ অৰণ্যত আৱিষ্কাৰ ভেকচিনিয়াম পিলিফেৰাম

# ১৮৮ বছৰৰ পিছত অৰুণাচলত পুনৰ আৱিষ্কাৰ ব্লুবেৰীৰ বিৰল আৰু বিপন্ন প্ৰজাতিৰ উদ্ভিদ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডুমডুমা, ২৮ মে’ ঃ** উদ্ভিদবিজ্ঞানৰ আন এক উল্লেখযোগ্য সংযোজন। প্ৰায় দুটা শতিকাৰ পিছত পূব হিমালয়ত পুনৰ আৱিষ্কাৰ হৈছে আন এক বিৰল আৰু বিলুপ্তপ্ৰায় উদ্ভিদৰ প্ৰজাতি। অৰুণাচলৰ চাংলাং জিলাৰ ভাৰত-চীন সীমান্তৱৰ্তী দুৰ্গম বিজয়নগৰৰ অৰণ্যত প্ৰায় ১৮৮ বছৰৰ পিছত ‘ভেকচিনিয়াম পিলিফেৰাম’ (Vaccinium piliferum) নামৰ ব্লুবেৰীৰ এক বিৰল আৰু বিপন্ন প্ৰজাতিৰ উদ্ভিদ পুনৰ আৱিষ্কাৰ কৰিছে। ছ’চাইটি ফৰ এডুকেচন এণ্ড এনভাইৰনমেণ্টেল ডেভেলপমেণ্ট, চি এছ আই আৰ-নৰ্থ ইষ্ট ইনষ্টিটিউট অৱ চাইন্স এণ্ড টেকন’লজি আৰু ইয়াৰ সহযোগী প্ৰতিষ্ঠানসমূহৰ গৱেষকসকলে চাংলাং জিলাৰ বিজয়নগৰত চলোৱা এক ক্ষেত্ৰভিত্তিক জৰীপৰ সময়ত এই প্ৰজাতিটো উদ্ধাৰ কৰে। আন্তঃৰাষ্ট্ৰীয় আলোচনী ফেডেছ ৰেপাৰ্টৰিয়াম (Feddes Repertorium)ত প্ৰকাশ পাইছে এই তথ্য। গৱেষকসকলৰ মতে, ১৮৩৬ চনৰ নৱেম্বৰ মাহত ব্ৰিটিছ উদ্ভিদবিদ উইলিয়াম গ্ৰীফিথে বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ মিচিমি পাহাৰৰ পৰা প্ৰথমবাৰৰ বাবে এই উদ্ভিদ সংগ্ৰহ কৰিছিল। ইয়াৰ পিছত ১৮৫০ চনত মেঘালয়ৰ খাছি পাহাৰৰ পৰা বিখ্যাত উদ্ভিদবিদ জোচেফ ডেল্টন হুকাৰ আৰু থমাছ থমছনে দ্বিতীয়বাৰলৈ ইয়াৰ অৱস্থিতি ধৰা পেলাইছিল। তেতিয়াৰ পৰাই এই প্ৰজাতিটো প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি লিপিবদ্ধ নোহোৱাকৈয়ে আছিল। নতুনকৈ আৱিষ্কাৰ হোৱা এই বিৰল প্ৰজাতিৰ উদ্ভিদবিধৰ অৱস্থিতি বিজয়নগৰৰ সমীপৰ নদিহিং নদীৰ উপনৈসমূহৰ কাষত ১১৫০ৰ পৰা ১২৮০ মিটাৰ উচ্চতাত পোৱা গৈছিল। বিজ্ঞানীসকলে প্ৰায় ২ বৰ্গ কিলোমিটাৰ এলেকাত এই প্ৰজাতিৰ মাত্ৰ ১৬বিধ উদ্ভিদ নথিভুক্ত কৰিছিল। ইয়াৰ বেছিভাগেই বহু দূৰৈত বৃদ্ধি পোৱাটোৱে অঞ্চলটোত ভংগুৰ আৰু সিঁচৰতি হৈ থকা জনসংখ্যাৰ ইংগিত বহন কৰিছে। ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতি সংৰক্ষণ সংঘই (IUCN) “বিপন্ন” হিচাপে শ্ৰেণীভুক্ত কৰা এই উদ্ভিদ তথা প্ৰজাতিবিধক গৱেষকসকলে ভৱিষ্যতে নিৰীক্ষণ আৰু সংৰক্ষণৰ সহায়ক হোৱাকৈ উদ্ভিদসমূহৰ জিপিএছ স্থানাংকও নথিভুক্ত কৰিছে। ব্লুবেৰী আৰু ক্ৰেনবেৰীক অন্তৰ্ভুক্ত কৰা এৰিকাচিয়া (Ericaceae) গোত্ৰৰ অন্তৰ্গত এই ভেকচিনিয়াম পিলিফেৰাম হৈছে ৪.৫ মিটাৰ ওখ হ’ব পৰা এটা বগাই যোৱা জোপোহা গছ, যিয়ে প্ৰায়ে বনাঞ্চলৰ পৰিৱেশত গছৰ লগত সংলগ্ন হৈ থাকে। ইয়াৰ পৰা শেঁতা সেউজীয়া, ঘণ্টা আকৃতিৰ ফুল আৰু গাঢ় বেঙুনীয়া ৰঙৰ, জামুৰ দৰে ফল উৎপন্ন হয় আৰু ইয়াৰ আৱৰণ বগা-নীলা ৰঙৰ মমৰ দৰে স্তৰ থাকে। এই সন্দৰ্ভত উপ-মুখ্যমন্ত্ৰী চৌনা মেইনে সামাজিক মাধ্যমত উল্লেখ কৰিছে এনেদৰে - “প্ৰায় ১৮৮ বছৰৰ পাছত পুনৰ আৱিষ্কাৰ হৈছে অৰুণাচলৰ প্ৰাকৃতিক ইতিহাসৰ এক উল্লেখযোগ্য অধ্যায়। চাংলাং জিলাৰ বিজয়নগৰৰ অৰণ্যত ব্লুবেৰীৰ বিৰল আৰু বিলুপ্তপ্ৰায় বন্য আত্মীয় ভেকচিনিয়াম পিলিফেৰামক পুনৰ আৱিষ্কাৰ কৰি পূব হিমালয়ক বিশ্বৰ অন্যতম চহকী জৈৱ বৈচিত্ৰ্যৰ হটস্পট হিচাপে মৰ্যাদা পুনৰ দৃঢ় কৰি তুলিছে। ১৮৩৬ চনত প্ৰথমবাৰৰ বাবে নথিভুক্ত কৰা আৰু প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি বিজ্ঞানৰ পৰা হেৰাই যোৱা বুলি বিশ্বাস কৰা এই বিৰল প্ৰজাতিটোৰ পুনৰ আৱিষ্কাৰ এক ডাঙৰ বৈজ্ঞানিক কৃতিত্ব। এই তথ্যই আমাৰ ৰাজ্যখনৰ অপৰিসীম পৰিৱেশ সম্পদক উজ্জ্বল কৰি তুলিছে আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে আমাৰ ভংগুৰ হিমালয়ৰ পৰিৱেশতন্ত্ৰক সুৰক্ষিত আৰু সংৰক্ষণৰ জৰুৰী প্ৰয়োজনীয়তাক আৰু অধিক শক্তিশালী কৰি তুলিছে। SEED, CSIR-North East Institute of Science and Technology আৰু সকলো সহযোগী প্ৰতিষ্ঠানৰ গৱেষকসকলৰ প্ৰতি আন্তৰিক প্ৰশংসা, যাৰ নিষ্ঠা আৰু বৈজ্ঞানিক প্ৰচেষ্টাই এই ঐতিহাসিক পুনৰ আৱিষ্কাৰ সম্ভৱ কৰি তুলিছিল।”

# অসম চৰকাৰ বিৰোধী শ্লোগানেৰে গৰজি উঠিল শদিয়াৰ ৰাজপথ

**অসম বাৰ্তা, শদিয়া, ২৮ মে’ ঃ** অত্যধিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ কৰাৰ দাবীত আজি শদিয়াত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ (AJYCP)ৰ শদিয়া আঞ্চলিক সমিতিৰ উদ্যোগত শদিয়া মেডিকেল চাৰিআলিত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ বিৰোধী শ্লোগানেৰে সমগ্ৰ অঞ্চলটো মুখৰিত কৰি তোলে। পুৱাৰ ভাগতেই সংগঠনটোৰ বহু সদস্য আৰু কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড, বেনাৰ আদি লৈ মেডিকেল চাৰিআলিত সমবেত হয়। খাদ্য সামগ্ৰী, ৰন্ধন গেছ, পেট্ৰ’ল-ডিজেল আদি নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক জুৰুলা কৰি তোলাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। “মূল্যবৃদ্ধি বন্ধ কৰক”,



“জনবিৰোধী নীতি চলিব নোৱাৰে”, “সাধাৰণ ৰাইজক ৰক্ষা কৰক” আদি শ্লোগানেৰে ৰাজপথ কঁপাই তোলে প্ৰতিবাদকাৰীসকলে। ইফালে, প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা চলোৱাত পৰিস্থিতি উত্তপ্ত হৈ উঠে। প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত এক পৰ্যায়ত তীব্ৰ ঠেলা-হেঁচাৰ ঘটনাও সংঘটিত হয়। কিছু সময়ৰ বাবে অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি হলেও পৰৱৰ্তী সময়ত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। কাৰ্যসূচীত বক্তব্য ৰাখি AJYCP শদিয়া আঞ্চলিক সমিতিৰ সভাপতি অপু বুঢ়াগোহাঁইয়ে কয় যে, বৰ্তমান সময়ত আকাশলংঘী মূল্যবৃদ্ধিয়ে সাধাৰণ জনগণৰ জীৱন-যাপন দুৰ্বিষহ কৰি তুলিছে। চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ হোৱা বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। শীঘ্ৰে মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰিলে সংগঠনটোৱে অধিক তীব্ৰ গণআন্দোলন গঢ়ি তুলিব বুলিও তেওঁ সকীয়াই দিয়ে।

# মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত লিডুত AJYCPৰ বিক্ষোভ কাৰ্যসূচী

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৮ মে’ ঃ** আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমজিলাৰ লিডুত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ চমুকৈ AJYCP এক বিক্ষোভ কাৰ্যসূচী হাতত লয়। দেশত অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ ফলত একপ্ৰকাৰ হাহাকাৰ লাগিছে সাধাৰণ জনতাৰ মাজত। মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হোৱা বিজেপি চৰকাৰৰ বিৰুদ্ধে এতিয়া ৰাজ্যজুৰি আৰম্ভ হৈছে প্ৰতিবাদ। পেট্ৰ’ল-ডিজেলৰ লগতে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ৰন্ধন গেছ তথা ঔষধৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে কোঙা কৰি তুলিছে সাধাৰণ জনতাক। এই অস্বাভাৱিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি লিডুৰ আকাশ বতাহ কঁপাই তোলে। বিজেপি চৰকাৰ Go Back, বিজেপি চৰকাৰ মুৰ্দাবাদ, শীঘ্ৰেই মুল্যবৃদ্ধি ৰোধ কৰক ইত্যাদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে সংগঠনটোৱে। লিডুৰ বিৰলা গেট তিনিআলিৰ পৰা লিডুৰ প্ৰেট্ৰল পাম্পৰ লৈকে সংগঠনটোৰ শতাধিক নেতাকৰ্মীয়ে ৰাষ্ট্ৰীয় ঘাইপথেৰে ৰেলী কৰি মুল্যবৃদ্ধি ৰোধৰ বাবে চৰকাৰক দাবী উত্থাপন কৰে। উল্লেখ্য যে নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণক নেতা, মন্ত্ৰী সকলে পেট্ৰ’ল-ডিজেলৰ লগতে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ৰন্ধন গেছ তথা ঔষধৰ মূল্য ৰোধ কৰিম বুলি বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি দিয়ে, কিন্তু নিৰ্বাচন শেষ হোৱাৰ পিছত গাদী দখল কৰাৰ পিছত দেখিবলৈ পোৱা গৈছে যে জনসাধাৰণক ৰাম টাঙোন সোধাই। এনে নীতি ৰাইজক আভুৱা দিয়া ৰাম টাঙোন নীতি বুলি অভিহিত কৰিছে এ, জে, ৱাই, চি, পি য়ে। বিজেপি চৰকাৰ তথা যোগান বিভাগক অতি শীঘ্ৰে মুল্য বৃদ্ধি ৰোধ কৰিবলৈ দাবী জনায় সংগঠনটোৱে অন্যথা অনাগত দিনত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে ইয়াতকৈ ভয়ানক ৰূপত তীব্ৰ প্ৰতিবাদ গঢ়ি তুলিব বুলি সকীয়নি প্ৰদান কৰে।

# শিৱসাগৰ জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষকৰ মাতৃ বিজয়া চেতিয়াৰ মৃত্যু; কাইলৈ সম্পন্ন হ’ব অন্তিম সংস্কাৰ

**অসম বাৰ্তা, জয়সাগৰ, ২৮ মে’ ঃ** শিৱসাগৰ জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াৰ মাতৃ তথা শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰী বোকাবিল গাঁৱৰ নিবাসী প্ৰয়াত দিগন্ত চেতিয়াৰ সহধৰ্মিনী বিজয়া চেতিয়া(৭১)ৰ আজি দিনৰ ১২ বজাত শিৱসাগৰ আৰক্ষী অধীক্ষকৰ চৰকাৰী বাসভৱনত মৃত্যু হয়। বিভিন্ন সামাজিক সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত সমাজদৰদী ধৰ্মপ্ৰাণা মহিলা বিজয়া চেতিয়া দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। ধৰ্মপ্ৰাণা মহিলা গৰাকীৰ মৃত্যুত সমগ্ৰ শিৱসাগৰত গভীৰ শোকৰ ছাঁ পৰে। বিজয়া চেতিয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শিৱসাগৰৰ জেষ্ঠ সাংবাদিক মনোজ বৰঠাকুৰ, এম আই বড়া, খাইৰুদ্দিন আহমেদ, জয়জ্যোতি গগৈ, অনন্ত স্মিথকে ধৰি বহুকেইগৰাকী সাংবাদিকে শিৱসাগৰৰ সাংবাদিক সমাজৰ হৈ বিজয়া চেতিয়াৰ নশ্বৰ দেহত চাদৰ আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিৱসাগৰৰ আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা জেষ্ঠ আৰক্ষী বিষয়া আৰু আৰক্ষী অধীক্ষক কাৰ্যালয়ৰ কৰ্মচাৰী সকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ আৰু জীয়ৰী পাপৰি চেতিয়াক ইহ সংসাৰত এৰি থৈ যায়। বৰ্তমান অষ্ট্ৰেলিয়াত কৰ্মৰত তেখেতৰ একমাত্ৰ পুত্ৰ শিৱসাগৰত উপস্থিত হোৱাৰ পাছতেই কালি শিৱসাগৰ নগৰৰ থানামুখ শান্তিবন শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ’ব। উল্লেখযোগ্য যে, মৃত্যুৰ পূৰ্বে সমাজদৰদী মহিলা বিজয়া চেতিয়াই নিজৰ চকু দান কৰি গৈছিল। আজি তেওঁৰ মৃত্যুৰ পাছত বিভাগীয় কৰ্তৃপক্ষই তেখেতৰ চকু গ্ৰহণ কৰে। এনে কাৰ্যৰ জৰিয়তে তেখেতে মানৱতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। বিজয়া চেতিয়াৰ মৃত্যুত শিৱসাগৰ জিলা আৰক্ষী বিভাগ, আৰক্ষীৰ যানবাহন শাখা, আৰক্ষী অধীক্ষক কাৰ্যালয়ৰ বিষয়া আৰু কৰ্মচাৰী বৃন্দ, গৃহৰক্ষী বিভাগ, শিৱসাগৰ জিলা আয়ুক্ত মৃদুল যাদৱ, শিৱসাগৰ জিলা প্ৰশাসনৰ বিষয়া আৰু কৰ্মচাৰী বৃন্দ, শিৱসাগৰ অসামৰিক প্ৰতিৰক্ষা আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, শিৱসাগৰ প্ৰেছক্লাব, শিৱসাগৰ জিলা বাৰ্তাজীৱি সংঘ, বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাব, ই মিডিয়া এচোচিয়েচন, ৱেব্ পৰ্টেল এচচিয়েচনকে ধৰি শিৱসাগৰৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# দৰঙত ‘জন ভাগীদাৰী’ অভিযানৰ সামৰণি

**অসম বাৰ্তা, মঙলদৈ, ২৮ মে’ ঃ** দৰং জিলাত ১৮ মে’ৰ পৰা ২৫ মে’লৈ সপ্তাহজোৰা ‘জন ভাগীদাৰী- সবচে দূৰ, সবচে পেহলে’ অভিযানৰ সোমবাৰে সফল সমাপ্তি ঘটে। এই অভিযানৰ সামৰণিৰ দিনাখন জিলা উন্নয়ন আয়ুক্ত দেৱজিত বৰুৱাই এই অভিযানৰ সৈতে সংযুক্ত সকলো সংশ্লিষ্ট বিভাগীয় মুৰব্বীৰ উপস্থিতত এক সংবাদ মেল সম্বোধন কৰি এই সপ্তাহজোৰা অভিযানৰ যাৱতীয় তথ্যসমূহ সংবাদ মাধ্যমক অৱগত কৰে। ‘ধৰ্তি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান’ আৰু PM JANMAN-ৰ অধীনত ৰূপায়িত এই সপ্তাহজোৰা কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল জনজাতীয় আৰু পিছপৰা অঞ্চলসমূহত চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ কাৰ্যকাৰীতা নিশ্চিত কৰাৰ লগতে তৃণমূল স্তৰতজন অংশগ্ৰহণ শক্তিশালী কৰা। এই সপ্তাহজোৰা কাৰ্যসূচীৰ সময়ছোৱাৰ ভিতৰত দৰং জিলা প্ৰশাসনৰ উদ্যোগত ছিপাঝাৰ, বেচিমাৰী, দলগাঁও, পশ্চিম মঙলদৈ আৰু পূব মঙলদৈ উন্নয়ন খণ্ডৰ জনজাতীয় বসতি থকা বিভিন্ন গাঁৱত সজাগতা সভা, গ্ৰাম সভা, স্বাস্থ্য শিবিৰ, সেৱা শিবিৰ আৰু জনসংযোগমূলক কাৰ্যসূচী আয়োজন কৰা হয়। এই অভিযানৰ অধীনত মুঠ ৬১টা সজাগতা শিবিৰৰ জৰিয়তে ৭৩খন গাঁও সামৰি লোৱা হয় আৰু মুঠ ২,৯০৩ গৰাকী লোকে অংশগ্ৰহণ কৰে। অভিযানৰ সময়ছোৱাত বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত হিতাধিকাৰীসকলক বিভিন্ন ধৰণে সুবিধা প্ৰদানৰ চেষ্টা কৰা হয়। পিএমএৱাই-ৰ অধীনত ৩১৭ গৰাকী, পিএম ফচল বীমা যোজনাৰ অধীনত ২০৫ গৰাকী, পিএম বন্দন যোজনাত ২২৭ গৰাকী, কেচিচিৰ জৰিয়তে ২৭০ গৰাকী আৰু পিএম কিষাণ সন্মান নিধি যোজনাৰ অধীনত ২০৫ গৰাকী হিতাধিকাৰীয়ে সুবিধা লাভ কৰে। ইয়াৰ উপৰিও পিএম বিশ্বকৰ্মা আঁচনিৰ অধীনত ২২ গৰাকী হিতাধিকাৰীক সহায় প্ৰদান কৰা হয়। পুষ্টি আৰু খাদ্য সুৰক্ষা উদ্যোগৰ অধীনত ৬ গৰাকী হিতাধিকাৰীক পোষণ ভাটিকাত অন্তৰ্ভুক্ত কৰাৰ লগতে ৩৭২ গৰাকীক ৰেচন কাৰ্ড সম্পৰ্কীয় সহায় প্ৰদান কৰা হয়। ঠিক সেইদৰে স্বাস্থ্য বিভাগৰ উদ্যোগত বিভিন্ন স্বাস্থ্য সজাগতা আৰু চিকিৎসা শিবিৰ আয়োজন কৰি এইচ পি ভি টিকাকৰণ, ১০০ দিনীয়া যক্ষ্মা সজাগতা, মাতৃ-শিশু সুৰক্ষা, পুষ্টি আৰু জনস্বাস্থ্য সম্পৰ্কীয় বিষয়ত সজাগতা বৃদ্ধি কৰা হয়। লগতে এনচিডি, যক্ষ্মা, ৰক্তাল্পতা আৰু চিকল চেল ৰোগৰ পৰীক্ষা সম্পন্ন কৰা হয়। চিকল চেল ৰোগৰ বাবে মুঠ ৩২টা স্ক্ৰিনিং কৰা হয়। এই অভিযানৰ এক বিশেষ অংশ হিচাপে তৃণমূল স্তৰতজন অংশগ্ৰহণ আৰু অভিযোগ নিষ্পত্তি ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ৩টা আদি সেৱা কেন্দ্ৰৰ জৰিয়তে ২৬খন গাঁও সামৰি ২৭খনজন শুনানি আৰু মতবিনিময় সভা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীসমূহত ২৯৮গৰাকী পুৰুষ আৰু ৫১১গৰাকী মহিলাই অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত আয়ুষী জৈনে যোৱা ১৮ মে’ত শুভাৰম্ভ কৰা এই অভিযানৰ সমগ্ৰ কাৰ্যসূচীত বিভিন্ন বিভাগৰ বিষয়ববীয়া, স্বাস্থ্যকৰ্মী, এএছআৰএলএম কেডাৰ, এছএইজি সদস্য, পঞ্চায়ত প্ৰতিনিধি, এনজিঅ’ আৰু সামাজিক কৰ্মীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। প্ৰত্যেক মাহৰ জিলা উন্নয়ন সমিতিৰ পৰ্যালোচনা বৈঠকতজন ভাগীদাৰী সবচে দূৰ, সবচে পেহলে বিষয় টি গুৰুত্বপূৰ্ণ বিষয়বস্তু হিচাবে গ্ৰহণ কৰি ইয়াৰ ফলপ্ৰসতা মূল্যায়ন কৰা হ’ব।

রাজ্যজুৰি সক্ৰিয় হৈ আছে চাইবাৰ অপৰাধীৰ লগতে প্ৰৱঞ্চক

# পুনৰ বৰপেটা আৰক্ষীৰ জালত পৰিল এটা প্ৰৱঞ্চক

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৮ মে’ ঃ** পুনৰ বৰপেটা আৰক্ষীৰ জালত পৰিল এটা প্ৰৱঞ্চক। ধৃত প্ৰৱঞ্চক জনৰ নাম মাজিদুল ইছলাম। কয়াকুছিৰ খাবলাৰভিঠাৰ পৰা বৰপেটা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে প্ৰৱঞ্চক মাজিদুল ইচলামক। প্ৰৱঞ্চকজনৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে ৭৫ হাজাৰ টকাৰ লগতে এটিএম কাৰ্ড। চকিৰভিঠাৰ তালেবৰ ৰহমান নামৰ এজন শিক্ষকৰ পৰা প্ৰৱঞ্চনাৰে এটিএম কাৰ্ড সলনি কৰি একাউণ্টৰ পৰা ৭৫ হাজাৰ টকা উলিয়াই লৈ যায়। তালেবৰ ৰহমানে বৰপেটা চহৰৰ এছবিআইৰ এটিএমৰ পৰা টকা উলিয়াব আহোঁতে প্ৰৱঞ্চক মাজিদুল ইছলামে প্ৰৱঞ্চনাৰে এটিএম কাৰ্ডখন লৈ যায়। পিছত মাজিদুল ইছলামে তালেবৰ ৰহমান বেংকৰ একাউণ্টৰ পৰা ৭৫ হাজাৰ টকা উলিয়াই নিয়ে। ঘটনা সম্পৰ্কে তালেবৰ ৰহমানে আৰক্ষী থানাত এজাহা দাখিল কৰে। আৰক্ষীয়ে তদন্ত কৰি প্ৰৱঞ্চক মাজিদুল ইছলামক গ্ৰেপ্তাৰ কৰে।

কাহ-পিতলৰ সামগ্ৰীসহ নগদ ধন লৈ উধাও চোৰ; আৰক্ষীৰ কঠোৰ ব্যৱস্থাৰ দাবী

# অৰিয়াণ্টলি সৰ্বজনীন নামঘৰত চুৰিকাণ্ড

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৮ মে’ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ অৰিয়াণ্টলি গাঁৱৰ সৰ্বজনীন নামঘৰত যোৱা নিশা সংঘটিত হোৱা এক চুৰিকাণ্ডই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক সম্প্ৰীতিৰ অন্যতম কেন্দ্ৰস্থল হিচাপে পৰিচিত নামঘৰত সংঘটিত এই ঘটনাক লৈ স্থানীয় ৰাইজৰ মাজত গভীৰ ক্ষোভ আৰু উদ্বেগ দেখা গৈছে। জানিব পৰা মতে যোৱা নিশা দুৰ্বৃত্তই অৰিয়াণ্টলি সৰ্বজনীন নামঘৰত প্ৰৱেশ কৰি নামঘৰৰ কাহ-পিতলৰ বহু মূল্যবান সামগ্ৰী চুৰি কৰাৰ লগতে কিছু নগদ ধন লৈ উধাও হয়। পুৱাৰ ভাগত নামঘৰৰ দায়িত্বশীল ব্যক্তিসকলে ঘটনাটো প্ৰত্যক্ষ কৰাৰ পিছতেই সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাস্থলীত স্থানীয় ৰাইজৰ একত্ৰিত হয় আৰু চোৰক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী উত্থাপন কৰে। এই চুৰিকাণ্ডক তীব্ৰ গৰিহণা দি আৰক্ষীয়ে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱাই। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে ড্ৰাগছ্ আৰু মাদকদ্ৰব্যৰ অবাধ প্ৰচলনে ইয়াৰ এক অন্যতম কাৰণ হব পাৰে। লগতে বৰুৱাই কয় ধৰ্মীয় স্থানত সংঘটিত এনে ঘটনা সমাজৰ বাবে অতি দুৰ্ভাগ্যজনক আৰু আৰক্ষীয়ে ঘটনাটোক গুৰুত্বসহকাৰে তদন্ত কৰিব লাগিব। ইফালে যুৱ সমাজকৰ্মী প্ৰণৱজ্যোতি নাথে কয় যে অঞ্চলটোত বৰ্ধিত চুৰিকাণ্ডই সাধাৰণ ৰাইজক আতংকিত কৰি তুলিছে। তেওঁ দোষীক তৎকালে আটক কৰি নামঘৰৰ চুৰি হোৱা সামগ্ৰী উদ্ধাৰৰ দাবী জনায়। আনহাতে অৰিয়াণ্টলি সৰ্বজনীন নামঘৰ পৰিচালনা সমিতিৰ সভাপতি পংকজ শইকীয়া আৰু সম্পাদক অনিল কুমাৰ নাথেও ঘটনাটোক গৰিহণা দি আৰক্ষীক দ্ৰুত তদন্ত চলাই দোষীক কৰায়ত্ত কৰিবলৈ আহ্বান জনায়। লগতে নামঘৰ পৰিচালনা সমিতিৰ অন্যান্য বিষয়ববীয়াসকলেও ঘটনাটোক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। ইতিমধ্যে ঘটনাৰ খবৰ পাই আৰক্ষীয়ে তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে আৰক্ষীৰ তদন্তৰ জৰিয়তে অতি শীঘ্ৰে চোৰক গ্ৰেপ্তাৰ কৰি চুৰি হোৱা সামগ্ৰী উদ্ধাৰ হ’ব বুলি আশা প্ৰকাশ কৰিছে।

# কলিয়াবৰৰ শালনা বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অনুষ্ঠিত হ’ল বজাৰ

**অসম বাৰ্ত, কলিয়াবৰ, ২৮ মে’ ঃ** ৰাজ্যৰ বিদ্যালয়ে বিদ্যালয়ে এতিয়া চলিছে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিশেষ বজাৰ। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ৰ অধীনত আয়োজিত “ভাৰতীয় ভাষা গ্ৰীষ্মকালীন শিবিৰ”ৰ অংশস্বৰূপে ৰাজ্যৰ বিভিন্ন বিদ্যালয়ৰ লগতে কলিয়াবৰৰ শালনা বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো আজি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক বিশেষ বজাৰ অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ নিজৰ ঘৰত উৎপাদিত বিভিন্ন সামগ্ৰী সংগ্ৰহ কৰি আনি বিদ্যালৰ প্ৰাংগনত অনুষ্ঠিত কৰা হয় এই বিশেষ বজাৰ। বাৰীৰ শাক-পাচলিৰ পৰা তামোল-পানলৈকে সকলো সামগ্ৰীৰে ভৰপূৰ হয় ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অনুষ্ঠিত এই বজাৰখন। বিদ্যালয়খনৰ অধ্যক্ষ প্ৰতিমা ৰাজোৱাৰে মুকলি কৰা বজাৰখনত গ্ৰাহকৰ ৰূপত উপস্থিত থাকিল বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজো। বিদ্যালয় পৰিচালনা সমিতি সভাপতি দিলীপ বৰাইক আৰি চিআৰচিচি বীৰ চেত্ৰী আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ ছাত্ৰীক উৎসাহিত কৰে। ছাত্ৰ-ছাত্ৰীক বজাৰ-অৰ্থনীতিৰ লগত পৰিচয় কৰাই দিয়াৰ প্ৰয়াসৰে অনুষ্ঠিত এই বজাৰখনত অংশগ্ৰহণ কৰি যথেষ্ট উৎসাহিত হয় ছাত্ৰ-ছাত্ৰীসকল।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ আয়োজনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ২৮ মে’ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ উচ্চ শিক্ষানুস্থান শিক্ষানুষ্ঠান ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত অহা ২৬ আৰু ২৭ জুনত দুদিনীয়া কাৰ্যসূচীৰে এখনি আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত হ’ব। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চয়তা কোষ আৰু ইংৰাজী বিভাগৰ উদ্যোগত, তথা জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ সহযোগত আয়োজিত এই আলোচনা চক্ৰৰ মূল বিষয় হৈছে “মানৱ যোগাযোগৰ ক্ৰমবিকাশৰ ৰূপৰেখা: প্ৰযুক্তিগত, অৰ্থনৈতিক আৰু সামাজিক পৰিসৰ।” আলোচনাত যুক্তৰাষ্ট্ৰৰ বৃষ্টল বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা ড° তাৰা পুৰী অনলাইন মাধ্যমত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব। সমল ব্যক্তি হিচাপে উপস্থিত থাকিব হাৰিয়ানাৰ আৰ কে এছ ডি পি জি কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° সূৰুজ ৱালিয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° সুৰেণ্ডৰ সিং। আয়োজক মণ্ডলীয়ে দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ গৱেষক, শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী, পলিচি নিৰ্মাতা, মিডিয়া বিশেষজ্ঞ আৰু দাৰ্শনিকসকলৰ পৰা গৱেষণা পত্ৰৰ আহ্বান জনাইছে। গৱেষণা পত্ৰৰ সাৰাংশ জমা দিয়াৰ অন্তিম তাৰিখ অহা ১০ জুন, ২০২৬ নিৰ্ধাৰণ কৰা হৈছে। আলোচনা চক্ৰৰ মুখ্য উপদেষ্টা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেব গগৈ আৰু মুখ্য পৃষ্ঠপোষক ডিব্ৰুগড়ৰ উদ্যোগী সমাজসেৱক তথা চাৰ্টাৰ্ড একাউণ্টেণ্ট জ্যোতি প্ৰসাদ কানৈয়ে সকলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাৰ কৰাৰ আহ্বান জনাইছে। এই সন্দৰ্ভত অধিক তথ্য মহাবিদ্যালয়ৰ ৱেবচাইটত উপলব্ধ আছে বুলি আলোচনা চক্ৰৰ সমন্বয়ক ড° লুকু মৰাং, সহযোগী সমন্বয়ক ড° ইপ্সিতা ভট্টাচাৰ্য আৰু নাজৰানা হকে জানিবলৈ দিয়ে।

# পৰশুৰাম কুণ্ডৰ লোহিত নদীত জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ প্ৰস্তুতি

কুণ্ডৰ লোহিত নদীখন যথেষ্ট খৰস্ৰোতা, সমান্তৰালভাৱে গভীৰতাও বেছি। লগতে প্ৰকাণ্ড প্ৰকাণ্ড শিলেৰেও ভৰপূৰ এই লোহিত নদী। লোহিত জিলাৰ সদৰ তেজুৰ পৰা ৪৮ কিলোমিটাৰ দূৰত্বত অৱস্থিত পৰশুৰাম কুণ্ডক চাৰিওফালে আগুৰি আছে কামলাং সংৰক্ষিত বনাঞ্চলৰ লগতে আন গভীৰ বনাঞ্চলে। তিনিচুকীয়া জিলা সদৰৰ পৰা পৰশুৰাম কুণ্ডলৈ দূৰত্ব প্ৰায় ১৬৫ কিলোমিটাৰ। প্ৰতি বছৰে হেজাৰ হেজাৰ ভক্ত-সাধু-সন্তই-সন্তই ভিৰ কৰেহি লোহিত নদীৰ পাৰৰ কুণ্ডস্থানত। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ হিন্দু ধৰ্মাৱলম্বী ভক্তৰ উপৰি চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰাও প্ৰতিবছৰে লাখ লাখ ভক্তৰ পৰশুৰাম কুণ্ডলৈ আগমন ঘটে তেজুৰ পৰশুৰামৰ পবিত্ৰ মন্দিৰ দৰ্শনৰ বাবে। ব্ৰহ্মপুত্ৰৰ মালভূমিৰ লোহিত নদীত অৱস্থিত এই পবিত্ৰ কুণ্ডৰ পবিত্ৰ পানীত ডুব দিলে সকলো পাপ ধুই পেলোৱা হ’য় বুলি বিশ্বাস কৰা হয়। এই লোহিত নদীতেই অৰুণাচল প্ৰদেশ চৰকাৰে ১৭৫০ মেগাৱাট ক্ষমতাৰ ডেমৱে নিম্ন জলবিদ্যুৎ প্ৰকল্প ৰূপায়ণৰ বাবে গ্ৰীণকো ডেমৱে পাৱাৰ লিমিটেডৰ সৈতে ইতিমধ্যে এক গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ কৰিছে। অৰুণাচল প্ৰদেশ চৰকাৰ আৰু পূৰ্বতে এথেনা ডেমৱে পাৱাৰ লিমিটেড (Athena Demwe Power Limited) নামেৰে পৰিচিত গ্ৰীণকো ডেমৱে পাৱাৰ লিমিটেড (Greenko Demwe Power Limited)ৰ মাজত BOOT (Build, Own, Operate and Transfer) ভিত্তিত প্ৰকল্পটো ৰূপায়ণৰ বাবে উক্ত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। উপ-মুখ্যমন্ত্ৰী চৌনা মেইন আৰু আয়ুক্ত (জলবিদ্যুৎ) সোণম চোম্বৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ হৈ হাগে লাইলাঙে এই চুক্তিত স্বাক্ষৰ কৰে। বিষয়াসকলৰ মতে, এই প্ৰকল্পটো সমগ্ৰ দেশতে নবীকৰণযোগ্য শক্তি উৎপাদন ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে ভাৰত চৰকাৰৰ ৫০, ০০০ মেগাৱাট জলবিদ্যুৎ পদক্ষেপৰ অংশ, যিয়ে যথেষ্ট পৰিমাণৰ জলবিদ্যুৎ সম্ভাৱনা থকা অৰুণাচল প্ৰদেশক ভাৰতৰ দীৰ্ঘম্যাদী স্বচ্ছ শক্তিৰ লক্ষ্যত মূল অৱদান হিচাপে চিনাক্ত কৰা হৈছে। লোহিত জিলাৰ পৰশুৰাম কুণ্ড আৰু ব্ৰহ্মকুণ্ডৰ সমীপৰ লোহিত নদীত নিৰ্মাণ হ’বলগীয়া এই প্ৰকল্পটোৰ স্থাপন ক্ষমতা হৈছে ১৭৫০ মেগাৱাট, য’ত ৩৪২ মেগাৱাটকৈ পাঁচটা উৎপাদন ইউনিটৰ লগতে এটা অতিৰিক্ত ৪০ মেগাৱাট ইউনিট থাকিব। এই প্ৰকল্পটোৱে ৯৫ শতাংশ উদ্যোগ উপলব্ধতাৰ ক্ষেত্ৰত ৯০ শতাংশ নিৰ্ভৰযোগ্য বছৰত বছৰি প্ৰায় ৭৩২৬ মিলিয়ন ইউনিট বিদ্যুৎ উৎপাদন কৰিব বুলি আশা কৰা হৈছে। প্ৰস্তাৱিত আন্তঃগাঁথনিৰ ভিতৰত আছে আটাইতকৈ গভীৰ ভেঁটি স্তৰৰ পৰা সৰ্বোচ্চ উচ্চতা ১৬৩.১২ মিটাৰ আৰু শিখৰ দৈৰ্ঘ্য ৪৭৪.৩৫ মিটাৰ থকা পকী মাধ্যাকৰ্ষণ বান্ধ। সম্পূৰ্ণ জলাশয় স্তৰত থকা জলাশয়টোৰ সংৰক্ষণ ক্ষমতা ৫১৬.৩৮ মিলিয়ন ঘনমিটাৰ আৰু ইয়াৰ পানী বিস্তৃত এলেকা প্ৰায় ১১৩১ হে”ৰ হ’ব বুলি আশা কৰা হৈছে। ডিজাইনটোত বান ব্যৱস্থাপনাৰ বাবে একাধিক গেটৰ সৈতে সজ্জিত পৃষ্ঠৰ অজি আৰু শ্লুইচ স্পিলৱেৰ বৈশিষ্ট্য থকা স্পিলৱে ব্যৱস্থাও অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখ্য যে, এই প্ৰকল্পৰ আন্তঃগাঁথনিৰ ভিতৰত থাকিবছটা ডাইভাৰচন সুৰংগ, মাটিৰ তলৰ চাপৰ খাদ আৰু লোহিত নদীৰ সোঁহাতত এটা বৃহৎ পৃষ্ঠ শক্তিকেন্দ্ৰ। লগতে ১১২ মিটাৰ ডিজাইন হেড আৰু ১৭২৯ কিউমেকৰ ডিজাইন ডিচাৰ্জৰ অধীনত ভাৰটিকেল ফ্ৰান্সিছ টাৰ্বাইনৰ সৈতে চলিব এই শক্তি কেন্দ্ৰটো। বিষয়াসকলে লগতে কয় যে এই প্ৰকল্পই নিৰ্মাণ আৰু কাৰ্য্যকৰী পৰ্যায়ত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োটা ধৰণৰ নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ লগতে ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়ন, আঞ্চলিক সংযোগ আৰু অৰ্থনৈতিক কাৰ্যকলাপত অৰিহণা যোগাব। তেওঁলোকে লগতে আশা প্ৰকাশ কৰে যে এই ডেমৱে নিম্ন জলবিদ্যুৎ প্ৰকল্পই ভাৰতৰ অন্যতম প্ৰধান জলবিদ্যুৎ প্ৰকল্প হিচাপে আত্মপ্ৰকাশ কৰাৰ উপৰি অৰুণাচল প্ৰদেশৰ অৰ্থনৈতিক আৰু আন্তঃগাঁথনি উন্নয়নত যথেষ্ট অৰিহণা যোগাব। আনহাতে, অৰুণাচল চৰকাৰে এই চুক্তি স্বচ্ছ শক্তি আৰু আন্ত: গাঁথনি বিনিয়োগৰ গন্তব্যস্থান হিচাপে অৰুণাচল প্ৰদেশত বিনিয়োগকাৰীৰ আস্থা বৃদ্ধি পোৱাৰ এক প্ৰতিফলন বুলি অভিহিত কৰিছে।

# ‘মিঞা মুছলমান’ মন্তব্যৰ গোচৰত মুখ্যমন্ত্ৰী হিমন্ত

ন্যায়াধীশ চনু অগ্নিহোত্ৰীয়ে এই জাননী জাৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ দাবী উত্থাপন কৰি মন্দাৰে পুনৰীক্ষণৰ বাবে এই আবেদন দাখিল কৰিছিল। আবেদনখনত উল্লেখ কৰা অনুসৰি, বিগত ২৭ জানুৱাৰীত তিনিচুকীয়া জিলাৰ ডিগবৈত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী শৰ্মাই ভাষণ দিয়াৰ সময়তে এই বিতৰ্কিত মন্তব্য কৰে। অসমৰ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কৈছিল যে প্ৰায় চাৰিৰ পৰা পাঁচ লাখ ‘মিঞা ভোটাৰ’ৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে। অভিযোগ অনুসৰি, মুখ্যমন্ত্ৰীগৰাকীয়ে আৰও কৈছিল যে তেওঁলোকে অসুবিধাৰ সন্মুখীন হ’লেই অসম এৰি যাব, আৰু তেওঁলোকে যাতে অসমত ভোট দিব নোৱাৰে তাৰ বাবে ব্যৱস্থা কৰা হৈছে। ইয়াৰ পূৰ্বে যোৱা ২০ এপ্ৰিলত এখন দণ্ডাধীশ আদালতে আৰক্ষীক এই বিষয়ত এজাহাৰ পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰা বিৰত আছিল। কিন্তু মন্দাৰৰ অধিবক্তাই সত্ৰ আদালতত যুক্তি দাঙি ধৰে যে নিম্ন আদালতে কাৰ্যক্ষেত্ৰৰ অভাৱৰ দোহাই দি আবেদনখন নাকচ কৰিছিল। অধিবক্তাগৰাকীয়ে ‘জিৰ’ এফ আই আৰ’ৰ ধাৰণাটো উল্লেখ কৰি কয় যে যিকোনো ধৰ্তব্য অপৰাধৰ তথ্য যিকোনো আৰক্ষী থানাতে দাখিল কৰিব পাৰি, অপৰাধটো য’তে সংঘটিত নহওক কিয়। যুক্তিসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি অতিৰিক্ত সত্ৰ ন্যায়াধীশ চনু অগ্নিহোত্ৰীয়ে জাননী জাৰি কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰিত এই জাননীত তেওঁক সোঁতৰ উত্তৰ দিবলৈ নিৰ্দেশ দিয়া হৈছে। সেইসূত্ৰে আদালতে পৰৱৰ্তী শুনানিৰ বাবে ২০২৬ চনৰ ১৫ জুলাই তাৰিখ নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে দিল্লী আদালতৰ এই জাননীয়ে ৰাজনৈতিক মহলত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছে। একাষে শাসকীয় দলে মন্তব্যক সমৰ্থন কৰি আহিলেও, আনফালে বিৰোধী দলসমূহে আদালতৰ এই পদক্ষেপক স্বাগতম জনাইছে। সমাজকৰ্মী হৰ্ষ মন্দাৰে মুখ্যমন্ত্ৰীৰ মন্তব্যক সাম্প্ৰদায়িক আৰু সংবিধান বিৰোধী বুলি অভিযোগ উত্থাপন কৰি আইনৰ আশ্ৰয় লৈছে। এতিয়া ১৫ জুলাইৰ শুনানিলৈকে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত হৈ থকাৰ সম্ভাৱনা আছে। এই প্ৰসংগত অসম চৰকাৰৰ তৰফৰ পৰা কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া এতিয়ালৈকে প্ৰকাশ পোৱা নাই। আগন্তুক শুনানিত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰত্যক্ষভাৱে নাইবা তেওঁৰ আইনজ্ঞই আদালতত সোঁতৰ জবাব দিব বুলি ধাৰণা কৰা হৈছে।

# ৰূপহীহাটৰ বৃহত্তৰ ফাকলি ঈদগাহ ময়দানত পৱিত্ৰ ঈদ-উল-আজহা পালন

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ মে’ ঃ** আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰিলে পবিত্ৰ ঈদ-উল-আজহা। সমগ্ৰ ৰাজ্যৰ লগতে ৰূপহীহাটতো ইছলাম ধৰ্মৱালম্বী লোকে উদ্‌যাপন কৰিলে পবিত্ৰ ঈদ-উল-আজহা। নগাঁৱৰ উত্তৰাঞ্চলৰ সৰ্ববৃহৎ ৰূপহীহাটৰ ফাঁকলি ঈদগাহ ময়দান। ৰূপহীহাটৰ বৃহত্তৰ ফাঁকলি ঈদগাহ ময়দানত মৌলানা আব্দুৰ ৰশ্বিদৰ ইমামতিত প্ৰায় ২০ সহস্ৰাধিক ইছলাম ধৰ্মীয় লোকসকল একত্ৰিত হৈ আদায় কৰিলে ঈদ-উল-আজহাৰ নামাজ। ঈদৰ নামাজৰ শেষত দেশ তথা অসমৰ শান্তি কামনাৰে সমজোৱা দোৱা-প্ৰাৰ্থনা কৰাৰ লগতে চৰকাৰী নীতি-নিৰ্দেশনা পালন কৰি ঈদ উদ্‌যাপন কৰাৰ আহ্বান কৰে ঈদগাহ কমিটিয়ে।

# কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়াৰ পদত্যাগ;

প্ৰেৰণ কৰিবলৈ দিয়া প্ৰস্তাৱও তেওঁ স্পষ্টভাৱে নাকচ কৰি দিয়ে। বৃহস্পতিবাৰে পুৱা সিদ্দাৰামাইয়াই মুখ্যমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছ নেতৃত্বই তেওঁৰ স্থলত উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰক নতুন মুখ্যমন্ত্ৰী হিচাপে অনাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেট সদস্যসকলৰ সৈতে হোৱা বৈঠকতে সিদ্দাৰামাইয়াই এই সিদ্ধান্তৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। উক্ত বৈঠকত উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰো উপস্থিত আছিল। সেই বৈঠকতে সিদ্দাৰামাইয়াই কয় যে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই ডি কে শিৱকুমাৰক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে বিচাৰে আৰু তেওঁ সেই সিদ্ধান্ত সম্পূৰ্ণৰূপে মানি লৈছে। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে, ৰাজ্যসভাৰ প্ৰস্তাৱ সন্দৰ্ভত তেওঁৰ মন্তব্যৰ জৰিয়তে আটাইতকৈ গুৰুত্বপূৰ্ণ ৰাজনৈতিক বাৰ্তা আগবঢ়াইছে। সাংবাদিকৰ সন্মুখত সিদ্দাৰামাইয়াই স্পষ্ট আৰু দৃঢ়ভাৱে কয়, “দলে মোক ৰাজ্যসভালৈ যাবলৈ কৈছিল। কিন্তু মই ক’লোঁ - নাই। মোৰ ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতি কোনো আগ্ৰহ নাই। মই ৰাজ্যৰ ৰাজনীতিত সক্ৰিয় হৈ থাকিম।” ৰাজনৈতিক বিশ্লেষক আৰু মহলৰ মতে, এই স্থিতিয়ে কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বক কিছু অস্বস্তিত পেলাব পাৰে। কাৰণ দলীয় সূত্ৰই জানিবলৈ দিয়া মতে, নেতৃত্ব পৰিৱৰ্তনৰ বিনিময়ত সিদ্দাৰামায়াক কেন্দ্ৰীয় পৰ্যায়ত গুৰুত্বপূৰ্ণ দায়িত্ব আৰু ৰাজ্যসভাৰ আসন প্ৰদানৰ প্ৰস্তাৱ দিয়া হৈছিল। কিন্তু শেষ মুহূৰ্তত জ্যেষ্ঠ নেতাগৰাকীয়ে কেৱল দিল্লী নহয়, বৰঞ্চ ৰাজ্যসভাৰ আসনো অগ্ৰাহ্য কৰি ৰাজ্যতে থাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰসংগত উল্লেখযোগ্য যে বিগত প্ৰায় এবছৰ ধৰি কৰ্ণাটকৰ মুখ্যমন্ত্ৰী পদক লৈ কংগ্ৰেছৰ ভিতৰত গভীৰ অসন্তোষ আৰু উত্তেজনা বিৰাজমান আছিল। ডি কে শিৱকুমাৰৰ অনুগামীসকলে বাৰে বাৰে নেতৃত্ব পৰিৱৰ্তনৰ দাবী উত্থাপন কৰি আহিছিল যদিও সিদ্দাৰামাইয়া নিজৰ স্থিতিত অটল আছিল। ৰাজনৈতিক পৰ্যবেক্ষকসকলৰ মতে, তামিলনাডু বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত সেই সময়ত কংগ্ৰেছ নেতৃত্বই কোনো ডাঙৰ ৰিস্ক ল’ব বিচৰা নাছিল। কিয়নো দক্ষিণ ভাৰতৰ বৃহত্তৰ ৰাজনৈতিক সমীকৰণত কৰ্ণাটকৰ সিদ্দাৰামাইয়াৰ ‘আহিন্দা’ ভোটবেংক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছিল। অৱশ্যে এতিয়া পৰিস্থিতি সম্পূৰ্ণৰূপে সলনি হৈছে। কংগ্ৰেছৰ মূল্যায়ন মতে, তামিলনাডু আৰু কেৰালাৰ ৰাজনৈতিক সমীকৰণ এতিয়া দলৰ পক্ষত সন্মুখীন হৈছে। ফলস্বৰূপে কৰ্ণাটকৰ নেতৃত্ব সলনিৰ দীৰ্ঘদিনীয়া সিদ্ধান্ত কাৰ্যকৰী কৰাৰ দিশত আগবাঢ়িছে দলটোৱে। দলীয় সূত্ৰই দাবী কৰা অনুসৰি, মঙলবাৰে দিল্লীত ৰাহুল গান্ধীৰ সৈতে প্ৰায় ৩৫ মিনিটৰ বাবে এক ব্যক্তিগত বৈঠকত সিদ্দাৰামাইয়ালৈ এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰা হৈছিল। তেওঁক কৰ্ণাটকৰ সীমাৰ বাহিৰত বৃহত্তৰ ৰাজনৈতিক ভূমিকা সম্পৰ্কে চিন্তা কৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। একে সময়তে তেওঁক আগন্তুক ৰাজ্যসভা নিৰ্বাচনত কৰ্ণাটকৰ তিনি আসনৰ ভিতৰত এখন আসন প্ৰদানৰ প্ৰস্তাৱো দিয়া হৈছিল। সূত্ৰ অনুসৰি, ৰাহুল গান্ধীয়ে সিদ্দাৰামাইয়াক জনাইছিল যে এতিয়াৰ পৰা ২০২৮ চনৰ কৰ্ণাটক বিধানসভা নিৰ্বাচন আৰু ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ কথা মনত ৰাখি সকলো সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। কিন্তু শেষত কংগ্ৰেছৰ এই প্ৰবীণ নেতাগৰাকীয়ে ৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰৱেশৰ পথ সম্পূৰ্ণৰূপে বাছি লোৱা নাই। এতিয়া সৰ্বসাধাৰণৰ দৃষ্টি কৰ্ণাটকৰ নতুন ৰাজনৈতিক সমীকৰণৰ ওপৰত নিবদ্ধ হৈছে। ডি কে শিৱকুমাৰৰ নেতৃত্বত গঠিত হ’বলগীয়া নতুন চৰকাৰখনে কেনেদৰে কাম আৰম্ভ কৰে, আৰু ৰাজ্যৰ ৰাজনীতিত সিদ্দাৰামাইয়াই এতিয়া ঠিক কোন ধৰণৰ ভূমিকা পালন কৰিব - সেই সম্পৰ্কে ৰাজনৈতিক মহলত ইতিমধ্যে ব্যাপক চৰ্চা আৰু আলোচনা আৰম্ভ হৈ গৈছে।

# ULFAৰ সন্ত্ৰাসবাদী পুঁজি

মৰাণকো আটক কৰা হৈছে। উত্তৰ প্ৰদেশ আৰক্ষীৰ সহযোগত তিনিচুকীয়া আৰক্ষীৰ এটা বিশেষ দলে সাহাৰণপুৰৰ মহম্মদ আৰু কানপুৰৰ মহম্মদ শুভমক উন্নাও জিলাৰ পৰা আটক কৰে। ইয়াৰ পাছতে আদালতৰ পৰা ট্ৰেনজিট ৰিমাণ্ড লাভ কৰি অভিযুক্ত দুয়োজনকে আজি তিনিচুকীয়ালৈ লৈ অনা হয়। আনহাতে, একেটা গোচৰতে জড়িত থকাৰ অভিযোগত হিৰন্ময় মৰাণ নামৰ যুৱকজনকো আজি আৰক্ষীয়ে আটক কৰে। হিৰন্ময় মৰাণ দেৱাশিস গোহাঁইৰ সহযোগী বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আদালতত হাজিৰ কৰোৱাৰ পাছত তেওঁক দুদিনৰ বাবে আৰক্ষীৰ জিম্মাত লোৱা হৈছে। উল্লেখযোগ্য যে, এই গোচৰৰ সৈতে জড়িত থকাৰ অভিযোগত কিছুদিন পূৰ্বে তিনিচুকীয়াৰ পৰা আছুৰ সহকাৰী সম্পাদক সমৰ গোহাঁই, দেৱাশিস গোহাঁই, মৃত্যুঞ্জয় কোঁৱৰ, দিপু চেতিয়া পাত্ৰ আৰু মহাৰাষ্ট্ৰৰ পৰা শ্বেইখ ৰাছীৰক আৰক্ষীয়ে আটক কৰিছিল। ইয়াৰে সমৰ গোহাঁই আৰু দিপু চেতিয়া পাত্ৰক ইতিমধ্যে আদালতে জেললৈ প্ৰেৰণ কৰিছে। আনহাতে দেৱাশিস গোহাঁই, মৃত্যুঞ্জয় কোঁৱৰ আৰু শ্বেইখ ৰাছীৰক অধিক জেৰাৰ বাবে পুনৰ পাঁচ দিনৰ বাবে আৰক্ষীৰ জিম্মাত লোৱা হৈছে। তিনিচুকীয়া আৰক্ষীয়ে জনোৱা মতে, ULFA লৈ অবৈধ ধনেৰে পুঁজি যোগান ধৰা এটা বৃহৎ চক্ৰই বিভিন্ন ৰাজ্যৰ পৰা ধন সংগ্ৰহ কৰি সংগঠনটোক শক্তিশালী কৰাৰ চেষ্টা চলাই আহিছিল। গ্ৰেপ্তাৰ হোৱা সকলোকে বৰ্তমান তিনিচুকীয়া সদৰ থানাত ৰাখি জেৰা চলাই থকা হৈছে।

# পোহনীয়া হাতীৰ আক্ৰমণত

নামি আহিছিল। কিন্তু তেনে সময়তে হঠাতে ৰামপ্ৰসাদ নামৰ হাতীটোৱে প্ৰশান্তক আক্ৰমণ কৰে। মাউতজনে ৰামপ্ৰসাদক নিয়ন্ত্ৰণ কৰাৰ পূৰ্বেই এই ঘটনা সংঘটিত কৰে। ফলত আনটো হাতীৰ মাউত প্ৰশান্ত থিতাতে নিহত হয়। এই ঘটনা সংঘটিত কৰিয়ে আঁতৰি যায় ৰামপ্ৰসাদ। পিছে পিছে মাউতজনে খেদি গৈ ৰামপ্ৰসাদক বঙ্গালগাঁৱৰ এখন হাবিৰ মাজত বান্ধিবলৈ সক্ষম হয়। ইফালে ঘটনাৰ খবৰ পোৱাৰ পিছতে উক্ত স্থানত দেৰগাঁও আৰক্ষী আৰু বন বিভাগৰ লোক উপস্থিত হয়। লক্ষণীয় কথাটো হ’ল যে ৰামপ্ৰসাদ নামৰ পোহনীয়া হাতীটোৱে পূৰ্বেও এনে ঘটনা সংঘটিত কৰিছে। বিগত বছৰৰ ছেপ্টেম্বৰ মাহত ৰামপ্ৰসাদৰ আক্ৰমণত মালিক কেশৱ বৰাৰ মৃত্যু হৈছিল। সেই সময়ত ৰামপ্ৰসাদ উন্মাদ হৈ মালিকসহ মাউতক আক্ৰমণ কৰাৰ লগতে বাহন আৰু বহু সা-সম্পত্তিৰো বিস্তৰ ক্ষতি কৰিছিল। বন বিভাগে সেই সময়ত হাতীটোক ট্ৰেংকুলাইজ কৰি নিয়ন্ত্ৰণলৈ আনিছিল। কিন্তু এবছৰ নৌহওঁতেই ৰামপ্ৰসাদৰ আক্ৰমণত আন এগৰাকী লোকৰ মৃত্যু হোৱাৰ পিছতে এতিয়া অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। আৰক্ষী আৰু বন বিভাগে ইতিমধ্যে নিজৰ নিজৰ ধৰণে তদন্তৰ লগতে ব্যৱস্থা গ্ৰহণ কৰিছে। অঞ্চলটোৰ লোকসকলেও এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে। মালিকহন্তা ৰামপ্ৰসাদৰ আক্ৰমণত এইবাৰ মাউতৰ মৃত্যু হ’ল, কিন্তু এইবাৰ ব্যৱস্থা নল’লে পৰৱৰ্তী সময়ত আন কোনো লোক হাতীটোৰ আক্ৰমণৰ বলি হ’ব পাৰে বুলিও ৰাইজে আশংকা কৰিছে।

# অসম বিধানসভাৰ সচিব

তেওঁক আধাঘণ্টাৰ ভিতৰত টালি-টোপোলা বান্ধি কাৰ্যালয় এৰি যাবলৈ কোৱা হয়। তাৎক্ষণিকভাৱে অতিৰিক্ত সচিব ৰাজীৱ ভট্টাচাৰ্যক সচিবৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। দুলাল পেগুৰ বিৰুদ্ধে অভিযোগ যে তেওঁ পূৰ্বৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ ছত্ৰছায়াত ব্যাপক অনিয়ম সংঘটিত কৰিছিল। ইতিমধ্যে অৱসৰ প্ৰাপ্ত হোৱাৰ পাছতো ২০২৪ চনৰ ৩১ জানুৱাৰীত ৰহস্যজনকভাৱে তেওঁৰ কাৰ্যকাল দুবছৰ বৃদ্ধি কৰি দিয়া হৈছিল। তাৰ পাছতো জানুৱাৰী মাহত বৰ্ধিত কাৰ্যকাল শেষ হোৱাৰ পাছত পুনৰ ছয় মাহৰ বাবে অহা জুলাই মাহলৈকে তেওঁৰ কাৰ্যকাল বৃদ্ধি কৰিছিল পূৰ্বৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। সচিব হিচাপে থকা সময়ত দুলাল পেগুৱে পূৰ্বৰ অধ্যক্ষৰ সহায়ত বিধানসভা সচিবালয়ত নিযুক্তিৰ ক্ষেত্ৰতো ব্যাপক অনিয়ম কৰা বুলি অভিযোগ ওলাইছে।

# চন্দ্ৰত স্থায়ী মানৱ ঘাটি

মেৰু অঞ্চলত কেবা শত বৰ্গমাইল জুৰি মানৱ বসতিৰ বাবে এক চিৰস্থায়ী আস্থান প্ৰতিষ্ঠা কৰা। নাছাৰ প্ৰশাসক জাৰেড আইজ্যাকমেনে এক সংবাদ সন্মেলনত কয়, “এই চন্দ্ৰ ঘাটিটো হ’ব মানৱজাতিৰ বাবে অন্য এক মহাজাগতিক জগতত প্ৰথমটো স্থায়ী আস্থান। ই মহাকাশ বিজ্ঞানৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিব।” নাছাৰ এই ঐতিহাসিক প্ৰয়াসত ব্যৱহাৰ কৰা হ’ব একাধিক অত্যাধুনিক প্ৰযুক্তি। ইয়াৰ ভিতৰত আছে ৰবটিক লেণ্ডাৰ, লুনাৰ টেৰেইন ভেহিকেল (মুন বাগি) আৰু হপিং ড্ৰোন। এই আন্তঃগাঁথনিৰ জৰিয়তে কেৱল চন্দ্ৰত আমেৰিকাৰ নেতৃত্ব সুনিশ্চিত কৰাই নহয়, ভৱিষ্যতে মঙল গ্ৰহলৈ মানৱ অভিযান প্ৰেৰণৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তিগত অভিজ্ঞতা আহৰণ কৰা হ’ব। নাছাই এই অভিযানৰ বাবে ব্যক্তিগত খণ্ডৰ কোম্পানীসমূহৰ সৈতে হাত মিলাইছে। জেফ বেজ’ছৰ ‘ব্লু অৰিজিন’, ‘ইনটুইটিভ মেচিনছ’, ‘এষ্ট্ৰৱ’টিক’, ‘এষ্ট্ৰোল্যাব’ আৰু ‘লুনাৰ আউটপ’ষ্ট’ৰ দৰে প্ৰতিষ্ঠানক প্ৰয়োজনীয় যন্ত্ৰপাতি আৰু বাহন নিৰ্মাণৰ দায়িত্ব প্ৰদান কৰা হৈছে। ইয়াৰ লগতে এইবছৰৰ শেষৰ ফালে ‘মুন বেচ I, II আৰু III’ নামেৰে তিনিটা মানৱবিহীন চন্দ্ৰ অভিযান পৰিচালনাৰো পৰিকল্পনা আছে। চন্দ্ৰৰ দক্ষিণ মেৰু অঞ্চলক বিজ্ঞানীসকলে চন্দ্ৰৰ অন্যতম পুৰণি আৰু গুৰুত্বপূৰ্ণ ভূখণ্ড হিচাপে চিহ্নিত কৰিছে। এই অঞ্চলত অৱস্থিত ‘দক্ষিণ মেৰু-এইটকেন বেচিন’ সৌৰজগতৰ আটাইতকৈ ডাঙৰ আৰু পুৰণি প্ৰভাৱিত বেচিনসমূহৰ অন্যতম। এই অঞ্চলৰ পৰা সংগ্ৰহ কৰা তথ্য আৰু নমুনাই চন্দ্ৰৰ প্ৰাৰম্ভিক ইতিহাস আৰু পৃথিৱী-চন্দ্ৰ ব্যৱস্থাৰ বিৱৰ্তন সম্পৰ্কে নানান গুৰুত্বপূৰ্ণ সূত্ৰ উন্মোচন কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। নাছাৰ এই ডাঙৰ ঘোষণাৰ মাজতে বিশ্বৰ অন্যান্য মহাকাশ শক্তিৰ লগতে ভাৰত আৰু চীনেও চন্দ্ৰ অভিযানত নিজা লক্ষ্য স্থিৰ কৰি আগবাঢ়িছে। ভাৰতে ২০২৭ চনৰ ভিতৰত প্ৰথমখন স্বতন্ত্ৰ মানৱচালিত মহাকাশ অভিযান ‘গগনযান’ প্ৰেৰণৰ লগতে ২০২৮ চনৰ ভিতৰত ‘চন্দ্ৰযান’ কাৰ্যসূচীৰ অধীনত মানৱচালিত চন্দ্ৰ অভিযান সম্পন্ন কৰাৰ লক্ষ্য লৈছে। দীৰ্ঘম্যাদী পৰিকল্পনা অনুসৰি, ২০৪০ চনৰ ভিতৰত চন্দ্ৰৰ মাটিত ভাৰতীয় মহাকাশচাৰী অৱতৰণ কৰোৱাৰো পৰিকল্পনা আছে। ইতিমধ্যে ভাৰতে নাছাৰ ‘আৰ্টেমিছ একৰ্ডছ’-ত অংশগ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ সহযোগিতাত নিজৰ স্থান সুনিশ্চিত কৰিছে। ইপিনে চীনে ২০৩০ চনৰ ভিতৰত চন্দ্ৰত নিজৰ মানৱ অভিযান প্ৰেৰণৰ লক্ষ্য স্পষ্টভাৱে নিৰ্ধাৰণ কৰিছে। শেহতীয়াকৈ তেওঁলোকৰ ‘শ্বেনঝৌ-২৩’ মিছনৰ জৰিয়তে টিয়াংগং মহাকাশ কেন্দ্ৰলৈ মহাকাশচাৰী প্ৰেৰণ কৰি চীনে নিজৰ সামৰ্থ্য্য পুনৰ প্ৰমাণ কৰিছে। এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা আৰু সহযোগিতাৰ মাজতে নাছাৰ চন্দ্ৰ ঘাটি নিৰ্মাণ প্ৰকল্পই মহাকাশ বিজ্ঞানৰ ক্ষেত্ৰত এক নতুন যুগৰ পাতনি মেলিছে। মানৱ সভ্যতাৰ বাবে চন্দ্ৰ এতিয়া আৰু কেৱল পৰ্যবেক্ষণৰ স্থান নহৈ থাকিল, ই হৈ পৰিছে আমাৰ বিস্তাৰিত উপনিবেশ স্থাপনৰ প্ৰথম পদক্ষেপ।

# ১৯৭২ চনৰ পৰা মই কংগ্ৰেছৰ নিমখ খাইছো,

পুনৰুদ্ধাৰ আৰম্ভ হ’ব।” পৰাজয়ৰ পাছত দল ত্যাগ কৰাৰ সম্ভাৱনা নাকচ কৰি শইকীয়াই কয় যে তেওঁ ১৯৭২ চনৰ পৰাই কংগ্ৰেছৰ আদৰ্শৰ সৈতে জড়িত আৰু এই আনুগত্য চিৰদিন অটুট থাকিব। “যিসকলে মোৰ দল সলনি বা বিজেপিত যোগদানৰ উৰাবাতৰি বিয়পাইছে, তেওঁলোকক মই স্পষ্টকৈ কৈ দিওঁ যে মই কেতিয়াও কংগ্ৰেছ ত্যাগ নকৰো। মোৰ ভয় খাবলগীয়া একো নাই, আৰু বিজেপিলৈ যোৱাৰ কোনো প্ৰশ্নই নাই।” শইকীয়াই স্বীকাৰ কৰে যে দলৰ পৰাজয়ত সকলো কংগ্ৰেছ কৰ্মী দুখিত। তেওঁ কয়, “বিধানসভা নিৰ্বাচনত পৰাজয়ৰ কাৰণসমূহ আমি নিশ্চিতভাৱে বিশ্লেষণ কৰিম। ফলাফলক আমি বিনম্ৰতাৰে গ্ৰহণ কৰিছো। দলৰ হাইকমাণ্ডে মোক যি দায়িত্ব অৰ্পণ কৰিব, সেয়া এজন নিষ্ঠাবান কৰ্মী হিচাপে পালন কৰিম।” তেওঁ লগতে কয় যে চৰকাৰৰ দুৰ্নীতি, বিশেষকৈ পানীযোগান আঁচনিৰ কেলেংকাৰী তথা বিজেপিৰ তথাকথিত ‘ৱাছিং মেচিন’ৰ ৰাজনীতিৰ বিৰুদ্ধে কংগ্ৰেছৰ সংগ্ৰাম অব্যাহত থাকিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেৱব্ৰত শইকীয়াই বিজেপিত যোগদান কৰিব বুলি কৰা মন্তব্যৰ প্ৰত্যুত্তৰ দি শইকীয়াই কয়, “মুখ্যমন্ত্ৰীয়ে নিজেই আগতে কংগ্ৰেছ ত্যাগ কৰি দিল্লী গৈ আৰ এছ এছৰ শাখাত যোগ দিয়ে আৰু পৰম শান্তি পোৱা বুলি টুইট কৰে। কিন্তু মই তেনেকুৱা নকৰো। তেওঁ কেলেংকাৰীৰ পাছত ৱাছিং মেচিনত সোমাই বাচি থাকিবলৈ চেষ্টা কৰে। মোৰ তেনে প্ৰয়োজন নাই।” শইকীয়াই উল্লেখ কৰে যে পূৰ্বতে প্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী থাকোঁতে তেওঁৰ বিৰুদ্ধে পশুখাদ্য কেলেংকাৰীৰ চিবিআই তদন্ত দিয়া হৈছিল, কিন্তু এতিয়াও ন্যায় হোৱা নাই। “মই ১৯৯৮ চনৰ পৰা চৰকাৰী নিগ্ৰাহৰ সন্মুখীন হৈ আছো, গতিকে মোৰ একো ভয় নাই।” ভূপেন বৰাই নিজকে বিজেপিৰ ‘চোৰাংচোৰা’ বুলি দিয়া মন্তব্যৰ প্ৰসংগত শইকীয়াই কয়, “ওচাৰাংচোৰাৰ কাম শেষ হ’লে তেওঁ গুচি যায়। কিন্তু মই কেতিয়াও চোৰাংচোৰা নহওঁ।” প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইনৰ বিজেপিত যোগদান প্ৰসংগত শইকীয়াই কয় যে তেওঁৰ নিজৰ কাম আছে আৰু তেওঁ সক্ৰিয়ভাৱে ৰাইজৰ সেৱা কৰি যাব। “প্ৰদ্যুৎ বৰদলৈ বিজেপিলৈ যোৱাত মই সাঁথৰ খালো। তেওঁলোকৰ নিজা ইচ্ছা থাকিব পাৰে, কিন্তু মই কেতিয়াও কেলেংকাৰী নহয়।” নতুনকৈ নিৰ্বাচিত কংগ্ৰেছ বিধায়িনী দলৰ নেতাৰ প্ৰসংগত শইকীয়াই কয় যে তেওঁ এই সিদ্ধান্তক স্বাগতম জনায়। “মই ভাল পাওঁ যে দলটোৱে এগৰাকী অভিজ্ঞ নেতাক এই দায়িত্ব দিছে। তেওঁ নিশ্চয় দলক শক্তিশালী কৰিব।” শইকীয়াই পুনৰ পুনৰ কয় যে তেওঁ জনসাধাৰণৰ মাজত আছে আৰু সদায় তেওঁলোকৰ বাবে কাম কৰি যাব। কংগ্ৰেছৰ পুনৰুদ্ধাৰৰ বাবে তেওঁ আটাইতকৈ আগভাগত থাকি যুঁজ দিব।

# পিএম আৱাস যোজনাৰ অধীনত ১২খন ৰাজ্যৰ বাবে

অধ্যক্ষতাত অনুষ্ঠিত এই অনুষ্ঠানত অসম চৰকাৰৰ তৰফৰ পৰা গুৱাহাটীস্থিত নিজ কাৰ্যালয়ৰ পৰা ভিডিঅ’ কনফাৰেন্সৰ জৰিয়তে অংশগ্ৰহণ কৰে ৰাজ্যিক তথ্য আৰু জনসংযোগ উপদেষ্টা অতুল বৰাই। সন্মানীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ‘সকলোৰে বাবে বাসস্থান’ সুনিশ্চিত কৰাৰ লক্ষ্যৰে নিৰন্তৰভাৱে কাম কৰি আহিছে। গ্ৰামাঞ্চলৰ পৰিয়ালসমূহলৈ সন্মানজনক আৰু স্থায়ী বাসগৃহ প্ৰদান কৰি তেওঁলোকৰ জীৱনধাৰণৰ মান উন্নীতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই আঁচনি জৰিয়তে নিৰন্তৰ প্ৰয়াস চলাই আছে। অসমৰ বাবেও প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) এক ৰূপান্তৰকাৰী আঁচনি হিচাপে পৰিগণিত হৈছে। এই আঁচনিখনে ৰাজ্যজুৰি লাখ লাখ গ্ৰাম্য পৰিয়াললৈ আশাৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কেৱল হিতাধিকাৰীসকলৰ আৰ্থ-সামাজিক মান উন্নত কৰাই নহয়, এই অভিলাষী আঁচনিখনে গ্ৰাম্য আন্তঃগাঁথনি আৰু উন্নয়ন শক্তিশালী কৰাৰ দিশতেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্বত ৰাজ্য চৰকাৰেও জনসাধাৰণৰ কল্যাণ আৰু উন্নয়ন সাধনৰ বাবে আঁচনিখনৰ ফলপ্ৰসূ ৰূপায়ণ সুনিশ্চিত কৰাৰ দিশত সমৰ্পিতভাৱে কাম কৰি আছে। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে সমন্বয় ৰাখি গ্ৰাম্য পৰিয়ালসমূহলৈ বাসগৃহ প্ৰদানৰ কাম দ্ৰুতগতিত আগবঢ়াই নিছে। উক্ত অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰী চন্দ্ৰশেখৰ পেম্মাস্বাণী ডাঙৰীয়া, বিভিন্ন ৰাজ্যৰ মাননিয় গ্ৰামোন্নয়ন মন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। মুকলি কৰা এই অনুদানৰ দ্বাৰা দেশৰ বিভিন্ন প্ৰান্তৰ গ্ৰাম্য পৰিয়ালে নিজৰ বাসগৃহ নিৰ্মাণৰ বাবে আৰ্থিক সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে। অতুল বৰাই পোষ্টযোগে জানিবলৈ দিয়া মতে, এই আঁচনিখনে অসমৰ গ্ৰাম্য বিকাশৰ চক্ৰটো দ্ৰুতগতিত ঘূৰাই নিব আৰু ৰাজ্যখনৰ প্ৰত্যেক গৰাকী নাগৰিকৰ বাবে নিজা বাসগৃহৰ সপোন সাকাৰ কৰাত সহায়ক হ’ব।

# জনগণৰ দুৰ্গতি মোচন আৰু ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন

শিৰ ফুলি যোৱাকৈ বক্তৃতাৰ ফুলজাৰি মাৰে ৰাইজৰ স্বয়ম্ভু নেতা আৰু ৰাইজৰ প্ৰতিনিধি সকলে। বিৰোধীৰ দলসমূহে শাসনাধিষ্ঠ দলৰ মন্ত্ৰী-বিধায়ক সকলৰ কামৰ নমুনা উজাৰি পাৰ্যমানে গালি-গালাজ পৰাৰ লগতে কঠোৰ ভাষাৰে সমালোচনা কৰা, কুৎসা ৰচনা কৰা আৰু চৰিত্ৰ পৰ্যন্ত হনন কৰা কাৰ্যত ব্যস্তপ্ৰায় হৈ পৰে। ইফালে ৰাজ্যখনৰ বিধায়ক সকলৰ নিজ নিজ সমষ্টি বিশেষৰ উন্নয়নৰ নামত শূন্য অৱস্থাৰ পৰা অধিক উন্নতি আৰু উদগতি লভাৰ ক্ষেত্ৰত প্ৰায় লেহেমীয়া গতিহে দেখা পোৱা যায়। এইটো জনসাধাৰণৰ বাবে চৰম দুৰ্ভাগ্যৰ বিষয়।

এতিয়া আমাৰ কথা হৈছে নিৰ্বাচন হ’ল, শাসনাধিষ্ঠ পূৰ্বৰ দলটিয়ে পুনৰ এখন চৰকাৰ গঠন কৰিলে। যোৱা ২১ মে’ তাৰিখৰ পৰা নৱগঠিত অসম বিধানসভাখনৰ প্ৰথম অধিৰেশনখনো আৰম্ভ হ’ল। সপ্তাহজোৰা কাৰ্যসূচী প্ৰস্তুতিকৰণেৰে বিধানসভাৰ প্ৰাৰম্ভিক কাৰ্য ক্ৰমণিকাবোৰো ৰূপায়ণ কৰা হৈছে। বিধায়িনী দল বা বিৰোধী পক্ষসমূহৰ বিধায়কসকলেওজন উন্নয়নৰ বাবে বহু বহু ধন-বিতৰ আবণ্টন পায়। চলিত বা নৱগঠিত বিধায়ক আৰু মন্ত্ৰীমণ্ডলীয়ে বহু বহু ধন ৰাইজৰ সেৱাৰ নামত লাভ কৰিছে। ৰাইজক নিৰ্বাচনৰ প্ৰাকক্ষণত যি যিবোৰ প্ৰতিশ্ৰুতি দি সমৰ্থন আদায় কৰি ভোট যুঁজৰ বৈতৰণী পাৰ হৈ গৈ বিধান পৰিষদৰ মছনদ দখল কৰাৰ সুবিধা লাভ কৰিছে, সঁচা কথা কবলৈ গ’লে ৰাইজে আৰু এতিয়া নিজ নিজ অভাৱ-অভিযোগৰ সহায় বা সমাধান বিচাৰি মন্ত্ৰী-বিধায়কৰ বাসগৃহত গৈ অনুনয়-বিনয় বা বিপ-ৰ-বিক্ষোভ আদি কৰি ফুৰিব লগা অৱস্থা হ’ব নেলাগে। সময়ত যেনে প্ৰতিশ্ৰুতিৰ আশ্বাস দি নিজ নিজ জয়যাত্ৰাৰ মাত্ৰা পূৰণ কৰিছিল, এতিয়া সেইসকল জননেতাই ৰাইজৰ ঘৰে ঘৰে কৃতজ্ঞতাৰে মাত একোষাৰ মাতি অভাৱ-অনাটনৰ বুজ লোৱাটোহে একান্ত কৰণীয়।

স্মৰ্তব্য যে অসমৰ জনসাধাৰণৰ মাজত অভাৱ-অনাটনৰ কোনো লেখ-জোখ নাই। থকা ঘৰ, খোৱা পানী, নলা-নৰ্দমা, ৰাস্তা-ঘাট, যান-বাহন, অনুষ্ঠান-প্ৰতিষ্ঠান, দলং-সেতু, খেতি-বাতি, মাটি-ভেঁটি, বিজুলী বাতি, খেলপথাৰ, বিনোদন-উদ্যান, খেলা-ধূলাৰ সা-সামগ্ৰী, উন্নত শইচৰ বীজ, জলসিঞ্চনৰ বিধি-ব্যৱস্থা, শিক্ষিত নিবনুৱাৰ চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্যৰ বাবে উপযুক্ত মূলধন, চিকিৎসালয় বা চিকিৎসা ব্যৱস্থা আদিকে মুখ্য কৰি জনসাধাৰণৰ সততে প্ৰয়োজন হোৱা নানা তৰহৰ প্ৰয়োজনীয় সা-সুবিধা - এইবোৰ আমাৰ চৌপাশত জিলিকি থকা কেতবোৰ নাটনি-তালিকা অসম ৰাজ্যত বসবাস কৰি থকা ভিন্ন জনগোষ্ঠী, সম্প্ৰদায়, ভাষা-ভাষী, ধৰ্ম-বৰ্ণৰ মানুহে এশ এবুৰি বা শত হাজাৰটা দীনতাত ভুগি কাল অতিক্ৰম কৰি থাকিবলগীয়া হৈছে। এইসকলৰ দীৰ্ঘদিনীয়া দুৰ্গতি মোচনাৰ্থে মাত মাতিবলৈ, সহায়-সহযোগিতাৰে কৰ্ম কৰি নি: স্বাৰ্থভাৱে সেৱা-শুশ্ৰূষা কৰিবলৈ সেইসকল বৰমূৰীয়া লোকে পানী-বোকা খচি মৰম-আদৰেৰে মাত একাষাৰ মাতি দুখৰ সমভাগি হৈ কোনোবা আগবাঢ়ি আহিবনে? আমাৰ ৰাজ্যখনৰ বহু বহু দুৰ্গত অঞ্চলৰ জনগণৰ মাজত দুৰ্দশাগ্ৰস্ততাত ভুগি থকা ৰাইজৰ জীৱন-যাপন প্ৰণালীত মাথোঁন একেখনেই ছবি, যিখন ছবিৰ স্থিতিকাল সৰ্বতিকালে একেই ৰূপত পৰ্যবসিত। বানপানীৰ সমস্যা, পাহাৰ-পৰ্বত খহনৰ সমস্যা, প্ৰাকৃতিক দুৰ্যোগ যেনে - বতাহ-বৰষুণৰ অন্তত বিধ্বস্তপ্ৰায় অৱস্থাৰ স্থায়ী উন্নয়ন বা সমাধানৰ বিধি-ব্যৱস্থাত অঞ্চল বিশেষৰ অৱস্থা আজিও ধৰাশায়ী।

চৰকাৰ আহিছে আজি আকৌ নতুন ৰূপত, আঁচনি হ’য়তো লব নৱ নৱ চিন্তা-পৰিকল্পনাৰে। সম্প্ৰতি অসমৰ ৰাইজ অতি আগ্ৰহী, উৎসাহী আৰু আশাবাদী। পূৰ্বৰ চৰকাৰে ইস্তাহাৰত উল্লেখ কৰা মতে, প্ৰায়বোৰ অভাৱ-অনাটনৰে বুজ ল’ব আৰু সৰ্বজনৰে উন্নতিকল্পে নি: স্বাৰ্থভাৱে কাম কৰিব আৰু সামূহিক উন্নয়নৰ সুবিমল পথৰ সন্ধান দিব, দেশৰ হকে কাম কৰি যাব। দেশ বা ৰাজ্য একোখনৰ সৰ্বমঙ্গলৰ স্বাৰ্থত ৰাইজৰ প্ৰতিনিধি, বিভাগীয় কৰ্তৃপক্ষ আদিবোৰে যদিহে একান্ত নিষ্ঠা-আন্তৰিকতা আৰু নৈতিক দায়-দায়িত্বৰে কৰ্মসেৱাত মনোনিৱেশ কৰে, তেতিয়া আমাৰ প্ৰজাগণ আৰু জনগণৰ নিতান্তই লাভ নোহোৱাকৈ নাথাকে। এটা কথা ঠিক যে, ৰাজ্যখনৰ খাটিখোৱা জনতাই যদিহে অন্তকৰণেৰে সেৱা কাৰ্যত প্ৰতিপক্ষই আত্মনিয়োগ কৰে, তেতিয়া আমি ভাবোঁ আমাৰ অসমৰ চিৰসুখ, চিৰশান্তি আৰু চিৰ উন্নয়নৰ পথ প্ৰশস্ত হৈ পৰিব নিশ্চয়।

# শংকৰদেৱক পশ্চিমবংগত

যে ৰঞ্জিত কুমাৰ দাসে এইবাৰ দ্বিতীয়বাৰৰ বাবে অসম বিধানসভাৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰিছে। লগতে নৱগঠিত ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। এই উপলক্ষে তেওঁ সংবাদ মাধ্যমৰ আগত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অধ্যক্ষ দাসে কয়, “ভগৱান শ্ৰীকৃষ্ণৰ পাছত শংকৰদেৱেই হৈছে চৌষষ্ঠি কলাৰ অধিকাৰী। কিন্তু দুখৰ বিষয় যে এই মহান সংস্কাৰকজনক পশ্চিমবংগত চিনি নাপায়। মই গুৰুজনাৰ জন্মস্থান বটদ্ৰৱালৈ আশীৰ্বাদ ল’বলৈ আহিছো। ইয়াৰ জৰিয়তে আমি সমগ্ৰ দেশত শংকৰদেৱৰ কৃষ্টি-সংস্কৃতি প্ৰচাৰ কৰাৰ বাবে শক্তি আৰু অনুপ্ৰেৰণা লাভ কৰিম।” অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে দুলাল পেগু অপসাৰণ সন্দৰ্ভত মন্তব্য আগবঢ়াই। যদিও তেওঁ স্পষ্টকৈ কোনো বিৱৰণ দিয়া নাই, কিন্তু তেওঁৰ মন্তব্যত এই অপসাৰণ যুক্তিসংগত আৰু বিধিসন্মত বুলি ইংগিত পোৱা গৈছে। তেওঁ এই সন্দৰ্ভত অধিক বিৱৰণ পাছত দিব বুলি জানিবলৈ দিয়ে। অধ্যক্ষগৰাকীয়ে চৰকাৰৰ প্ৰতি এক গুৰুত্বপূৰ্ণ আহ্বান জনায়। তেওঁ কয়, “অসমৰ সত্ৰসমূহৰ ভূমি যাতে পুনৰ বেদখলকাৰীসকলে বেদখল কৰিব নোৱাৰে, তাৰ বাবে তৎক্ষণাৎ আইন প্ৰণয়ন কৰিব লাগে। বহু সত্ৰৰ ভূমি অতিৰিক্তভাৱে দখল হৈ আছে। চৰকাৰে সত্ৰসমূহৰ ভূমিৰ সুৰক্ষা নিশ্চিত কৰিব লাগে।” তেওঁ লগতে কয় যে এইক্ষেত্ৰত প্ৰশাসনক অধিক সক্ৰিয় হ’ব লাগে আৰু বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সত্ৰসমূহ অসমৰ সাংস্কৃতিক পৰিচয়ৰ অংগ, সেয়ে ইয়াৰ সংৰক্ষণ চৰকাৰৰ প্ৰথম অগ্ৰাধিকাৰ হোৱা উচিত। বটদ্ৰৱা থানত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ আগমনৰ লগে লগে স্থানীয় ভক্ত-পূজক আৰু সত্ৰৰ বাসিন্দাসকলৰ মাজত এক শুভ পৰিবেশ সৃষ্টি হয়। তেওঁ কিছু সময় কীৰ্তনঘৰত প্ৰাৰ্থনা কৰি গুৰুজনাৰ কৰুণা ভিক্ষা কৰে। পাছত তেওঁ সত্ৰৰ জ্যেষ্ঠ সত্ৰীয়া আৰু সাধু-সকলৰ সৈতে মত বিনিময় কৰে। অধ্যক্ষ দাসৰ এই পদক্ষেপক বহুতে শংকৰী সংস্কৃতি প্ৰচাৰৰ বাবে এক ইতিবাচক আৰম্ভণি বুলি অভিহিত কৰিছে।

# ‘গঁড় হত্যা শূন্য’ অভিলেখেৰে কাজিৰঙাৰ পৰ্যটন বৰ্ষৰ

সমাপ্ত কৰিব পৰা গৈছে। দ্বিতীয়টো সফলতা হৈছে পৰ্যটকৰ আগমনত নতুন অভিলেখ স্পৰ্শ কৰা। বাতৰি অনুসৰি, ২০২৫-২৬ পৰ্যটন বৰ্ষত ৪ লাখ ৭০ হাজাৰতকৈও অধিক দেশী আৰু বিদেশী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰে। এই সংখ্যাই পূৰ্বৰ সকলো ৰেকৰ্ড ভংগ কৰিছে। পৰ্যটকৰ এই অভূতপূৰ্ব সমাগমে কাজিৰঙাৰ বিশ্বজনীন আকৰ্ষণ পুনৰবাৰ প্ৰমাণ কৰিলে। ইফালে, আগন্তুক বানপানীৰ সময়ছোৱালৈ লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ সজাগ হৈ উঠিছে। ডি এফ অ’ অৰুণ ভিগ্নেশে জানিবলৈ দিয়া মতে, বানপানীৰ সময়ত বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰিবলৈ কাজিৰঙাৰ কাষেৰে যোৱা ৰাজপথসমূহত এইবাৰ অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। বন বিভাগে প্ৰকাশ কৰা মতে, বানৰ সময়ত জীৱ-জন্তুৰ সুৰক্ষাৰ বাবে যানবাহনৰ গতি নিয়ন্ত্ৰণ, নিৰীক্ষণ বৃদ্ধি আৰু বনকৰ্মীৰ তৎপৰতা অধিক জোৰদাৰ কৰা হ’ব। কাজিৰঙাৰ পৰ্যটন বৰ্ষ সামৰণি পৰাৰ লগে লগে বন বিভাগৰ বাবে এতিয়া মূল লক্ষ্য হৈছে বানপানীৰ প্ৰাকৃতিক প্ৰত্যাহ্বানৰ মাজতো একশৃংগী গঁড়কে ধৰি বন্যপ্ৰাণীবোৰৰ সুৰক্ষা নিশ্চিত কৰা। পৰ্যটন বৰ্ষৰ সাফল্যই আশা জগাইছে যে বানপানীৰ সময়তো বিভাগটো সফলতাৰে মোকাবিলা কৰিব সক্ষম হ’ব।

# বঙাইগাঁও জিলাত HPV টিকাকৰণ আৰু ১০০ দিনীয়া যক্ষ্মা অভিযানৰ অগ্ৰগতিৰ পৰ্যালোচনা

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৮ মে'** ঃবঙাইগাঁও জিলা স্বাস্থ্য সেৱা যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত আজি এইচপিভি টিকাকৰণ কাৰ্যসূচীৰ অগ্ৰগতি আৰু ১০০ দিনীয়া যক্ষ্মা অভিযানৰ দ্বিতীয় পৰ্যায়ৰ এখন সংবাদ মেল অনুষ্ঠিত হয়। এই সংবাদমেল সদৰি কৰে স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ গোপাল চন্দ্ৰ ৰায়ে। সভাত উপস্থিত থাকে জিলা টিকাকৰণ বিষয়া ডাঃ বীৰেন শৰ্মা, জিলা যক্ষ্মা বিষয়া ডাঃ প্ৰণৱ ৰয় আৰু বঙাইগাঁও খণ্ড মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ অনুপম শৰণীয়া ৰ লগতে জিলা আঁচনি প্ৰবন্ধক সংগীতা সিং আৰু প্ৰচাৰ মাধ্যম বিশেষজ্ঞ সঙ্গীতা দাস। উল্লেখযোগ্য বিষয় জিলা টিকাকৰণ বিষয়াজনে অৱগত কৰে যে বঙাইগাঁও জিলাত এইচপিভি টিকাকৰণৰ বাবে মুঠ লক্ষ্য কৰা হিতাধিকাৰী হৈছে ৮১১২গৰাকী ছোৱালী, যাৰ ভিতৰত ৪৩৯৫ গৰাকী ছোৱালীক ইতিমধ্যে টিকাকৰণ কৰা হৈছে আৰু এতিয়ালৈকে ৫৪ শতাংশ টিকাকাৰণ সম্পন্ন কৰা হৈছে। তেওঁ কয় যে যিহেতু এইচপিভি টিকাকৰণ অভিযান ২০২৬ চনৰ ৩১ মে'ত সমাপ্ত হব। সেয়েহে বাকী সকলো যোগ্য ছোৱালী আৰু তেওঁলোকৰ পিতৃ-মাতৃক অতি সোনকালে নিকটতম টিকাকৰণ কেন্দ্ৰত গৈ টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ লগত সংগতি ৰাখি ডাঃ অনুপম শৰণীয়া ই এইচপিভি টিকাকৰণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি কয় যে এই টিকাই মহিলাসকলৰ মাজত চাৰ্ভিকেল কৰ্কট ৰোগ প্ৰতিৰোধ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু কিশোৰীসকলৰ বাবে এক স্বাস্থ্যকৰ ভৱিষ্যত নিশ্চিত কৰে। তেওঁ লগতে পিতৃ-মাতৃ আৰু অভিভাৱকসকলক তেওঁলোকৰ কন্যাৰ সুৰক্ষা আৰু কল্যাণৰ বাবে টিকাকৰণ কাৰ্যসূচীক সক্ৰিয়ভাৱে সমৰ্থন কৰিবলৈ আহ্বান জনায়। লগতে ১০০ দিনীয়া যক্ষ্মা অভিযানৰ দ্বিতীয় পৰ্যায়ৰ সন্দৰ্ভত, জিলা যক্ষ্মা বিষয়া ডাঃ প্ৰণৱ ৰয়ে অৱগত কৰে যে সমগ্ৰ জিলাত চলি থকা যক্ষ্মা পৰীক্ষা অনুষ্ঠিত কৰা হয়। ইয়াৰ ভিতৰত প্ৰায় ৩৪০০জন সন্দেহজনক যক্ষ্মা ৰোগী চিনাক্ত কৰা হৈছে যাৰ ফলত এতিয়ালৈ ১৪৩জন যক্ষ্মা পজিটিভ ৰোগী চিনাক্ত কৰা হয়। জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ গোপাল চন্দ্ৰ ৰায়ে সকলো অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত এইচ পি ভি টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাই উল্লেখ কৰি কয় যে ব্যক্তিগত চিকিৎসালয়ত এই ভেকচিন অতি ব্যয়বহুল কিন্তু চৰকাৰী কাৰ্যসূচীৰ অধীনত বিনামূলীয়াকৈ প্ৰদান কৰা হৈছে। সেয়েহে তেওঁ লগতে যক্ষ্মা ৰোগৰ আগতীয়াকৈ চিনাক্তকৰণ আৰু সঠিক চিকিৎসাৰ বাবে চৰকাৰী স্বাস্থ্যসেৱা সুবিধা লাভ কৰিবলৈ নাগৰিকসকলক অনুৰোধ জনায়। তেওঁ লগতে কয় যে সজাগতা আগতীয়াকৈ চিনাক্তকৰণ আৰু সময়মতে চিকিৎসাৰ সুবিধাৰ দ্বাৰা সমাজৰ পৰা যক্ষ্মা নিৰ্মূল কৰিব পাৰি। যিহেতু স্বাস্থ্য বিভাগে ৰাজহুৱা স্বাস্থ্য সেৱা শক্তিশালী কৰিবলৈ আৰু সমাজৰ প্ৰতিটো শ্ৰেণীলৈ অত্যাৱশ্যকীয় স্বাস্থ্যসেৱাৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰন্তৰভাৱে কাম কৰি আছে। গতিকে এই সেৱাত সকলো শ্ৰেণীৰ লোকক চৰকাৰ এই সেৱা লবলৈ আহ্বান জনাই প্ৰেছ মেলৰ সামৰণি মাৰে।

## সাঁতোৰ শিকাৰ আন্তঃগাঁথনি নিৰ্মাণৰ দাবীত জনমত গঠনৰ উদ্দেশ্যে তিনিচুকীয়াত অনুষ্ঠিত হ'ল ৰাজহুৱা সভা

# ৰজাদিনীয়া পুখুৰী থকাৰ পিছতো তিনিচুকীয়াত কিয় নাই সাঁতোৰ শিকাৰ ৰাজহুৱা ব্যৱস্থা ?

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ মে'** ঃ যি সময়ত অসমৰ সন্তানে সাগৰ সাঁতুৰি বিশ্বজয় কৰাৰ খবৰ আহিছে, সেই সময়তে তিনিচুকীয়াৰ দৰে এখন গুৰুত্বপূৰ্ণ চহৰত উঠি অহা প্ৰজন্মই সাঁতোৰৰ দৰে এটা জৰুৰী জীৱন ৰক্ষাকাৰী শিক্ষা ল'বলৈ হাঁহাকাৰ কৰিবলগীয়া হৈছে। উপযুক্ত চৰকাৰী বা ৰাজহুৱা আন্তঃগাঁথনিৰ অভাৱত বহু যুৱক-যুৱতীয়ে গুইজান বা অন্যান্য বিপজ্জনক স্থানত সাঁতোৰ শিকিবলৈ গৈ সলিল সমাধি ঘটাৰ দৰে হৃদয়বিদাৰক ঘটনাও ঘটিছে। এই স্পৰ্শকাতৰ বিষয়টোক লৈয়েই মংগলবাৰে তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ আৰু তিনিচুকীয়া একোৱাটিক চচাইটিৰ যৌথ আহ্বানত সমাজৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ জনমত গঠনৰ সভা অনুষ্ঠিত হয়। বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাপতি ড০ জ্যোতিপ্ৰসাদ চলিহা আৰু তিনিচুকীয়া একোৱাটিক চচাইটিৰ উপসভাপতি সঞ্জীৱ সোণোৱালৰ যুটীয়া সভাপতিত্বত এই সভা সম্পন্ন হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণ কাকতিয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে চহৰখনত ব্যক্তিগতভাৱে গঢ়ি উঠা কিছুমান চুইমিং পুলত কেৱল আঢ্যৱন্ত শ্ৰেণীৰ লোকেহে মোটা ধন ভৰি সাঁতোৰ শিকাৰ সুবিধা পাইছে। কিন্তু সাধাৰণ পৰিয়ালৰ সন্তানৰ বাবে কোনো ৰাজহুৱা সুবিধা নাই। অথচ, তিনিচুকীয়াত বহু ৰজাদিনীয়া পুখুৰী অৱহেলিত আৰু পৰিত্যক্ত অৱস্থাত পৰি আছে। তেওঁ আক্ষেপ কৰি কয়— "কথাটো এনেকুৱা হৈছে যে এহাতেদি ভোকত কলমলাই আছে, আনহাতে ভঁৰালত ধান আছে। তাক ভাতলৈ ৰূপান্তৰ কৰাৰ মানসিকতাহে গঢ় লৈ উঠা নাই। "গুৱাহাটীৰ দীঘলী পুখুৰী বা যোৰহাটৰ তিনিকোণীয়া পুখুৰীৰ দৰে তিনিচুকীয়াৰ পুখুৰীবোৰকো যদি উপযুক্তভাৱে চাফ-চিকুণ কৰি সাঁতোৰৰ অনুশীলন কেন্দ্ৰ হিচাপে গঢ়ি তোলা হয়, তেন্তে জিলাখনৰ বহু প্ৰতিভাই দেশৰ নাম উজলাব পাৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰে। সভাৰ অন্যতম আহ্বায়ক তথা বিশিষ্ট সাঁতোৰবিদ জেমচ মৰাণে আৱেগিকভাৱে কয় যে তেওঁ তিনিচুকীয়াৰ সন্তান হ'লেও গুৱাহাটীৰ দীঘলী পুখুৰীত সাঁতুৰিবলৈ সুবিধা পাইছিল বাবেই আজি এই পৰ্যায় পাইছেহি। যোৰহাটে যিটো কথা ৪০ বছৰ আগতেই চিন্তা কৰিছিল, সেই তুলনাত তিনিচুকীয়া আজিও ৪০ বছৰ পিছপৰি আছে। বৰ্তমান যুৱ প্ৰজন্মক ড্ৰাগছ, মদ আৰু ভাঙৰ কবলৰ পৰা আঁতৰাই আনি খেলৰ জৰিয়তে সংস্থাপন দিবলৈ এনে এক পৰিৱেশৰ অত্যন্ত প্ৰয়োজন। সভাত উপস্থিত থকা ডঃ ৰাজীৱ বৰদলৈ, ডঃ সদানন্দ নাথ, ডঃ অচ্যুত বৰঠাকুৰ, অমূল্য খাটনিয়াৰ, উদ্ধৱ চন্দ্ৰ শৰ্মা, প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে নিজ নিজ গুৰুত্বপূৰ্ণ অভিমত দাঙি ধৰে। কেৱল আলোচনাতে আবদ্ধ নাথাকি এই আন্দোলনক এক কাৰ্যকাৰী ৰূপ দিবলৈ সভাত উপস্থিত সকলোকে সদস্য হিচাপে লৈ এখন শক্তিশালী আহ্বায়ক সমিতি গঠন কৰা হয়। এই সমিতিয়ে ক্ৰীড়া সংস্থা, জনগোষ্ঠীয় সংগঠন, বিজ্ঞান মঞ্চ আৰু স্থানীয় যুৱক-যুৱতীসকলৰ সহযোগত জিলা প্ৰশাসন তথা কৰ্তৃপক্ষক এই সমস্যাৰ আশু সমাধানৰ বাবে এক স্মাৰকপত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

## UCC প্ৰত্যাহাৰৰ দাবীত UCCৰ প্ৰতিলিপি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত আমছুৰ

# তেজপুৰত আমছুৰ ৪৬ সংখ্যক কেন্দ্ৰীয় শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৮ মে'** ঃ আজি তেজপুৰ চহৰৰ বাৰিকা চুবুৰীত অৱস্থিত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ শ্বহীদ ভেদিৰ প্ৰাংগণত আমছু শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আৰু তেজপুৰ নগৰ আঞ্চলিক সমিতিৰ সহযোগত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ ৪৬ সংখ্যক শ্বহীদ দিৱস পালন কৰে। শ্বহীদ দিৱস উপলক্ষে আমছুৰ সংখ্যালঘু আন্দোলনত অংশগ্ৰহণ কৰি প্ৰাণ আহুতি দি সৰ্বোচ্চ বলিদান দিয়া শ্বহীদ সকলক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে আৰু চিৰদিনৰ বাবে ঘূণীয়া হোৱা ব্যক্তি সকলৰ আশু আৰোগ্য কামনা কৰে। শ্বহীদ দিৱসৰ কাৰ্য্যসূচী সম্পন্ন কৰি অসম বিধান সভাত উত্থাপন কৰা UNIFORM CIVIL CODE UCC প্ৰত্যাহাৰৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আমছুৰ নেতা কৰ্মী সকলে পথত UCC ৰ প্ৰতিলিপি দাহ কৰাৰ লগতে UCC মানি নলওঁ, UCC প্ৰত্যাহাৰ কৰক আদি শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উক্ত কাৰ্য্যসূচীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি মুয়িদুল ইছলাম, শোণিতপুৰ জিলা সমিতিৰ সভাপতি আফতাব আলম, সাধাৰণ সম্পাদক গুলজাৰ হুছেইনৰ উপৰিও তেজপুৰ নগৰ আঞ্চলিক সমিতিৰ লগতে শোণিতপুৰ জিলাৰ বিভিন্ন আঞ্চলিক সমিতিৰ সহস্ৰাধিক নেতা কৰ্মী উপস্থিত থাকে। আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি মুয়িদুল ইছলাম সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য আগবঢ়াই কয় যে UCC আমি মানি নলওঁ UCC ৰ দ্বাৰা আমাৰ মৌলিক অধিকাৰ খৰ্ব কৰাৰ চেষ্টা কৰা হৈছে। UCC প্ৰত্যাহাৰ কৰক অন্যথা এনে ধৰণৰ প্ৰতিবাদী কাৰ্য্যসূচী আমি ৰূপায়ণ কৰি থাকিম। আমছু শোণিতপুৰ জিলা সমিতিৰ সভাপতি আফতাব আলমে UCC প্ৰত্যাহাৰৰ দাবী জনাই কয় যে সমাজত বহু বিবাহ আৰু বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত আমছুৱে পূৰ্বৰে পৰাই কাম কৰি আহিছে। আমি সকলো জাতি জনগোষ্ঠীক লগত লৈ আমি আগুৱাই যাব বিচাৰোঁ কিন্তু চৰকাৰে সকলো জাতি জনগোষ্ঠীক বাদ দি এটা জাতিক লক্ষ্য কৰি UCC উত্থাপন কৰিছে।

# দৰঙৰ অগ্ৰণী শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ে উদ্‌যাপন কৰিব মহাৰজত জয়ন্তী

**অসম বাৰ্তা, মঙলদৈ, ২৮ মে'** ঃ দৰং জিলাৰ অগ্ৰনী শিক্ষানুষ্ঠান মঙলদৈৰ মহাবিদ্যালয় (স্বায়ত্বশাসিত) এই বৰ্ষত অতিক্ৰম কৰিব গৌৰৱোজ্বল ৭৫ বছৰ। ১৯৫১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে জন্ম লাভ কৰা দৰং জিলাৰ সৰ্বপ্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়ে বিগত সময়ত জিলাখনত উচ্চ শিক্ষাৰ পোহৰ বিলাই ৰাজ্যখনৰ ভিতৰতে এখনি আগশাৰীৰ মহাবিদ্যালয় হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। এই মঙলদৈ মহাবিদ্যালয়ে এই বৰ্ষৰ ২০ চেপ্তেম্বৰ তাৰিখে ভৰি থ'ব ৭৫ বছৰত, তদুপলক্ষে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ খনিৰ মহাৰজত জয়ন্তী উৎসৱ উদযাপন কৰাৰ




সন্দৰ্ভত ৰাজহুৱাভাৱে আলোচনা কৰাৰ লগতে এখনি উদযাপন সমিতি গঠন কৰাৰ উদ্দেশ্যে অহা ৬ জুন তাৰিখে শনিবাৰ দিনৰ ১১ বজাত মঙলদৈ মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখনি সভাৰ আহ্বান কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই জনোৱা মতে, এই সভাত দৰং ওদালগুৰি সংসদীয় সমষ্টিৰ সাংসদ দিলীপ শইকীয়া আৰু মঙলদৈ সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়িকা নীলিমা দেৱীকো আমন্ত্ৰণ জনোৱা হব। উক্ত সভাখনত এই মাধ্যমৰ জৰিয়তেই সকলো লোকক যথা সময়ত উপস্থিত থাকি গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে আহ্বান জনাই।

# গোসাঁইগাঁৱত 'আমছু'ৰ উদ্যোগত শ্বহীদ দিৱস পালন

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৮ মে'** ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ছেৰফাংগুৰীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত শ্বহীদ দিৱস যথাযোগ্য মৰ্যাদাৰে পালন কৰা হয়। অনুষ্ঠানত সংখ্যালঘু মুছলমানৰ জাতি আৰু সমাজৰ হকে আত্মবলিদান দিয়া শ্বহীদসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। শ্বহীদসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট নীৰৱতা পালন কৰাৰ লগতে বিশেষ দোৱা আৰু প্ৰাৰ্থনা অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত সভাত উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক মাজাৰুল ইছলাম, সাংগঠনিক সম্পাদক জাকিৰ হুছেইন, পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজোৱান আলী, সাধাৰণ সম্পাদক ছপিকুল ইছলাম, উপ-সভাপতি মতিউৰ ৰহমান প্ৰধানীকে ধৰি সংগঠনটোৰ বিভিন্ন পদবীধাৰী আৰু কৰ্মীসকল। সভাত বক্তাসকলে শ্বহীদসকলৰ ত্যাগ আৰু আদৰ্শৰ কথা স্মৰণ কৰি সমাজ আৰু জাতিৰ কল্যাণৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে কাম কৰাৰ আহ্বান জনায়। লগতে নতুন প্ৰজন্মক শ্বহীদসকলৰ আদৰ্শ অনুসৰণ কৰি মানৱতা, শিক্ষা আৰু সামাজিক সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়।

# হাজোৰ পুঠিমাৰী নৈত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, হাজো, ২৮ মে'** ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ২নং শৌলমাৰীত আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পুঠিমাৰী নদীৰ বুকুত উদ্ধাৰ হোৱা মৃতদেহটোক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজত কৌতূহল বৃদ্ধি পাইছে। প্ৰাপ্ত তথ্য মতে, আজি পুৱাৰ ভাগত ২ নং শৌলমাৰী গাঁৱৰ সমীপৱৰ্তী পুঠিমাৰী নদীৰ পানী যুৱলিত এটা পুৰুষৰ মৃতদেহ ওপঙি থকা অৱস্থাত একাংশ লোকে প্ৰত্যক্ষ কৰে। নদীৰ বুকুত মৃতদেহ প্ৰত্যক্ষ কৰাৰ পিছতেই স্থানীয় ৰাইজে ততালিকে ঘটনা সন্দৰ্ভত ৰামদিয়া আৰক্ষী চকীক অৱগত কৰে। খবৰ পোৱা মাত্ৰকেই ৰামদিয়া আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয় আৰু পৰিস্থিতিৰ বুজ লয়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে স্থানীয় গাঁও প্ৰধানৰ সহযোগত নদীৰ বুকুৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি পাৰলৈ আনিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, উদ্ধাৰ হোৱা মৃতদেহটো এগৰাকী আনুমানিক ৩৫ বছৰীয়া যুৱকৰ বুলি ধাৰণা কৰা হৈছে। অৱশ্যে মৃত ব্যক্তিগৰাকী কোন অঞ্চলৰ বা কেনে পৰিস্থিতিত তেওঁৰ মৃত্যু ঘটিল, সেই সন্দৰ্ভত বৰ্তমানলৈকে কোনো স্পষ্ট তথ্য লাভ কৰা হোৱা নাই। ইতিমধ্যে ৰামদিয়া আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে ঘটনাৰ প্ৰকৃত ৰহস্য আৰু ব্যক্তিগৰাকীৰ পৰিচয় লাভৰ বাবে এক বিস্তৃত অনুসন্ধান আৰম্ভ কৰিছে।

# জাঁজী জামুগুৰিত অসামাজিক ঘটনা বৃদ্ধি; নিশা নগাৰ আক্ৰমণত আহত ক্ষুদ্ৰ ব্যৱসায়ী; দুৰ্বৃত্তই ভাঙিলে দোকান

**অসম বাৰ্তা, জাঁজী, ২৮ মে'** ঃ শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰিত কেইদিনমানৰ পৰা অসামাজিক কাম বৃদ্ধি হ'বলৈ লৈছে। বিভিন্ন শিক্ষানুষ্ঠান আৰু শিক্ষিত লোকৰ কেন্দ্ৰস্থল এই অঞ্চলত বিভিন্ন সময়ত মানুহৰ ঘৰত চাইকেল, কাঁহীবাটি, ছাগলী আদি চোৰ হোৱাৰ উপৰি মূল্যবান সাঁচি গছ চুৰি হৈছে। বিভিন্ন দোকানৰ পৰা গেচ চিলিণ্ডাৰ চুৰ হৈছে। এনেবোৰ অভিযোগ স্থানীয় আৰক্ষী থানাত অৱগত হৈছে যদিও অদ্যাপি অসামাজিক কামবোৰ ৰোধ কৰিব পৰা নাই। যোৱা ২৪ মে'ৰ নিশা নগাৰ আক্ৰমণত এজন চাহ দোকানী আহত হোৱা আৰু এজন ব্যৱসায়ীৰ শাকপাচলিৰ দোকান কোনো অচিনাক্ত দুৰ্বৃত্তই লণ্ডভণ্ড কৰাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে যোৱা নিশা প্ৰায় ১০: ৩০ বজাত জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা এখন চাহদোকানত প্ৰৱেশ কৰা চাৰিজন নগাৰ এজনে চাহদোকানী এজনক এটা বটলেৰে অতৰ্কিতে মূৰত আক্ৰমণ কৰে। ঘটনা সংঘটিত কৰিয়েই উন্মাদ প্ৰকৃতিৰ নগালোকজনে ঘটনাস্থলীৰ পৰা পলায়ন কৰি স্থানীয় এঘৰত প্ৰৱেশ কৰাৰ চেষ্টা কৰাত স্থানীয় লোকে আটক কৰি আৰক্ষীক খবৰ দিয়ে। আনহাতে গৌৰীসাগৰ আৰক্ষী উপস্থিত হৈ সকলোকে নিজৰ জিম্মাত লয়। ইফালে ধৃত নগালোকজনক আৰক্ষীৰ হাতত গটাই দিয়াত আগভাগ লোৱা তন্ময় দুৱৰা নামৰ যুৱকজনৰ জাঁজী জামুগুৰিত থকা শাক-পাচলিৰ দোকানখন উক্ত নিশাই কোনো দুৰ্বৃত্তই সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলায়। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত তন্ময় দুৱৰাই গৌৰীসাগৰ থানাত লিখিত অভিযোগ দাখিল কৰিছে। উল্লেখযোগ্য যে বৃহত্তৰ জাঁজী অঞ্চলৰ আশে পাশে দেওৰজা, জৰাধৰা, ম'ৰাবজাৰ আদি অঞ্চলত বহুদিনৰ পৰা অবৈধ চুলাই মদৰ ব্যৱসায় গঢ় লৈ উঠিছে। কেইবাবাৰো লালীগুড়ৰ গাড়ী প্ৰশাসনে জব্দ কৰিছে। বিভিন্ন চুলাই ভাটীত প্ৰশাসনে অভিযান চলাই যদিও অদ্যাপি এই চুলাইৰ প্ৰচলন বন্ধ হোৱা নাই, যাৰ ফলত নৱপ্ৰজন্মই ধ্বংসৰ মুখলৈ গতি লৈছে। স্থানীয় ৰাইজে সমগ্ৰ অঞ্চলটোত প্ৰতিনিশা পুলিচ প্ৰশাসনৰ তহলৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

## চৰকাৰ বিৰোধী বিভিন্ন শ্লোগানেৰে জাগুনৰ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত উত্তাল প্ৰতিবাদ সাব্যস্ত

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা বিশেষ, জাগুন, ২৮ মে'** ঃ সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো শেহতীয়াকৈ ইন্ধন জাত সামগ্ৰী যেনে পেট্ৰল, ডিজেল, ৰন্ধন গেছকে আদি কৰি জীৱন দায়িনী ঔষধ নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ কৱলত পৰি সৰ্বসাধাৰণ ৰাইজে ইতিমধ্যে দিক বিদিক হেৰুৱাই পেলাইছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে মূল্যবৃদ্ধিৰ প্ৰতিবাদত সৰ্বসাধাৰণ ৰাইজ ৰাজপথত ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে আজি মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত জাগুনৰ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ টিৰাপ জাগুন আঞ্চলিক সমিতিয়ে ৰাইজৰ সহযোগত এই মূল্যবৃদ্ধিৰ বিৰুদ্ধে এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। জাগুনৰ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ শ্বহীদ বেদীৰ সন্মুখৰ পৰা ইন্ধন জাত সামগ্ৰী যেনে পেট্ৰল, ডিজেল, ৰন্ধন গেছ, জীৱন দায়িনী ঔষধ, নিত্য ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ পৰে সংগঠনটোৰ নেতৃবৰ্গ। অসম চৰকাৰ হায় হায়, ভাৰত চৰকাৰ হায় হায়, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, যোগান বিভাগ হায় হায়, মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰক ইত্যাদি বিভিন্ন শ্লোগানেৰে সমগ্ৰ পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰোপৰি যদি অনাগত দিনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ খনে মূল্য বৃদ্ধি ৰোধ কৰাত ব্যৰ্থ হয় তেন্তে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো হুংকাৰ প্ৰদান কৰে আজিৰ এই প্ৰতিবাদস্থলীৰ পৰা।

# মধ্য বিহালী শাখা সাহিত্য সভালৈ পুথিভঁৰাল দান বিশ্বনাথ চাৰিআলি মধুপুৰৰৰ মালবিকা ভাগৱতীৰ

## স্বামী স্বৰ্গীয় দুৰ্গা প্ৰসাদ ভাগৱতীৰ সপোন বিজড়িত হৈ আছে পুথিভঁৰালটিত

**অসম বাৰ্তা, জিনজিয়া, ২৮ মে'** ঃ বিশ্বনাথ চাৰিআলিৰ মধুপুৰৰ মালবিকা ভাগৱতীয়ে তেখেতৰ অতি অধ্যয়নপুষ্ট স্বামী স্বৰ্গীয় দুৰ্গা প্ৰসাদ ভাগৱতীৰ জীৱনজুৰি সংগ্ৰহ কৰা কেবাশতাধিক গ্ৰন্থৰে সমৃদ্ধ বৃহৎ কলেৱৰৰ ব্যক্তিগত পুথিভঁৰালটি বিহালীৰ অন্যতম সাহিত্য সংস্কৃতিক অনুষ্ঠান মধ্যবিহালী শাখা সাহিত্য সভালৈ দান হিচাবে আগবঢ়ায়। কালি নিজা বাসগৃহত মধ্য বিহালী শাখা সাহিত্য সভাৰ সভাপতি চুৰেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মালবিকা ভাগৱতীয়ে পৰিয়ালবৰ্গৰ এই সিদ্ধান্তৰ কথা অৱগত কৰি অনুষ্ঠানিক ভাৱে মহান ঘোষণাটি দিয়ে। সভাত মধ্য বিহালী সাহিত্য সভাৰ পৰা দিলীপ কুমাৰ বৰুৱা, অনন্ত বৰা, বিৰিণা বৰা, বন্দনা বৰা আদি সদস্য সকল উপস্থিত থাকি দাতা মালবিকা ভাগৱতীৰ এই মহানুভৱতাৰ প্ৰতি শলাগ লৈ গভীৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰে। মালবিকা ভাগৱতীৰ পৰিয়ালৰ পৰা ফালৰ পৰা দীপংকৰ ভাগৱতী, বীণা ভাগৱতী, নীলাক্ষী ভাগৱতী আদি কৰি ভালেকেইজন লোক উপস্থিত থাকে। সভাপতি চুৰেন বৰাদেৱে এই পুথি ভঁৰালটিৰ শাখাই এটি নতুন নামকৰণেৰে প্ৰতিষ্ঠা কৰিব বুলি অৱগত কৰে যাতে স্বৰ্গীয় দুৰ্গা প্ৰসাদ ভাগৱতীৰ স্মৃতি সদায় বিৰাজমান হৈ থাকে। শ্বিলঙত (বৰ্তমান মেঘালয়) চাকৰি সূত্ৰে থকা কালৰে পৰা জীৱনজোৰা ভাৱে কৰা সংগ্ৰহৰ ফচল পিতৃৰ সপোনৰ পুথি ভঁৰালটি সুন্দৰকৈ সংৰক্ষণ কৰিব বুলি পুত্ৰ দ্বীপংকৰ ভাগৱতীয়ে মধ্যবিহালী শাখা সাহিত্য সভাৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ সম্পাদক বীৰেন্দ্ৰনাথ গোস্বামীয়ে। উল্লেখ্য যে মালবিকা ভাগৱতী অৱসৰ প্ৰাপ্ত কৃতি শিক্ষয়িত্ৰী আৰু এগৰাকী সু-লেখিকা। পৰিয়ালটিৰ এই বদান্যতাৰ প্ৰতি বিহালীবাসী ৰাইজেও শলাগ লৈছে।

# সৃজনগ্ৰামত পশুধনৰ চবকা-লাম্পী ৰোগৰ প্ৰাদুৰ্ভাৱ

## গৰু আমদানীয়ে ৰোগ বিয়পোৱাৰ সন্দেহ

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২৮ মে'** ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত সৃজনগ্ৰামৰ বিভিন্ন অঞ্চলত গো-ধনৰ চবকা আৰু লাম্পী ৰোগৰ প্ৰাদুৰ্ভাৱে চিন্তিত কৰিছে গো-পালক সকলক। টিলাপাৰা, বাৰেগড়, আমবাৰী, নাৰিকলা, পাখিৰীগুৰী, বৰঘোলা, খামাৰপাৰা, উজানপাৰা, সোণাখুলী, দহেলাপাৰা, চাৰিপুনীয়া, চক্ৰশিলা আদিকে ধৰি অঞ্চলটোৰ প্ৰায় ৮০ৰো অধিক গাঁৱত ৰোগবিধে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। উক্ত ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে কেইবাটাও গৰুৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। চিকিৎসাৰ অভাৱতো গো-ধন মৃত্যুমুখত পৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কিছুদিন আগতে পশু চিকিৎসকৰ দলে অঞ্চলটোৰ বিভিন্ন প্ৰান্তঃত চিকিৎসা শিৱিৰ পাতি চিতা দিছিল যদিও কোনো বিশেষ কামত নাহিল এই শিৱিৰ। আনহাতে বাহিৰৰ পৰা গৰু আমদানীয়ে এই ৰোগ অধিক বিয়োপী পৰাত হাতউজান দিছে। অঞ্চলটোৰ শ-শ গৰু উক্ত ৰোগত আক্ৰান্ত হোৱাৰ সময়তো এতিয়ালৈকে অঞ্চল সমূহত চৰকাৰী চিকিৎসকৰ দল পদাৰ্পণ নকৰাত চিকিৎসাৰ ক্ষেত্ৰত বিমোৰত পৰিছে গো-পালক সকল। বিশেষকৈ ফাৰ্মৰ গৰাকী সকলে যথেষ্ট লোকচানৰ সন্মুখীন হৈ মূৰেকপালে হাত দিবলগীয়া হৈছে। চিকিৎসাৰ ক্ষেত্ৰত পৰ্যাপ্ত জনবলৰ লগতে ঔষধৰ অভাৱৰ ছবিখন স্পষ্ট হোৱাৰ বিপৰীতে চিকিৎসাৰ নামত দৈনিক শকত পৰিমাণৰ ধন ব্যয় কৰিও সুফল পোৱা নাই। আনহাতে চলিত গো-ধন টিকাকৰণ বা চিটা প্ৰদানৰ ক্ষেত্ৰত গৃহস্থই আধাৰকাৰ্ড সংলগ্ন কৰিব নোখোজাৰ বাবে প্ৰক্ৰিয়াত কিছু স্থবিৰতা আনিছে। দুইতিনিটা গৰু পালন কৰি গাখীৰ উৎপাদনেৰে পৰিয়াল পোহপাল দিয়া দুখীয়া গো-পালক সকলে এনে বেজালি চিকিৎসাৰ ওপৰত ভৰষা কৰিব লগা হৈছে। এনে পৰিস্থিতিত অঞ্চলটোৰ শ-শ গো-ধন নিধন হোৱাৰ সম্ভাৱনাই দেখা দিছে।

# জাঁজী জামুগুৰিত প্ৰৱঞ্চনাৰ বলি দুই ব্যৱসায়ী

**অসম বাৰ্তা, জাঁজী, ২৮ মে'** ঃ শিৱসাগৰ জিলাৰ জাঁজীৰ দুগৰাকী হাৰ্ডৱেৰ ব্যৱসায়িক এটা প্ৰৱঞ্চকে প্ৰৱঞ্চনা কৰাৰ লগতে ইয়াৰে এজনৰ পৰা কৌশলেৰে লুটি নিলে ২২ হাজাৰ টকা। জানিব পৰামতে এজন লোকে জাঁজী জামুগুৰিৰ ৰাতুল ভট্টাচাৰ্য্য নামৰ ব্যৱসায়ী গৰাকীক আজি ৮৪৫৩৮৪৩৫০১ নম্বৰৰ পৰা ফোন কৰি ন্যূনতম মূল্যত চিমেণ্ট দিয়াৰ প্ৰলোভন দিয়ে। ব্যৱসায়ী গৰাকীয়ে প্ৰৱঞ্চকৰ জালত ভৰি দিয়ে আৰু ৫০ বেগ চিমেণ্ট ক্ৰয়ৰ বাবে সন্মত হয়। আনহাতে প্ৰৱঞ্চকটোৱে একে সময়তে জাঁজী বৃন্দাবন চাৰিআলিৰ সমীপৰ আন এগৰাকী হাৰ্ডৱেৰ ব্যৱসায়ী দেৱজিৎ গগৈলৈ একেটা নম্বৰৰ পৰা ফোন কৰি নিজকে জাঁজীৰ বাসিন্দা বুলি পৰিচয় দি ৫০ বেগ চিমেণ্টৰ প্ৰয়োজন বুলি কয় আৰু চিমেণ্টখিনি ৰাতুল ভট্টাচাৰ্য্যৰ দোকানত দিবলৈ গগৈক অনুৰোধ কৰে আৰু চিমেণ্টৰ মূল্য তাতে দিব বুলি কয়। সেই অনুসৰি দেৱজিৎ গগৈয়ে এখন গাড়ীত চিমেণ্ট প্ৰেৰণ কৰে। ইফালে প্ৰৱঞ্চকটোৱে ৰাতুল ভট্টাচাৰ্যক ফোন কৰি চিমেণ্ট পালেনে নাই সোধে আৰু স্কেনাৰ এটা দি চিমেণ্টৰ মূল্য ২২ হাজাৰ টকা দিবলৈ কয়। সেইমতে ভট্টাচাৰ্যই ২২ হাজাৰ টকা পৰিশোধ কৰে। ইয়াৰ পাছতে চিমেণ্ট দিবলৈ অহা দেৱজিৎ গগৈৰ কৰ্মচাৰীয়ে ভট্টাচাৰ্য্যক চিমেণ্টৰ মূল্য বিচৰাতহে প্ৰকৃত ঘটনাটো পোহৰলৈ আহে আৰু ব্যৱসায়ীদ্বয় প্ৰৱঞ্চিত হয়। অৱশ্যে ৰাতুল ভট্টাচাৰ্য্যই দেৱজিৎ গগৈক চিমেণ্টখিনি ঘূৰাই দিয়ে যদিও ৰাতুল ভট্টাচাৰ্যৰ ২২, ০০০/ টকা প্ৰৱঞ্চকে লুটি নিয়ে। এই ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰ চৰ্চাবিদ চেলেংহাটৰ তুষাৰ পালে গাঁঠিৰ ধন ভাঙি চলাই আহিছে নিচামুক্তি অভিযান

# নিচামুক্ত অসমৰ সপোন লৈ ড্ৰাগছৰ বিৰুদ্ধে দুই দশকৰ নিঃস্বাৰ্থ সংগ্ৰাম

## চৰকাৰী দৃষ্টিৰ পৰা বহুযোজন আঁতৰত এক নিঃসংগ যোদ্ধাৰ গাঁথা

**অসম বাৰ্তা, চেলেংহাট, ২৮ মে'** ঃ যি সময়ত সমগ্ৰ বিশ্ব মাদক দ্ৰব্যৰ কৰাল গ্ৰাসত পৰি সমাজৰ নৱ প্ৰজন্ম তিলতিলকৈ ধ্বংসৰ মুখলৈ গতি কৰিছে, যিটো সময়ত নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলন আৰু ইয়াৰ প্ৰভাৱত মানুহৰ জীৱন, সম্পত্তি, পৰিয়াল নিঃশেষ হোৱাৰ উপক্ৰম হৈছে তেনে সময়তে মাদক দ্ৰব্যৰ বিৰুদ্ধে নীৰৱে সংগ্ৰাম অব্যাহত ৰাখিছে চেলেংহাট নামচেচুৰ নিবাসী ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত শৰীৰচৰ্চাবিদ তুষাৰ পালে। উল্লেখ্য যে, ২০০৬ চনত তেওঁৰ বাসগৃহতে চেলেংহাট হেল্‌থ ক্লাব গঠন কৰি স্থানীয় যুৱক-যুৱতীসকলক সু-স্বাস্থ্য অটুট ৰখাৰ উদ্দেশ্যেৰে বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰি নিচাৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰিছিল। প্ৰায় ৭ বছৰ চেলেংহাট হেল্‌থ ক্লাবৰ জৰিয়তে সংগ্ৰাম অব্যাহত ৰখা তুষাৰ পালে ২০১৩ চনত তেওঁৰ ৫০ বছৰীয়া জন্মদিনত নিচামুক্ত সমাজ গঢ়াৰ শ্ল'গান লৈ চেলেংহাটৰ পৰা নকচাৰী লৈকে প্ৰায় ৫০ কিলোমিটাৰ এক মাৰাথন দৌৰত অংশ লৈছিল। ইফালে ২০১৬ চনত একে উদ্দেশ্যেৰে চেলেংহাটৰপৰা ধুবুৰীলৈ ৬২০ কিলোমিটাৰ পথত এক চাইকেল ৰেলী বাহিৰ কৰিছিল। মন কৰিবলগীয়া যে উক্ত বৰ্ষতে শৰীৰচৰ্চাবিদ গৰাকীয়ে যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া আদি প্ৰায় ১০খন জিলাত ড্ৰাগছৰ বিৰুদ্ধে প্ৰবল জনমত গঠন কৰাৰ উদ্দেশ্যেৰে এক গণস্বাক্ষৰ অভিযান চলায়। সেই গণস্বাক্ষৰ সেই সময়ৰ বিধান সভাৰ অধ্যক্ষ হিতেন্দ্ৰনাথ গোস্বামীৰ হাতত প্ৰদান কৰিছিল। ২০১৭ বৰ্ষত চেলেংহাট অঞ্চলৰ ২০খন মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত 'সুস্থ সমাজত নিচাযুক্ত দ্ৰব্যৰ কু-প্ৰভাৱ' শীৰ্ষক বিষয়ত এক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ পাছত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে এলানি বিশাল সজাগতা সভা অনুষ্ঠিত কৰে। এই সভাত চাহ বাগিচা এলেকাধীন মহিলা আৰু একাংশ দায়বদ্ধ লোকক সামৰি লোৱা হয়। ইয়াৰ উপৰি নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অবিৰত সংগ্ৰাম কৰা এইগৰাকী শৰীৰচৰ্চাবিদে যোগ শিক্ষা গ্ৰহণ কৰি বিভিন্ন বিদ্যালয়ত বিনামূলীয়া যোগ প্ৰশিক্ষণ দিয়াৰ উপৰি 'সহজ যোগ প্ৰাণায়াম' নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰি ২০১৭ চনত ২৪ ডিচেম্বৰত নিচাৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে 'ঘাটক' নামৰ এখন চুটি ছবি নিৰ্মাণ কৰি যোৰহাট জিলাৰ বিভিন্ন বিদ্যালয়ত প্ৰদৰ্শন কৰি সমাদৰ লাভ কৰিছিল। আনহাতে কাৰ্বি আংলঙৰ ডকমকাত একাংশ অমানুহৰ হাতত গুৱাহাটীৰ দুই নিৰীহ যুৱক নীলোৎপল দাস আৰু অভিজিৎ নাথে প্ৰাণ হেৰুৱাব লগা সেই বৰ্বৰ হত্যাকাণ্ডৰ পিছত উৰা বাতৰি আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা অনা চেষ্টাৰে সজাগতা আৰু সম্প্ৰীতিৰ বাৰ্তাৰে 'মানুহে মানুহৰ বাবে' শীৰ্ষক এখন চুটি ছবি নিৰ্মাণ কৰি বিভিন্ন স্থানত প্ৰদৰ্শন কৰে। সেই সময়ত তেখেতে অভিজিৎ-নীলোৎপলৰ গৃহত উপস্থিত হৈ পিতৃ-মাতৃক সমবেদনা জনোৱাৰ লগতে একোখনকৈ ফুলাম গামোচা, কৃতজ্ঞতা পত্ৰ, 'মানুহে মানুহৰ বাবে' চুটিছবি উপহাৰ দিয়ে। পৰৱৰ্তী সময়ত তুষাৰ পালে নিচা জাতীয় দ্ৰব্যৰ বিৰুদ্ধে সজাগতাৰ বাৰ্তাৰে "পিকনিক" আৰু "ড্ৰাগছ বৰ বিহ" নামে দুখন চুটি ছবি নিৰ্মাণ কৰিছে। কৰোণা মহামাৰীৰ সময়ত এই গৰাকী মানৱদৰদী ব্যক্তিয়ে পাঁচ শতাধিক দুখীয়া পৰিয়ালক মাস্ক, চেনিটাইজাৰ আৰু খাদ্য যোগান ধৰিছিল। তদুপৰি পালে ২০২২ চনত চেলেংহাট প্ৰেছ ক্লাবৰ সহযোগত "ড্ৰাগছ বৰ বিহ" নামৰ এখনি গ্ৰন্থ সংকলন কৰি বৰ্তমান লৈকে অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক বিদ্যালয়, মহাবিদ্যালয় লগতে সামাজিক অনুষ্ঠান সমূহত বিনামূলীয়া গ্ৰন্থ বিতৰন কৰি আহিছে। উল্লেখ্য যে ২০১০ চনতে দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰচৰ্চা প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰা এইগৰাকী শৰীৰ চৰ্চাবিদে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ অসমত সুৰা নিষিদ্ধ কৰাৰ বাবে আহ্বান জনাই পত্ৰ প্ৰেৰণ কৰিছিল। প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়ৰপৰা চিঠিৰ প্ৰত্যুত্তৰত প্ৰধানমন্ত্ৰীয়ে অসমত সুৰা নিষিদ্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰে চিন্তা-চৰ্চা কৰাৰ প্ৰতিশ্ৰুতি দিশৰ লগতে অসম চৰকাৰকো ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দি পত্ৰ প্ৰেৰণ কৰা বুলি উল্লেখ কৰিছে। নিজৰ সাঁচতীয়া ধনেৰে সংগ্ৰাম চলাই নিয়া এনে এজন নিচামুক্তি অভিযানৰ সংগ্ৰামী চেলেংহাটৰ সন্তান তুষাৰ পাল আজি লৈকে চৰকাৰ তথা প্ৰশাসনৰ দৃষ্টিগোচৰ হোৱা নাই। দুখ প্ৰকাশ কৰি পালে কয় যে যদি চৰকাৰে সহযোগিতা কৰে তেওঁ অসমক অতি কমেও ৫০ শতাংশ নিচামুক্ত কৰিব পাৰিব বুলি প্ৰকাশ কৰে।

# অসমত "ইউনিফৰ্ম চিভিল কোড" আইন গৃহীত; মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্ট অসমৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৮ মে'** ঃ ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্টৰ তথা জনসংখ্যা সমাধান ফাউণ্ডেশ্যনৰ অসম প্ৰান্তৰ এক দীৰ্ঘদিনীয়া দাবি আজি বাস্তৱায়িত কৰালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি শাসিত অসম চৰকাৰে। বৃহস্পতি বাৰে এক প্ৰেছ বিবৃতি জৰিয়তে ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্টৰ তথা জনসংখ্যা সমাধান ফাউণ্ডেশ্যনৰ অসম প্ৰান্তৰ ৰাজ্যিক অধক্ষ্য বলেন বৈশ্য আৰু উপাধ্যক্ষ পুলিন কাকতিয়ে জনায় যে দেশৰ আইন ব্যৱস্থাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অসম বিধানসভাই "ইউনিফৰ্ম চিভিল কোড, অসম" (সম সংহিতা আইন ২০২৬ অসম) আইনৰ এই প্ৰস্তাব ইতিমধ্যে গৃহীত হৈছে। এই আইন গৃহীত হোৱাৰ পিছতে আমাৰ ৰাজ্যখনে দেশৰ তৃতীয়খন ৰাজ্য হিচাপে এই আইন কাৰ্যকৰী ক্ষেত্ৰত স্বীকৃতি পাব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে এই আইন গৃহীত কৰাত ৰাজ্যজুৰি বিভিন্ন মহলৰ পৰা বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। এই আইনৰ মূলত বিবাহ, বিবাহবিচ্ছেদ, সম্পত্তি অধিকাৰ আদি আইনসমূহক একে ধৰণেৰে প্ৰযোজ্য কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা হৈছে। ইয়াৰ দ্বাৰা সমাজত সমতা প্ৰতিষ্ঠা, নাৰী অধিকাৰৰ সুৰক্ষা আৰু এক সু-সংহত আইন ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য ধৰা হৈছে। লগতে এই আইনৰ জৰিয়তে ধৰ্মভিত্তিক ভিন্ন আইন ব্যৱস্থাৰ সলনি একক আইনী প্ৰক্ৰিয়াত প্ৰৱৰ্তন হ'ব। চৰকাৰৰ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তক স্বাগত জনাইছে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আঞ্চলিক সংগঠনে। ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্টৰ অসমৰ সভাপতি বলেন বৈশ্য আৰু উপ-সভাপতি পুলিন কাকতিয়ে এক যৌথ বিবৃতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম চৰকাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে কয় যে, "ইউনিফৰ্ম চিভিল কোড" আইন গৃহীত হোৱাটো এক ঐতিহাসিক পদক্ষেপ, যিয়ে সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠাত সহায় কৰিব। তেওঁলোকে লগতে উল্লেখ কৰে যে, বহু বছৰ ধৰি দেশত এই বিষয়টো লৈ আলোচনা চলি আছিল, কিন্তু বাস্তৱ ৰূপায়ণৰ ক্ষেত্ৰত বহু বাধা আছিল। এনে পৰিস্থিতিত অসম চৰকাৰৰ সাহসী সিদ্ধান্তই এক নতুন দিশ তথা পৰিৱেশ প্ৰদৰ্শন কৰিলে। তেওঁলোকে আশা প্ৰকাশ কৰে যে, এই আইনৰ জৰিয়তে সমাজত সম অধিকাৰ আৰু একতা অধিক শক্তিশালী হ'ব। ইফালে, চৰকাৰী সূত্ৰ অনুসৰি এই আইন বলবৎ কৰাৰ ক্ষেত্ৰত ৰাজ্যত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠী সম্প্ৰদায়ৰ মাজত সুসমন্বয় ৰক্ষা কৰি এই আইন কাৰ্যকৰী কৰা হ'ব বুলি চৰকাৰে আশ্বাস প্ৰদান কৰিছে। উল্লেখযোগ্য যে, "ইউনিফৰ্ম চিভিল কোড" দেশজুৰি এক বিতৰ্কিত বিষয় হিচাপে চিহ্নিত হৈ আহিছে। ৰাজ্য অধিকাংশই ইয়াক স্বাগত জনোৱাৰ বিপৰীতে আন দুই একে সমালোচনাও কৰে। তাৰ মাজতে অসমত এই আইন গৃহীত হোৱাটো দেশৰ ৰাজনৈতিক আৰু সামাজিক পৰিসৰত এক গুৰুত্বপূৰ্ণ ঘটনা হিচাপে পৰিগণিত হৈছে। সামগ্ৰিকভাৱে চালে, অসম বিধানসভাৰ এই সিদ্ধান্তই দেশৰ আইন ব্যৱস্থাত এক নতুন অধ্যায় আৰম্ভ কৰাৰ লগতে আগন্তুক দিনত আন ৰাজ্যসমূহৰ বাবে উদাহৰণ হিচাপে পৰিগণিত হ'ব বুলি বহু সংখ্যক লোকে মন্তব্য প্ৰকাশ কৰে।

কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰ্দীপ সিং পুৰীৰ প্ৰতিমূৰ্তি দাহ

# মঙলদৈত পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ

**অসম বাৰ্তা, মঙলদৈ, ২৭ মে'** ঃ দেশত পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ দৰং জিলা ছাত্ৰ সন্থাই আজি জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ১৫নং ৰাষ্ট্ৰীয় ঘাই পথত কেন্দ্ৰীয় পেট্ৰোলিয়াম মন্ত্ৰী হৰ্দীপ সিং পুৰীৰ প্ৰতিমূৰ্তি দাহ কৰি সাব্যস্ত কৰে প্ৰতিবাদ। ৰাজ্যত এমাহত চাৰিবাৰকৈ একেৰাহে পেট্ৰ'লৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে সদৌ দৰং জিলা ছাত্ৰ সন্থাই ঘাইপথত মন্ত্ৰীগৰাকীৰ প্ৰতিমূৰ্তি দাহ কৰি কেন্দ্ৰীয় চৰকাৰৰ হায় হায়, পেট্ৰ'লজাত সামগ্ৰীৰ দাম বৃদ্ধি বন্ধ কৰক আদি শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জিলা ছাত্ৰ সন্থাৰ এই প্ৰতিবাদত অংশগ্ৰহণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পৰাগ চহৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক হৃদয় বৰুৱা, জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক কৰবী ডেকা, আস্ত মঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি পাৰ্থজ্যোতি ডেকা, সম্পাদক খুৰচিৎ জোনাইট ৰহমানৰ লগতে অৰ্ধশতাধিক ছাত্ৰ কৰ্মীয়ে।

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰি উজলিল কলিয়াবৰৰ দুগৰাকীকৈ খেলুৱৈ

**অসম বাৰ্তা, কলিয়াবৰ, ২৭ মে'** ঃ নেপালত অনুষ্ঠিত হোৱা দ্বাদশ ময়ূৰ কাপ-২০২৬ প্ৰতিযোগিতাত অসমৰ খেলুৱৈয়ে সুন্দৰ প্ৰৰ্দশন আগবঢ়ায় বৃহৎ সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ২২ মে'ৰ পৰা ২৪ মে'লৈ, কাকাৰ ভিটাত নেপাল চৰকাৰে অনুষ্ঠিত কৰা এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত নেপালৰ উপৰিও ভাৰত, ভূটান, পাকিস্থান, বাংলাদেশ, শ্ৰীলংকাকে ধৰি সাতখন দেশৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত ভাৰতীয় দলটোক প্ৰতিনিধিত্ব কৰি অসমৰ পৰা মুঠ ২৮ জনীয়া এটা দলে অংশগ্ৰহণ কৰিছিল। এই ২৮ জনীয়া দলটোৱে ১৭টা সোণ, ১টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদক সহ মুঠ ২৭টা পদক লাভ কৰি গৌৰৱ কঢ়িয়াই আনে। কলিয়াবৰৰ কাৰেটে একাডেমীৰ প্ৰশিক্ষক ৰবীন বৰাৰ নেতৃত্বত যোৱা ছোৱালী চাব জুনিয়ৰ ৪০ কেজি শাখাৰ কাটাত অংশগ্ৰহণ কৰি সোণৰ পদক লাভ কৰে কাকু মণি গগৈয়ে। ছোৱালী চাব জুনিয়ৰ ৩০ কেজি শাখাৰ কোমেটিত অংশগ্ৰহণ কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয় নমস্যা বৰাই। ইয়কে লৈ কলিয়াবৰৰ ক্ৰীয়াপ্ৰেমী ৰাইজৰ মাজত যথেষ্ট উৎসাহ দেখা পোৱা পৰিলক্ষিত হৈছে।

গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ

# আৰিয়া শঙ্কৰী সংগীত কলাকেন্দ্ৰ, জাগী ভকতগাঁৱৰ পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৭ মে'** ঃ জাগী ভকতগাঁও অঞ্চলত শঙ্কৰী সংগীতৰ চৰ্চা কৰাৰ উদ্দেশ্যে এখন বিদ্যালয় স্থাপন কৰাৰ সন্দৰ্ভত আজি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, জাগী প্ৰাথমিক শাখাৰ নামঘৰত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সাংস্কৃতিক কৰ্মী প্ৰশান্ত খাউণ্ডে সভাখনত সভাপতিত্ব কৰে। সাংস্কৃতিক কৰ্মী হিমু বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। শিল্পী ৰমনীকান্ত বৰদলৈ, ৰণ্টুমণি শইকীয়া, জয়ন্ত সাগৰ শইকীয়া, ৰাজীৱ চহৰীয়া প্ৰমুখ্যে কেইবাগৰাকীও ব্যক্তিয়ে সভাত অংশগ্ৰহণ কৰে। সভাত প্ৰশান্ত খাউণ্ড সভাপতি, ৰণ্টুমণি শইকীয়া, মিণ্টু কুমাৰ বৰঠাকুৰ, থানেশ্বৰ ডেকা আৰু ৰঞ্জিত কুমাৰ ডেকা উপ-সভাপতি, প্ৰণৱ বৰা সম্পাদক, হিমু বৰা, ৰাজীৱ চহৰীয়া আৰু কংকনা বৰুৱা সহকাৰী সম্পাদক, জয়ন্ত সাগৰ শইকীয়া কাৰ্যালয় সম্পাদক, ৰিজুমণি কলিতা আৰু ফুকুল দত্ত ডেকাক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ আৰিয়া শঙ্কৰী সংগীত কলাকেন্দ্ৰ পৰিচালনা সমিতি গঠন কৰে। আনহাতে সভাত আৰিয়া শঙ্কৰী সংগীত কলা কেন্দ্ৰৰ উদ্যোগত ২০ জুলাইৰ পৰা সাদিনীয়া খোল, বৰগীত আৰু সত্ৰীয়া নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে।

# নৈশ বাছ দুৰ্ঘটনাত নিহত মাজুলীৰ দ্বীপজ্যোতিৰ পৰিয়ালবৰ্গক আপকু কেন্দ্ৰীয় নেতৃত্বৰ সমবেদনা-শোক বাৰ্তা অৰ্পণ

**অসম বাৰ্তা, ফুলনি, ২৮ মে'** ঃ উত্তৰ লক্ষ্মীমপুৰ জিলাৰ নাওবৈছাত যোৱা ২৩ মে' তাৰিখে পুৱা প্ৰায় ৪-৩০ বজাত সংঘটিত নৈশ বাছৰ ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হৈ থিতাতে কৰুণ মৃত্যুক সাৱটি লোৱা মাজুলীৰ দ্বীপজ্যোতি বৰাৰ মৃত্যুত সমগ্ৰ ৰাজ্যতে গভীৰ শোকৰ ছাঁ পৰে। মাজুলীৰ সম্ভৱ আৰু সম্ভাৱনাৰে পূৰ্ণ উদীয়ামন উচ্চ শিক্ষিত যুৱক দ্বীপজ্যোতি বৰাক হেৰুৱা বেদনাই মাজুলীৰ গেৰেকী পোহাৰদিয়া পৰিয়াল বৰ্গৰ লগতে গাঁৱৰ ৰাইজ আজিও শোকাহত হৈ আছে। সেই শোকাহত প্ৰয়াত দ্বীপজ্যোতিৰ বাস গৃহত আজি অসমৰ সৰ্ব বৃহৎ মফচলিয়া সাংবাদিক সংগঠন "আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন" (আপকু)ৰ কেন্দ্ৰীয় সমিতিৰ এটি প্ৰতিনিধি দল



উপস্থিত হয়। কেন্দ্ৰীয় উপসভাপতি জীৱন বৰুৱা আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাই সদ্য প্ৰয়াত দ্বীপজ্যোতিৰ পিতৃ জীৱন বৰাক প্ৰমুখ্য কৰি মাতৃৰ লগতে জ্যেষ্ঠ ভাতৃ তথা সাংবাদিক ভাস্কৰ বৰা, আৰু পৰিয়ালবৰ্গৰ সৈতে আন্তৰিকতাৰে বাৰ্তালাপ কৰি শোকৰ সমভাগি হৈ সমবেদনা জ্ঞাপন কৰি আপকু কেন্দ্ৰীয় সমিতিৰ যুগুত কৰি অনা শোকবাৰ্তা অৰ্পণ কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গক গভীৰভাৱে সমবেদনা জ্ঞাপন কৰে। প্ৰতিনিধি দলত মৰাণৰ অংশুমান চাহু, মাজুলী জিলা আপকুৰ সহকাৰী সম্পাদক সনজিৎ অভয়পুৰীয়া আৰু আন সদস্য সকলে সংগ দিয়ে।

# বিশ্ব শান্তি কামনাৰে ডিব্ৰুগড়ত শান্তিপূৰ্ণভাৱে ত্যাগৰ উৎসৱ ঈদুজ্জোহা পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ মে'** ঃ দেশৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো আজি ইছলাম ধৰ্মীলোকে পৱিত্ৰ উৎসৱ "ঈদুজ্জোহা" পালন কৰে। পুৱাৰ পৰা বতৰ কিছু ডাৱৰীয়া হৈ থাকে যদিও পাছত বতৰ ফৰকাল হোৱাত আনন্দ-উলাহেৰে ঈদগাহত নামাজত অংশগ্ৰহণ কৰাৰ বাবে ৰাইজ হিলদল ভাঙি ওলাই আহি ঈদৰ সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। গ্ৰাহাম বজাৰত থকা "কেন্দ্ৰীয় ঈদগাহ"ত প্ৰায় ৭/৮ হাজাৰ লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। "ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ ময়দান"ত ঈদৰ সমূহীয়া নামাজত ইমামতি কৰে ডিব্ৰুগড়ৰ ডিব্ৰুজান মছজিদৰ পেচ ইমাম মৌলানা আলহজ ছবিৰ আহমেদে। নামাজৰ শেষত ইমাম গৰাকীয়ে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত সম্প্ৰীতি, সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ কথা কোৱাৰ লগতে বিশ্বশান্তি কামনা কৰি নেদেখাজনৰ ওচৰত দেশৰ, দহৰ লগতে ডিব্ৰুগড়বাসীৰ বাবে দোৱা-প্ৰাৰ্থনা কৰে। ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা "আলহজ জালালউদ্দিন আহমেদ ঈদগাহ"ত প্ৰায় তিনি হাজাৰ লোকে নামাজত অংশ গ্ৰহণ কৰে। ইয়াত ইমামতি কৰে অসম জামিউল উলুম মাদ্ৰাছাৰ প্ৰধান মৌলানা আলহজ মঞ্জুৰ আহমেদে। তেওঁ বিশ্ব শান্তি কামনা কৰি সকলোৰে মঙ্গল কামনা কৰি দোৱা মাগে। ডিব্ৰুগড়ত থকা ৩০(ত্ৰিশ)টা মছজিদতো শান্তিপূৰ্ণভাৱে আজি ঈদৰ নামাজ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ নালিয়াপুল জামে মছজিদৰ পেচ ইমাম মৌলানা চৈয়দ মোবাৰক হুছেইন, ডিব্ৰুগড় কনভয় ৰোড ন-মছজিদৰ পেচ ইমাম হাফিজ ইনামুল আলি, দক্ষিণ আমোলাপট্টি ৰ'জগলি মছজিদৰ পেচ ইমাম মৌলবী আবু তালিব, তিনিকুনিয়া মছজিদৰ পেচ মৌলানা আতিকুৰ ৰহমান কাচিমি, পল্টন বজাৰ মছজিদৰ পেচ ইমাম মৌলানা তনবীৰ ছাকবী আদিয়ে নিজ নিজ মছজিদত ঈদৰ নামাজত ইমামতি কৰে। ডিব্ৰুগড় গ্ৰাহাম বজাৰত থকা কেন্দ্ৰীয় ঈদগাহ সমিতিৰ সভাপতি আলহজ আমানুল্লা আনচাৰি আৰু সম্পাদক আলহজ চৌকত আলিয়ে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, বিদ্যুত বিভাগ, পৌৰ নিগম, আদিৰ লগতে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলোৰে সহায় সহযোগিতা বাবে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড় সদৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নয়ন মনি বৰুৱাই ডিব্ৰুগড়ত ইছলাম ধৰ্মী লোকসকলে শান্তিপূৰ্ণ ভাৱে ঈদ পালন কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ভ্ৰাতৃত্বৰ এনাজৰী ডাল আৰু অধিক সুদৃঢ় কৰাৰ কামনাৰে ঈদ উপলক্ষে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে ঈদৰ শুভেচ্ছা জনাইছে।

# চপাই সাহিত্য সভাৰ নিয়মীয়া লেখনি পাঠ অনুষ্ঠান

**অসম বাৰ্তা, মঙলদৈ, ২৭ মে'** ঃ দৰং জিলা সাহিত্য সভাৰ অন্তৰ্গত অসম সাহিত্য সভাৰ এটি অন্যতম শাখা চপাই সাহিত্য সভাৰ নিয়মীয়া লেখনি পাঠ অনুষ্ঠানটি দেওবাৰে সভাৰ নিজা কাৰ্যালয় অনন্ত চৌধুৰী ভৱনত অনুষ্ঠিত হয়। চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক গীতটিৰে আৰম্ভণি হোৱা আৰু শাখা সভাৰ সভাপতি নৱ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানত অসমৰ প্ৰতিষ্ঠিত গীতিকাৰ তথা লেখক প্ৰভাত চৌধুৰী আৰু প্ৰাণেশ্বৰী ডেকাৰ প্ৰবন্ধ, বিশিষ্ট লেখক পুলিন চন্দ্ৰ ডেকা, সুলভশৰ্মা আৰু বসু নাথৰ গল্প, প্ৰভাত বৰুৱাৰ অনু গল্প, বিশিষ্ট কবি সূৰ্য কুমাৰ ডেকা, সূৰ্য শৰ্মা, দ্বীজেন্দ্ৰ মোহন শৰ্মা, শৰৎ চন্দ্ৰ শৰ্মা, নৱ কুমাৰ শৰ্মা, ইবিনাথ ৰাভা, তিলেশ্বৰ নাথৰ কবিতা পাঠ কৰাৰ লগতে বিশিষ্ট গায়ক দ্বীজেন্দ্ৰ মোহন শৰ্মা আৰু শৰৎ চন্দ্ৰ শৰ্মাই লেখা পাঠৰ মাজত দুটি গীত গাই অনুষ্ঠানটি সজীৱ কৰি তোলে। লেখাবোৰ পাঠ কৰাৰ অন্তত পৰ্যালোচনা আগবঢ়াই লেখক তথা বিশিষ্ট সমালোচক পুলিন চন্দ্ৰ ডেকাই। এই অনুষ্ঠানতেই সূৰ্য শৰ্মা ৰচিত আৰু সুৰাৰোপিত গীত এটিও শব্দ যন্ত্ৰ যোগে তেওঁ উপস্থিত শ্ৰোতা মণ্ডলিক শুনায়। সভাপতিৰ চমু বক্তব্য আৰু মন্তব্যৰ পিছত অসম সংগীতেৰে অনুষ্ঠান সামৰণি পৰে।

# মাজুলী মহাবিদ্যালয়ৰ নাৰী সৱলীকৰণ কোষৰ উদ্যোগত ঋতুস্ৰাৱ স্বচ্ছতা দিৱস পালন

**অসম বাৰ্তা, মাজুলী, ২৮ মে'** ঃ বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ লগত সংগতি ৰাখি আজি মাজুলী মহাবিদ্যালয়ৰ নাৰী সৱলীকৰণ কোষ উদ্যোগত আৰু ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কাৰ্যক্ৰমৰ সহযোগত কমলাবাৰী একাডেমীত 'কথা পাতোঁ আহাঁ- ৫' শীৰ্ষক এক সজাগতামূলক মত-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপিকা তথা মহিলা সৱলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱাৰ সভাপতিত্বত দিনৰ ১১.৩০ বজাৰ পৰা অনুষ্ঠিত সভাখনিৰ শুভ উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। উদ্বোধনী ভাষণত ড° শইকীয়াই ঋতুস্ৰাৱৰ লগত জড়িত আমাৰ সমাজৰ বৈজ্ঞানিক আৰু অবৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে আলোকপাত কৰি কয় যে স্বাস্থ্যতকৈ মূল্যৱান সম্পদ নাই। গতিকে, নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হোৱাটো আমাৰ সকলোৰে প্ৰধান কৰ্তব্য হ'ব লাগে। মাজুলী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ৰুবী বৰাই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা তথা নাৰী সৱলীকৰণ কোষৰ প্ৰধান সম্পাদিকা ড°অনন্যা বৰুৱাই। অনুষ্ঠানটিত কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষক কমল দত্তৰ আদৰণী ভাষণ প্ৰদান কৰাৰ লগতে ছাত্ৰীসকলক উদ্দেশ্যি ঋতুস্ৰাৱ সম্পৰ্কে এক সম্যক ধাৰণা দাঙি ধৰে। লগতে কমলাবাৰী একাডেমীৰ তৰফৰ পৰা অনুষ্ঠানটিত উপস্থিত অতিথিসকলৰ অংগবস্ত্ৰ, কিতাপ টোপোলা আদিৰে সম্ভাষণ জনায় প্ৰধান শিক্ষক কমল দত্ত, বিজ্ঞান শিক্ষয়িত্ৰী পম্পী হাজৰিকা আৰু সহকাৰী শিক্ষক ৰাজীৱ ৰাজখুৱাই। সমল ব্যক্তি হিচাপে উপস্থিত থাকি জিলা স্বাস্থ্য সমিতিৰ সমন্বয়ক মিত্ৰজ্যোতি কোঁৱৰে ঋতুস্ৰাৱৰ সময়ত দেখা দিয়া সমস্যাসমূহ আৰু তাৰ সমাধানৰ বাবে পালন কৰিবলগীয়া স্বাস্থ্যবিধি সন্দৰ্ভত বিতংভাৱে আলোচনা দাঙি ধৰে। সমাজত মাহেকীয়াক লৈ চলি থকা অন্ধবিশ্বাসসমূহ আৰু ইয়াৰ বিৰুদ্ধে থিয় দি সু-স্বাস্থ্যৰ অধিকাৰী হ'বলৈ ছাত্ৰীসকল কিদৰে সাজু হ'ব লাগিব সেই বিষয়ে সকলোকে অৱগত কৰে। তেওঁ ছাত্ৰীসকলক নিঃসংকোচে ঋতুস্ৰাৱ সম্পৰ্কীয় যিকোনো সমস্যা সম্পৰ্কে জনাবলৈ আহ্বান জনায়। ডেৰ শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানটিত মাজুলী মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, ৰামধনু শতদল শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্ত, মহাবিদ্যালয় শিক্ষক গোটৰ উপ-সভাপতি ড°ৰূপজ্যোতি বৰা, নাৰী সৱলীকৰণ আৰু মহিলা কোষৰ সদস্যা গীতাৰাণী গোস্বামী, ইন্দিৰা বৰা, ড° জয়া কলিতা গগৈ, ড° সুদৰ্শনা ফুকন, প্ৰীতিৰেখা গগৈ, বিদিশা ভট্টাচাৰ্য, যাদৱ শইকীয়া, মুনীন্দ্ৰ বৰুৱা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সামৰণিত শলাগৰ শৰাই আগবঢ়ায় কমলাবাৰী একাডেমীৰ বিজ্ঞান শিক্ষয়িত্ৰী পম্পী হাজৰিকাই। জাতীয় সংগীত পৰিৱেশনৰ অন্তত জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা সভাত উপস্থিত থকা প্ৰতিগৰাকী ছাত্ৰীকে বিনামূলীয়া চেনিটেৰী নেপকিন আৰু আইৰণ টেবলেট বিতৰণ কৰা হয়।

# জাঁজী-জামুগুৰি চন্দ্ৰধৰ গগৈ শঙ্কৰদেৱ শিশু বিদ্যা নিকেতনত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীৰ বিশেষ অভিনন্দন অনুষ্ঠান

**জাঁজী, ২৮ মে'** ঃ শিৱসাগৰ জিলাৰ জাঁজী-জামুগুৰি চন্দ্ৰধৰ গগৈ শঙ্কৰদেৱ শিশু বিদ্যা নিকেতনত আজি ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ৪২ গৰাকী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে অভিনন্দন জনোৱা হয়। এই উপলক্ষে নিকেতনত অনুষ্ঠিত হোৱা এখন সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজ কৰ্মী ৰবীন বৰুৱাই। আনহাতে নিকেতনৰ প্ৰধান আচাৰ্য ললিত শৰ্মাই আতঁধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পৰিচালনা সমিতিৰ সভাপতি পুষ্পধৰ নেওগ, সাংবাদিক ৰাজীৱ দত্ত, দিখৌমুখ মহাবিদ্যায়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱা, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি জ্যোতি প্ৰসাদ গগৈ, সাংবাদিক দিগন্ত শৰ্মা, বিতুমনি বৰুৱা, পল্লৱ জ্যোতি গগৈ, সত্যজিৎ শইকীয়া, অভিভাৱক তথা অভিভাৱক সকলৰ উপৰিও নিকেতনৰ আচাৰ্য আৰু ছাত্ৰ-ছাত্ৰী সকল। ইয়াৰোপৰি আজিৰ এই অভিনন্দন অনুষ্ঠানতেই সমাজ বিজ্ঞান, অসমীয়া, আৰু গণিত বিষয়ত লেটাৰ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক প্ৰধান আচাৰ্য ললিত শৰ্মা, প্ৰাক্তন আচাৰ্যদ্বয় পল্লৱজ্যোতি গগৈ, সত্যজিৎ শইকীয়া, আচাৰ্য জিতুমণি শইকীয়া, মানস শৰ্মা, প্ৰীতম গগৈ, প্ৰশান্ত আঁৰন্ধৰা, গীতা বৰুৱা গগৈয়ে বিশেষভাৱে অভিনন্দন জনায়। বিশিষ্ট অতিথিৰ ভাষণত দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱাই ছাত্ৰ-ছাত্ৰীক ছাত্ৰাৱস্থাৰ পৰা জীৱন সম্পৰ্ক সিদ্ধান্ত ল'বলৈ প্ৰস্তুত হ'ব লাগে বুলি উৎসাহ যোগাই। আনহাতে প্ৰত্যেক বছৰেই নিকেতনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন